● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

www.dainikagradoot.in

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

আনৰ কল্পনাৰ সীমাৰদ্ধতাৰ বাবে নিজকে কেতিয়াও সীমাদ্ধতাৰ গণ্ডীত নাৰাখিব; নিজস্ব কল্পনাৰ চমু পৰিধিৰ বাবে আনক বাধা নিদিব।

মেই জেমিছন
*আমেৰিকান জ্যোতিৰ্বিজ্ঞানী*




৫ ভাৰতৰ কাৰাগাৰত বন্দী ৫১৫০ বিদেশী কয়দী
১৫ দ্বিতীয় টেষ্টত দক্ষিণ আফ্ৰিকাৰ জয়
৪ মানৱ আৰু মানৱেতৰ প্ৰজাতিৰ প্ৰব্ৰজন আৰু কৃষিকাৰ্যৰ উদ্ভৱ

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৯২তম সংখ্যা ● গুৱাহাটী ● শুকুৰবাৰ ২২ পুহ ১৪২৮ ভাস্কৰাব্দ ৭ জানুৱাৰী ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Friday 7 January 2022 মূল্য ঃ ৯.০০ টকা

■ পূব লাডাখৰ পাংগং হ্ৰদত চীনৰ দলং নিৰ্মাণক লৈ কঠোৰ কেন্দ্ৰীয় চৰকাৰ ■ নিকটভাৱে পুনৰীক্ষণ কৰি থকা হৈছে ঃ বৈদেশিক মন্ত্ৰণালয় ■ দ্বিপাক্ষিক চুক্তিৰ আলম লৈ আগ্ৰাসী কৌশল

# চীনৰ দলং নিৰ্মাণ ঃ দিল্লীৰ তীব্ৰ প্ৰতিক্ৰিয়া


■ ৬০ বছৰে বেদখল কৰি থকা ভূমিত শীঘ্ৰে সম্পূৰ্ণ হ'ব চীনৰ দলং




■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ৬ জানুৱাৰী ঃ** অন্তহীন সীমান্ত বিবাদৰ মাজতে চীনে পূব লাডাখৰ পাংগং হ্ৰদত দলং নিৰ্মাণ প্ৰায় সম্পূৰ্ণ কৰিবলৈ লৈছে। ভাৰত চৰকাৰে আজি এই বিষয়টোক লৈ কঠোৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। দেশৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰণালয়ে কয় যে বিগত প্ৰায় ৬০ বছৰ ধৰি চীনে অবৈধভাৱে দখল কৰি থকা অঞ্চলত ১০ পৃষ্ঠাত চাওক

## মহামাৰীৰ ৰাজনৈতিক অৰ্থনীতি ?

**দেশ-কাল-সমাজ**
ড° দীনেশ বৈশ্য



২০১৯ত কৰ'না ভাইৰাছৰ দ্বাৰা সংঘটিত মহামাৰীয়ে আমাৰ দেশৰ লগতে সমগ্ৰ পৃথিৱীতে এক অতি ভয়ংকৰ ত্ৰাসৰ সৃষ্টি কৰিছে। কোৱা হৈছে কৰ'না এবিধ মাৰাত্মক সংক্ৰামক ৰোগ। এই ৰোগত আক্ৰান্ত লোকৰ হাওঁফাওঁ সংক্ৰমিত হয় আৰু বিভিন্ন উপসৰ্গই দেখা দিয়ে। অধিক সংক্ৰমণত ১০ পৃষ্ঠাত চাওক



আহত ২৪জন আৰাসী

## সংঘাত অব্যাহত কটন বিশ্ববিদ্যালয়ত

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৬ ডিচেম্বৰ ঃ** পুনৰ বিতৰ্কৰ আৱৰ্তত সোমাই পৰিল ঐতিহ্যমণ্ডিত কটন। ছাত্ৰ একতা সভাৰ নিৰ্বাচনক ১০ পৃষ্ঠাত চাওক

■ ছয় জনগোষ্ঠীৰ জনজাতিকৰণ হ'ব নে নহয় ■ শীঘ্ৰে চৰকাৰক স্পষ্ট কৰাৰ দাবী

## এমাহৰ ভিতৰত কেন্দ্ৰক প্ৰতিবেদন নিদিলে অসম ৰক্তাক্ত কৰাৰ হুংকাৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৬ জানুৱাৰী ঃ** জনজাতিকৰণৰ দাবী জনাই অহা ৰাজ্যৰ ছয় জনগোষ্ঠীৰ মাজত অসম চৰকাৰে সংঘাত সৃষ্টিৰ ষড়যন্ত্ৰ ৰচাৰ অভিযোগ উত্থাপন কৰিছে জনগোষ্ঠীয় ১০ পৃষ্ঠাত চাওক

গুৱাহাটীত হোৱাহোৱে বৃদ্ধি পাইছে সংক্ৰমণ

## ৰাজ্যত এদিনত ৮৪৪ আক্ৰান্ত ক'ভিডত, দুজনৰ মৃত্যু

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৬ জানুৱাৰী ঃ** অসমত হোৱাহোৱে বাঢ়িছে দৈনিক ক'ভিড আক্ৰান্তৰ সংখ্যা। ইফালে, গুৱাহাটীত ৰাজ্যৰ সকলো স্থানৰ তুলনাত ক্ষিপ্ৰ গতিত বৃদ্ধি পাইছে সংক্ৰমিত লোক। ১০ পৃষ্ঠাত চাওক



*প্ৰধানমন্ত্ৰী মোদীৰ দীৰ্ঘায়ু কামনাৰে মুখ্যমন্ত্ৰী ড° শৰ্মাৰ স'তে দলীয় সতীৰ্থসকলৰ উগ্ৰতৰা মন্দিৰত পূজা।*

**চৰাইদেউত চিকিৎসা মহাবিদ্যালয় পৰিদৰ্শন মুখ্যমন্ত্ৰী ড° শৰ্মাৰ**

## বাৰিষাৰ আগত মাৰ্চতে সম্পন্ন হ'ব পৌৰ নিগম-নিকায়ৰ নিৰ্বাচন

■ তলাবন্ধৰ সম্ভাৱনা নুই কৰিলে মুখ্যমন্ত্ৰীয়ে ■ চৰকাৰী কৰ্মচাৰীক ছুটী দিয়াত সমস্যা হ'লেও সহ্য কৰিব চৰকাৰে

অগ্ৰদূত বাৰ্তা
**চোণাৰি, ৬ জানুৱাৰী ঃ** 'এই সময়ত অসমত 'তলাবন্ধ'ৰ সম্ভাৱনা নাই।' আজি চোণাৰিত এই কথা স্পষ্ট কৰিলে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। অৱশ্যে আগন্তুক মাঘ বিহু উদ্‌যাপনৰ সন্দৰ্ভত নতুন এছ অ' পি প্ৰকাশ হ'ব বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই ক্ষেত্ৰত ক'ভিড আক্ৰান্তৰ সংখ্যা বৃদ্ধিৰ ওপৰত ভিত্তি কৰিয়েই যথোচিত পদক্ষেপ ৰাজ্য চৰকাৰে গ্ৰহণ কৰিব। উল্লেখ্য যে মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি চৰাইদেউত নিৰ্মীয়মান চিকিৎসা মহাবিদ্যালয় ১০ পৃষ্ঠাত চাওক

নাৰীক পন্য ৰূপে বিজ্ঞাপনত ব্যৱহাৰ কৰি গোপনে নিলাম


## বুল্লি বাঈ এপৰ স্ৰষ্টা ছাত্ৰ নীৰজক যোৰহাটত গ্ৰেপ্তাৰ




**অগ্ৰদূত প্ৰতিবেদক/ষ্টাফ ৰিপ'ৰ্টাৰ**
**নতুন দিল্লী/যোৰহাট, ৬ জানুৱাৰী ঃ** ডিজিটেল মাধ্যমত নাৰীক পণ্যৰূপে উপস্থাপন কৰি গোপনে নিলাম কৰাত ব্যৱহৃত নিষিদ্ধ এপ ১০ পৃষ্ঠাত চাওক

## কেন্দ্ৰৰ শ্ৰমিক নীতিয়ে দাস প্ৰথাৰ সৃষ্টি কৰিব ঃ কৌৰ

২৩, ২৪ ফেব্ৰুৱাৰীত কেন্দ্ৰীয় ট্ৰেড ইউনিয়নসমূহৰ দেশজুৰি ধৰ্মঘট




**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৬ জানুৱাৰী ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰৰ বিজেপি চৰকাৰে ১০ পৃষ্ঠাত চাওক



জনসংযোগ/ডি/১২৯৪৮/২১

দৈনিক অগ্ৰদূত

গুৱাহাটী, ৭ জানুৱাৰী, ২০২২ শুকুৰবাৰ পৃষ্ঠা তিনি




# জনপ্ৰিয় অভিনেতা পবিত্ৰ প্ৰাণ বৰাৰ বিয়োগ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ৬ জানুৱাৰী ঃ** মঞ্চ আৰু কথাছবি জগতৰ বলিষ্ঠ আৰু সফল অভিনেতা যোৰহাট কেন্দুগুৰি বৰা পথৰ নিবাসী পবিত্ৰ প্ৰাণ বৰাই (৬৫) আজি পুৱতি নিশা যোৰাহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালত শেষ নিশ্বাস ত্যাগ কৰে। কে'বাটাও চেনেলৰ ভালে কেইখন ধাৰাবাহিকত অভিনয় কৰা জনপ্ৰিয় ছয় পৃষ্ঠাত চাওক

## সোঁতৰ বিপৰীতে



■ কমতাপুৰ ৰাজ্য গঠনৰ দাবীত কোচ ৰাজবংশী জাতীয় পৰিষদৰ তিনিঘণ্টীয়া অৱস্থান ধৰ্মঘট

# শীঘ্ৰে জনজাতিকৰণৰ দাবীত উত্তাল বঙাইগাঁও



**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ৬ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নতুন বৰ্ষৰ প্ৰথমটো দিনতে সংবাদমেল সম্বোধন কৰি অসমৰ ছয় জনগোষ্ঠীক জনজাতিকৰণ কৰিলে জনজাতিসকলৰ বিৰোধিতাৰে অসম ৰক্তাক্ত হ'ব বুলি দোহাৰি প্ৰকাৰান্তৰে অসম চৰকাৰে কোচ ৰাজবংশী জনগোষ্ঠীৰ জনজাতিকৰণৰ দাবীটোক নস্যাৎ কৰাৰ ষড়যন্ত্ৰত লিপ্ত হোৱা বুলি কোচ ৰাজবংশী জাতীয় পৰিষদৰ সভাপতি বিমল কুমাৰ বৰ্মন আৰু সাধাৰণ সম্পাদক বিশ্বজিৎ ৰায়ে অভিযোগ উত্থাপন কৰিছে। এক বিবৃতিযোগে এই অভিযোগ উত্থাপন কৰিছে। পৃথক কমতাপুৰ ৰাজ্য গঠন কৰা আৰু অসমৰ কোচ ৰাজবংশীসকলক অনুসূচিত জনজাতিকৰণৰ দাবীত আজি বঙাইগাঁও চহৰৰ পাগালাস্থানত পুৱা ১১ বজাৰ পৰা তিনিঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰি কোচ ৰাজবংশী জাতীয় পৰিষদৰ সভাপতি বিমল কুমাৰ বৰ্মন আৰু ছয় পৃষ্ঠাত চাওক

## চাৰিখন বিশ্ববিদ্যালয়ৰ বিত্তীয় কেলেংকাৰিৰ সন্দৰ্ভত শপতনামা দাখিলৰ নিৰ্দেশ ন্যায়ালয়ৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৬ জানুৱাৰী ঃ** ৰাজ্যৰ চাৰিখন বিশ্ববিদ্যালয় ক্ৰমে গুৱাহাটী, ডিব্ৰুগড়, তেজপুৰ আৰু অসম কৃষি বিশ্ববিদ্যালয়ত সংঘটিত বিত্তীয় কেলেংকাৰি সন্দৰ্ভত ন্যায়ালয়ে দিয়া নিৰ্দেশ অমান্য কৰাৰ অভিযোগত আচাৰ্যক শীঘ্ৰে শপতনামা দাখিলৰ নিৰ্দেশ দিছে গুৱাহাটী উচ্চ ন্যায়ালয়ে। উক্ত চাৰিখন বিশ্ববিদ্যালয়ত বিত্তীয় কেলেংকাৰি সংঘটিত হোৱা বুলি ভাৰতৰ মহাগাণনিকৰ প্ৰতিবেদনত প্ৰকাশ পাইছিল। তাৰ ভিত্তিত আমগুৰি নৱ নিৰ্মাণ সমিতি নামৰ এটা সংগঠনে বিগত বৰ্ষৰ ফেব্ৰুৱাৰীত এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদন ন্যায়ালয়ত দাখিল কৰিছিল। উক্ত আবেদনৰ ভিত্তিত ন্যায়ালয়ে আচাৰ্য একেগৰাকী ব্যক্তি হ'লেও চাৰিখন বিশ্ববিদ্যালয়ৰ বাবে পৃথকে পৃথকে চাৰিখন জাননী জাৰি কৰি কেলেংকাৰি সন্দৰ্ভত কি ব্যৱস্থা লোৱা হৈছে সেয়া আদালতক জনাবলৈ কৈছিল। কিন্তু নিৰ্ধাৰণ কৰি দিয়া ২২ মাৰ্চৰ ভিতৰত ন্যায়ালয়ে জাননীৰ কোনো উত্তৰ নোপোৱাত আমগুৰি নৱ নিৰ্মাণ সমিতিয়ে পুনৰ এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদন দাখিল কৰে। আজি এই আবেদনখনৰ শুনানি অনুষ্ঠিত হয়। শুনানিৰ অন্তত মুখ্য ন্যায়াধীশ সুধাংশু ঢুলীয়াৰ খণ্ড বিচাৰপীঠে আচাৰ্যক শপতনামাৰ জৰিয়তে ব্যৱস্থা গ্ৰহণ নকৰাৰ বিষয়টো স্পষ্ট কৰিবলৈ নিৰ্দেশ দিয়ে। উল্লেখ্য যে ৰাজ্যপাল হ'ল আটাইকেইখন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য। শপতনামা দাখিলৰ নিৰ্দেশটোত অৱশ্যে ৰাজ্যপালৰ পৰিৱৰ্তে আচাৰ্য হিচাপেহে উল্লেখ কৰা হৈছে।

## কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান তথা ব্যাঘ্ৰ সংৰক্ষণ অঞ্চলত সমূহীয়া মাছ ধৰাত নিষেধাজ্ঞা প্ৰশাসনৰ

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ৬ জানুৱাৰী ঃ** বিশ্বনাথ বন্যপ্ৰাণী সংমণ্ডল তথা কাজিৰঙা ব্যাঘ্ৰ সংৰক্ষণৰ উপ-সঞ্চালক কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত অঞ্চলত একাংশ লোকে মাঘ বিহুৰ সময়ত সমূহীয়াভাৱে মাছ ধৰা কাৰ্যসূচী আয়োজন কৰাৰ সন্দৰ্ভত দাখিল কৰা প্ৰতিবেদনৰ ভিত্তিত তথা বন্যপ্ৰাণী সংৰক্ষণ আইন ১৯৭২ৰ অধীনত এনে গতিবিধি বেআইনী হোৱাৰ প্ৰতি লক্ষ্য ৰাখি শোণিতপুৰ জিলাৰ দণ্ডাধীশ ভূপেশ চন্দ্ৰ দাসে ভাৰতীয় ফৌজদাৰী কাৰ্যবিধি আইনৰ ১৪৪ ধাৰাৰ অধীনত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষণ অঞ্চলত কেতবোৰ নিষেধাজ্ঞা আৰোপ কৰিছে। সেই অনুসৰি আগতীয়া অনুমতি অবিহনে শোণিতপুৰ জিলাৰ অধীনস্থ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষণ অঞ্চলৰ ভিতৰত পাঁচজন বা ততোধিক লোকৰ সমাগম আৰু ৰাষ্ট্ৰীয় উদ্যানলৈ আহ-যাহ সম্পূৰ্ণৰূপে ছয় পৃষ্ঠাত চাওক

নগাঁও মহকুমা ছাত্ৰ সন্থা-ধিং আঞ্চলিকৰ অধিবেশন

## থলুৱা গীত-মাত আয়ত্ত কৰি সমাজক আগুৱাই নিব লাগিব

**অগ্ৰদূত বাৰ্তা**

**ধিং, ৬ জানুৱাৰী ঃ** কালিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে ধিঙৰ শ্ৰীশ্ৰী জগন্নাথ মন্দিৰ প্ৰাংগণত অনুষ্ঠিত হোৱা নগাঁও মহকুমা ছাত্ৰ সন্থা আৰু ধিং আঞ্চলিক ছাত্ৰ সন্থাৰ বাৰ্ষিক অধিৱেশনৰ আজি সামৰণি পৰে। আজিৰ অন্তিম দিনাৰ এই কাৰ্যসূচীত উপস্থিত থাকে সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য। ভট্টাচাৰ্যই বিভিন্ন জাতি, জনজাতি, জনগোষ্ঠী তথা বিভিন্ন ধৰ্মাৱলম্বী লোকৰে গঠিত খিলঞ্জীয়া মানুহক আৰু জাতীয় জীৱনক শক্তিশালী ৰূপত আগুৱাই নিবলৈ হ'লে সাংস্কৃতিক দুৱাৰেৰে আগবাঢ়ি যাব লাগিব বুলি মন্তব্য প্ৰকাশ কৰে। ড° ভট্টাচাৰ্যই খিলঞ্জীয়াৰ ৰক্ষা কৱচ, অসম চুক্তি ৰূপায়ণ, সমষ্টি পুনৰ নিৰ্ধাৰণ আৰু এখন শুদ্ধ এনআৰচি প্ৰস্তুতিৰ ওপৰত ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰক এই মঞ্চৰ পৰাই দাবী জনোৱা বুলি উল্লেখ কৰি লগতে কয় যে অসমত খিলঞ্জীয়াৰ ছয় পৃষ্ঠাত চাওক

## দেশৰ নাগৰিকে পঞ্জাৱ চৰকাৰক গৰিহণা দিছে ঃ শইকীয়া

**বিশেষ সংবাদদাতা**

**ওদালগুৰি, ৬ জানুৱাৰী ঃ** 'কালি দেশৰ সৰ্বজনপ্ৰিয় নেতা যশস্বী প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সুৰক্ষা আৰু নিৰাপত্তাৰ প্ৰতি কংগ্ৰেছ নেতৃত্বাধীন কংগ্ৰেছ চৰকাৰে যি ধৰণৰ ভয়াৱহ গাফিলতি কৰিলে এয়া দেশৰ প্ৰতিগৰাকী নাগৰিকে পঞ্জাৱৰ কংগ্ৰেছ চৰকাৰক তীব্ৰ গৰিহণা দিছে। ইয়াৰ উচিত উত্তৰ কংগ্ৰেছ দলে দিব লাগিব।' এই মন্তব্য বিজেপিৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক তথা মঙলদৈ লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়াৰ। আজি ওদালগুৰি জিলা বিজেপি কাৰ্যালয় চৌহদত নৱনিৰ্মিত এটা প্ৰেক্ষাগৃহ উদ্বোধন কাৰ্যসূচীত অংশগ্ৰহণ ছয় পৃষ্ঠাত চাওক

■ ম'হযুঁজৰ সাতামপুৰুষীয়া পৰম্পৰা ৰক্ষা কৰিব নোৱৰা হ'ল বহু অঞ্চলৰ কৃষকে
■ ন্যায়ালয়ৰ নিষেধাজ্ঞা সত্বেও ম'হযুঁজৰ পৰম্পৰা ৰক্ষা কৰিব ম'হৰ গৰাকী- গুৱালে



**■হেমেন কুমাৰ দাস**

**নগাঁও, ৬ জানুৱাৰী ঃ** সাতামপুৰুষীয়া পৰম্পৰা ৰক্ষা কৰিবলৈকে ন্যায়ালয়ৰ কঠোৰ নিষেধাজ্ঞাকো আওকাণ কৰিব নগাঁও জিলাৰ একাংশ কৃষক-গুৱালে। নিষেধাজ্ঞা থকা সত্বেও অবিভক্ত নগাঁও জিলাৰ বিভিন্ন ঠাইত কৃষক ৰাইজে ম'হৰ গৰাকী আৰু ম'হ গুৱালৰ সহযোগত এইবাৰো অনুষ্ঠিত কৰিব ঐতিহ্যবাহী ম'হযুঁজ। মাঘ বিহুত এইবাৰো ম'হ যুঁজ অনুষ্ঠিত কৰি সাতামপুৰুষীয়া পৰম্পৰা ৰক্ষা কৰাৰ বাবে অবিভক্ত নগাঁও জিলাৰ বিভিন্ন ঠাইত সম্প্ৰতি ব্যাপক প্ৰস্তুতি চলিছে। উল্লেখ্য যে বিজ্ঞান আৰু প্ৰযুক্তিৰ অগ্ৰগতিৰ লগে লগেই ৰাজ্যখনৰ আন ঠাইৰ লগতে অবিভক্ত নগাঁও জিলাৰো প্ৰায় ৯০

## ঘৰচীয়া ম'হৰ সংখ্যা ভাৱনীয়ভাৱে হ্ৰাস পাইছে নগাঁৱত

শতাংশ কৃষকে গৰু-ম'হৰ সলনি অধিক যন্ত্ৰ-নিৰ্ভৰ হৈ পৰিছে। ফলত অবিভক্ত নগাঁও জিলাৰ ৯০ শতাংশ কৃষকৰে গোহালিৰ পৰা নাইকিয়া হৈ পৰিল গৰু-ম'হ। কৃষকে এৰিলে নাঙল, যুঁৱলি, মৈ, বিন্ধা, গৰু-ম'হৰ গাড়ী। ইয়াৰ বিপৰীতে কৃষিকাৰ্যৰ বাবে কৃষকে ছয় পৃষ্ঠাত চাওক

তেজপুৰত বিজেপি যুৱ মৰ্চাৰ প্ৰতিবাদ

## পঞ্জাৱৰ মুখ্যমন্ত্ৰীৰ পুত্তলিকা দাহ

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ৬ জানুৱাৰী ঃ** পঞ্জাৱত কালি দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মৰ্যাদা হানি কৰাৰ প্ৰতিবাদত আজি সন্ধিয়া তেজপুৰত ভাৰতীয় জনতা যুৱ মৰ্চাই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। সংগঠনটোৰ সদস্যসকলে তেজপুৰস্থিত জিলা কংগ্ৰেছৰ কাৰ্যালয়ৰ সন্মুখত পঞ্জাৱৰ মুখ্যমন্ত্ৰী চৰণজিৎ চান্নিৰ পুত্তলিকা দাহ কৰে। উল্লেখ্য যে সংগঠনটোৰ তিনি শতাধিক সদস্যই প্ৰথমতে তেজপুৰ আদালত ছয় পৃষ্ঠাত চাওক

## আৰক্ষীৰ গুলিত আহত ড্ৰাগছ ব্যৱসায়ীক সংকটজনক অৱস্থাত গুৱাহাটীলৈ প্ৰেৰণ



**বিশেষ সংবাদদাতা**

**নগাঁও, ৬ জানুৱাৰী ঃ** নগাঁও জিলাৰ ৰূপহীহাটৰ শিঙিমাৰী বজাৰত যোৱা নিশা আৰক্ষীৰ গুলিত গুৰুতৰভাৱে আহত ড্ৰাগছ ব্যৱসায়ী জাহাংগীৰ আলম ওৰফে জামালউদ্দিনক নিশাই ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল যদিও উন্নত চিকিৎসাৰ বাবে তেওঁক গুৱাহাটীলৈ প্ৰেৰণ কৰা হৈছে। সোঁভৰিৰ উৰুত গুলি লগা ড্ৰাগছ ব্যৱসায়ীজনৰ ৰক্তক্ষৰণ বেছি হোৱাৰ বাবে নগাঁৱৰ পৰা গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হৈছে। আৰক্ষী সূত্ৰই উল্লেখ কৰা মতে, চাইদৰীয়াৰ জাহাংগীৰ ওৰফে জামালউদ্দিনে বৃহত্তৰ ৰূপহীহাটত দীৰ্ঘদিন ধৰি ড্ৰাগছৰ ব্যৱসায় কৰি আছিল। যোৱা নিশা এগৰাকী ছয় পৃষ্ঠাত চাওক

## বিশিষ্ট সংগীতজ্ঞ-সুৰকাৰ ৰমেন বৰুৱা, নাট্যকাৰ হেমন্ত দত্তক 'মঘাই-মোহন কৃষ্টি বিকাশ বঁটা' প্ৰদান

## কিতাপ সভ্যতাৰ স্ৰষ্টা আৰু প্ৰতিপালক ঃ অনুৰাধা শৰ্মা পূজাৰী



**গুৱাহাটী, ৬ জানুৱাৰী ঃ** 'কিতাপ' যিয়ে ন ন জ্ঞানৰ দিগন্ত মুকলি কৰে, জন্ম দিয়ে নতুন ধ্যান-ধাৰণাৰ, আলোকিত কৰে সমাজ জীৱন। গতিকে কিতাপ পঢ়ি মানুহে পৰমানন্দ লাভ নকৰিবই বা কিয়?' চান্দমাৰিস্থিত অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠান খেলপথাৰত অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাই যৌথভাৱে আৰম্ভ কৰা অসম গ্ৰন্থমেলাত আজি অনুষ্ঠিত হয় 'কিতাপ পঢ়াৰ আনন্দ' শীৰ্ষক এক মনোজ্ঞ অনুষ্ঠান। সাহিত্য একাডেমী বঁটাপ্ৰাপক বিশিষ্ট সাহিত্যিক-সাংবাদিক অনুৰাধা শৰ্মা পূজাৰীয়ে উদ্বোধন আৰু ছয় পৃষ্ঠাত চাওক

## কৃষ্ণাইত শাহুৰেকৰ অন্ত্যেষ্টিক্ৰিয়াৰ পাছতে জোঁৱায়েকৰ সলিল সমাধি

**অগ্ৰদূত বাৰ্তা**

**কৃষ্ণাই, ৬ জানুৱাৰী ঃ** গোৱালপাৰা জিলাৰ কৃষ্ণাইত নৈত গা-ধুবলৈ গৈ সলিল সমাধি প্ৰৱীৰ সূত্ৰধৰ নামৰ লোকজনৰ। গুৱাহাটী লালগণেশৰ বাসিন্দা প্ৰৱীৰ সূত্ৰধৰে কৃষ্ণাইস্থ আশুডুবিত থকা শাহুৰেকৰ মৃত্যুৰ বাতৰি পাই আজি কৃষ্ণাইলৈ আহে। পাছত আজি আবেলি কৃষ্ণাইৰ শ্মশানত শাহুয়েকৰ মৃতদেহ সৎকাৰ কৰি কৃষ্ণাই নৈৰ আশুডুবি ঘাটত গা ধুবলৈ নামে প্ৰৱীৰ। ইয়াৰ পাছতে নৈৰ পানীত ডুবি তেওঁ সন্ধানহীন হৈ পৰে। ঘটনাৰ খবৰ পায়ে কৃষ্ণাইৰ আৰক্ষী উপস্থিত ছয় পৃষ্ঠাত চাওক

## মালবাহী বাহনত যাত্ৰী কঢ়িওৱাত নিষেধাজ্ঞা

**বিশেষ সংবাদদাতা**

**ওদালগুৰি, ৬ জানুৱাৰী ঃ** সমগ্ৰ ওদালগুৰি জিলাতে কাৰ্যকৰী হোৱাকৈ মালবাহী বাহনত যাত্ৰী কঢ়িওৱাত নিষেধাজ্ঞা আৰোপ কৰিছে ওদালগুৰি জিলা পৰিবহণ বিভাগে। কালি ওদালগুৰি-ভৈৰৱকুণ্ড পথত এনে মালবাহী বাহনৰ পৰা পৰি এজন যুৱকৰ মৃত্যু হোৱাৰ পাছত বিষয়টো সন্দৰ্ভত তৎপৰ হৈছে জিলা পৰিবহণ বিভাগটো। আজি ওদালগুৰি ভৈৰৱকুণ্ড পথৰ কাহিবাৰীত অভিযান চলাই এনে ধৰণৰ মালবাহী বাহনত বনভোজৰ দল কঢ়িয়াই অনা কে'বাখনো ছয় পৃষ্ঠাত চাওক

বাহাৰঘাট আঞ্চলিক ছাত্ৰ সন্থাৰ বাৰ্ষিক অধিবেশন

## ভাষা-সংস্কৃতি ৰক্ষাত আছুৰ ভূমিকা অতুলনীয়



**অগ্ৰদূত বাৰ্তা**


**বাহাৰঘাট, ৬ জানুৱাৰী ঃ** 'কিবা এটা পোৱাৰ আশাত আমি ছাত্ৰ সন্থা কৰা নাই বা পোৱাৰ আশা কৰি আছু কৰিবলৈ অহাটো উচিটো নহয়।' এই মন্তব্য সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সভাপতি গুণজ্যোতি পাঠকৰ। আজি জিলাখনৰ বাহাৰঘাট আঞ্চলিক ছাত্ৰ সন্থাৰ বাৰ্ষিক অধিবেশনত উপস্থিত থাকি আছু নেতাজনে এইদৰে কয়। তেওঁ কয় যে ছাত্ৰ সমাজক ন ন চিন্তাৰে আগুৱাই নিয়াটো আছুৰ দৃষ্টিভংগী। বৰ্তমান ৰাজ্যত বহুত ছাত্ৰ সংগঠনৰ জন্ম হৈছে; কিন্তু জন্মভূমিৰ ভাষা-সংস্কৃতি ৰক্ষাৰ ক্ষেত্ৰত আছুৰ ভূমিকা অতুলনীয়। আজি আবেলি স্থানীয় পশ্চিম বড়িগোগ অম্বাপ্ৰিয়া ছয় পৃষ্ঠাত চাওক

## কোকৰাঝাৰত মাৰ্চেণ্ট কালীবাৰীত চুৰিকাণ্ড

**অগ্ৰদূত বাৰ্তা**

**কোকৰাঝাৰ, ৬ জানুৱাৰী ঃ** কোকৰাঝাৰ চহৰৰ মাজমজিয়াৰ বিবেকানন্দ পথত যোৱা নিশা মাৰ্চেণ্ট কালিবাৰী মন্দিৰত সংঘটিত হয় এক চুৰিকাণ্ড। উল্লেখ্য যে মন্দিৰৰ ভিতৰত ভেণ্টিলেটৰ ভাগি চোৰৰ দল এটি প্ৰৱেশ কৰি মা কালী মূৰ্তিৰ ডিঙি, নাক, কাণত পৰিধান কৰি থোৱা সোণ-ৰূপৰ আ-অলংকাৰ, মন্দিৰৰ দান ভাণ্ডাৰ ভাঙি সোণৰ আ-অলংকাৰ আৰু নদগ ধন চুৰি কৰে। মন্দিৰ কৰ্তৃপক্ষই সদৰী কৰা মতে, চোৰে প্ৰায় তিনি লাখ টকাৰ সা-সামগ্ৰী লুটপাট কৰি নিয়ে। উল্লেখ্য যে কোকৰাঝাৰ মাৰ্চেণ্ট কালীবাৰী মন্দিৰত পূৰ্বতেও দুবাৰকৈ চুৰিকাণ্ড সংঘটিত হৈছিল। উক্ত চুৰিকাণ্ডত কোন জড়িত আছে সেয়া অদ্যাপি পোহৰলৈ অহা নাই।

## বিশিষ্ট সমাজকৰ্মী হৰেন্দ্ৰ নাথ শৰ্মাৰ বিয়োগ



**অগ্ৰদূত বাৰ্তা**

**মঙলদৈ, ৬ জানুৱাৰী ঃ** মঙলদৈ বামুণপাৰা নিবাসী সমাজকৰ্মী, মঙলদৈ মহকুমা পৰিষদৰ প্ৰাক্তন জ্যেষ্ঠ সহায়ক হৰেন্দ্ৰ নাথ শৰ্মা (৯৯)ৰ আজি পুৱা ৬.১০ বজাত বাৰ্ধক্যজনিত কাৰণত নিজা বাসগৃহত মৃত্যু হয়। ১৯২৩ৰ ২০ এপ্ৰিলত জন্মগ্ৰহণ কৰা সমাজহিতৈষী শৰ্মা বামুণপাৰা অঞ্চলৰ আটাইতকৈ বয়োজ্যেষ্ঠ ব্যক্তি আছিল। তেওঁ ১৮৯৫ত বামুণপাৰা শিৱ মন্দিৰত অনুষ্ঠিত সদৌ দৰং জিলা ব্ৰাহ্মণ সমাজৰ অধিবেশনৰ মুখ্য পৰিচালক বামুণপাৰা ব্ৰাহ্মণ খেলৰ সম্পাদক, পাছলৈ সভাপতি, ১৯৯৯ত হোৱা দৰং জিলা ব্ৰাহ্মণ সমাজৰ মহাৰজত জয়ন্তী আৰু বিষ্ণু যজ্ঞ উদ্যাপন ছয় পৃষ্ঠাত চাওক

তালাপত আছুৰ বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰি প্ৰতিবাদ

## ডিব্ৰু-শদিয়া ৰেলপথ খুলি ৰেল চলাচল কৰিবলৈ দাবী



**ডুমডুমা, ৬ জানুৱাৰী ঃ** ব্ৰিটিছ যুগৰ ডিব্ৰু-শদিয়া ৰেলপথটো চিৰদিনৰ বাবে বন্ধ কৰি দিয়াৰ প্ৰস্তুতি চলোৱা ৰেল মন্ত্ৰণালয়ৰ বিৰুদ্ধে সদৌ অসম ছাত্ৰ সন্থা (আছু)ৰ ডাঙৰী আঞ্চলিক ছাত্ৰ সন্থা ক্ষুব্ধ হৈছে। আজি আছুৱে তালাপত বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। তালাপ ৰেল ষ্টেছনত ডাঙৰী আঞ্চলিক ছাত্ৰ সন্থাই বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰি বিভিন্ন শ্ল'গান দি পৰিৱেশ উত্তপ্ত কৰি তোলে। ৰেল বিভাগৰ হঠকাৰী সিদ্ধান্ত বাতিল কৰক, ডিব্ৰু-শদিয়া ৰেলপথত ৰেল চলাচলৰ ব্যৱস্থা কৰক, ৰেল বিভাগ হায় হায়, বিজেপি চৰকাৰ লেই লেই, ছেই ছেই' আদি শ্ল'গান দি আছুৰ কৰ্মীসকলে উত্তাল কৰে। ৰেল নচলা পৰ্যন্ত সদৌ অসম ছাত্ৰ সন্থাৰ ডাঙৰী আঞ্চলিক সমিতি ক্ষান্ত নহয় বুলি স্পষ্ট কৰি দিছে। তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সম্পাদক পুহেশ্বৰ সোণোৱালে ৰেলৰে বিভাগৰ হঠকাৰী সিদ্ধান্তক কোনো কাৰণতে মানি নলয় বুলি উল্লেখ কৰি শীঘ্ৰে ৰেল চলাচলৰ ব্যৱস্থা কৰিবলৈ ভাৰত চৰকাৰ-অসম চৰকাৰ উভয় পক্ষক দাবী জনাইছে। ভাৰত চৰকাৰৰ ৰেল মন্ত্ৰণালয়ৰ হঠকাৰী সিদ্ধান্তৰ প্ৰতিবাদত তালাপ ৰেল ষ্টেছনত আজি মুখত ক'লা কাপোৰ বান্ধি আছুৱে বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰাৰ অন্তত তিনিচুকীয়া জিলা উপায়ুক্তৰ জৰিয়তে কেন্দ্ৰীয় ৰেলমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰে। ইয়াৰ প্ৰতিলিপি ডি আৰ এম, জি এম লৈয়ো প্ৰেৰণ কৰে। আজিৰ কাৰ্যসূচীত ডাঙৰী আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি সীমান্ত সোণোৱাল, সাধাৰণ সম্পাদক থানেশ্বৰ তেলী আদিৰ লগতে আছা, জাৰ্ণেলিষ্ট ইউনিয়ন অৱ আছামৰ কৰ্মকৰ্তায়ো অংশগ্ৰহণ কৰে। উল্লেখ্য যে ৰেল মন্ত্ৰণালয়ৰ শ্ৰুতলিপিত নিয়ন্ত্ৰিত উত্তৰ-পূব সীমান্ত ৰেল (এন এফ আৰ) প্ৰশাসনে অসমৰ ছয় পৃষ্ঠাত চাওক

■ মৰিগাঁৱত তিৱা স্বায়ত্ত পৰিষদৰ প্ৰথম বৰ্ষপূৰ্তিত জনসমাৱেশ
■ তিৱা পৰিষদত ধন বৃদ্ধি কৰিবলৈ দিছপুৰৰ বিধায়ক অতুল বৰাৰ দাবী

## ভূমিপুত্ৰ তিৱাসকল আজিও অৱহেলিত হৈ ৰ'ল ঃ দেউৰী



**অগ্ৰদূত বাৰ্তা**

**মৰিগাঁও, ৬ ডিচেম্বৰ ঃ** তিৱা স্বায়ত্ত পৰিষদৰ বৰ্তমানে কাৰ্যনিৰ্বাহ কৰা পৰিষদখনৰ প্ৰথম বৰ্ষপূৰ্তি আজি মৰিগাঁৱত উদ্‌যাপন কৰা হয়। মৰিগাঁও চহৰৰ বিহুতলিত অনুষ্ঠিত সমাৱেশত মুখ্য অতিথিৰূপে অংশ গ্ৰহণ কৰে তিৱা স্বায়ত্ত পৰিষদৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী তথা মৰিগাঁও সমষ্টিৰ বিধায়ক ৰমাকান্ত দেউৰীয়ে। বিধায়ক দেউৰীয়ে তিৱা স্বায়ত্ত পৰিষদৰ উক্ত অনুষ্ঠানত ভাষণ প্ৰদান কৰি ৰাজ্যখনৰ ছয় পৃষ্ঠাত চাওক

## কাৰাগাৰত বন্দী হৈ আছে সৰ্বাধিক বাংলাদেশ-নাইজেৰিয়াৰ কয়দী ঃ বিশ্বৰ বিভিন্ন কাৰাগাৰত আছে ৭,১৩৯ জন ভাৰতীয়

# ভাৰতৰ কাৰাগাৰত বন্দী হৈ আছে ৫১৫০ বিদেশী কয়দী

**নিউজ ব্যুৰ' নতুন দিল্লী, ৬ জানুৱাৰী ঃ** ভাৰতৰ বিভিন্ন কাৰাগাৰত সম্প্ৰতি নানা অপৰাধত অভিযুক্ত ৫১৫০ জন বিদেশী কয়দী বন্দী হৈ আছে। দেশৰ কাৰাগাৰত আবদ্ধ হৈ থকা সৰহসংখ্যক বিদেশী কয়দী বাংলাদেশ আৰু নাইজেৰিয়াৰ নাগৰিক। ভাৰতৰ কাৰাগাৰত চীন, পাকিস্তান, উত্তৰ আমেৰিকা, দক্ষিণ আমেৰিকা, দক্ষিণ এছিয়া আৰু আফ্ৰিকাৰ বিভিন্ন অপৰাধত জড়িত কয়দী আছে। ড্ৰাগছ আৰু সামাজিক অশান্তি সৃষ্টিৰ অভিযোগত নাইজেৰিয়াৰ সৰ্বাধিকসংখ্যক কয়দী ভাৰতৰ কাৰাগাৰত আছে। আনহাতে, ম্যানমাৰ আৰু বাংলাদেশৰ নাগৰিকক অবৈধ সৰবৰাহ আৰু ড্ৰাগছৰ গোচৰত কাৰাগাৰত বন্দী কৰি ৰখা হৈছে। কেন্দ্ৰীয় চৰকাৰে সদনত দাখিল কৰা তথ্য অনুসৰি ভাৰতীয় কাৰাগাৰত বাংলাদেশৰ ২৫১৩ কয়দী আছে। আনহাতে, বিভিন্ন অপৰাধত অভিযুক্ত ২০৩ জন পাকিস্তানী কয়দী দেশৰ কাৰাগাৰত আছে। একেদৰে নাইজেৰিয়াৰ ৮১১, নেপালৰ



৭৪৫, শ্ৰীলংকাৰ ৬৫, চীনৰ ১৯, মধ্য পূবৰ দেশৰ ৩৬, উত্তৰ আমেৰিকাৰ আঠ, দক্ষিণ আমেৰিকাৰ ৩০ আৰু দক্ষিণ-পূব এছিয়াৰ ১৫ জন কয়দী ভাৰতৰ কাৰাগাৰত বন্দী হৈ আছে। ম্যানমাৰৰো ৩০১ জন কয়দীক ভাৰতৰ কাৰাগাৰত ৰখা হৈছে। বিশ্বৰ আন দেশৰ ২৩২ কয়দীও সম্প্ৰতি দেশৰ কাৰাগাৰত আছে।

ইফালে, কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰা আন এক তথ্য অনুসৰি, বিশ্বৰ বিভিন্ন কাৰাগাৰত সম্প্ৰতি ৭,১৩৯ জন ভাৰতীয় কয়দী আছে। ৩১ ডিচেম্বৰ ২০২০ লৈকে প্ৰাপ্ত তথ্য অনুসৰি, ছৌদি আৰবত সৰ্বাধিক ১,৫৯৯ জন ভাৰতীয় কয়দী আছে। সংযুক্ত আৰব এমিৰেটছত ৮৯৮ আৰু নেপালত ৮৮৬ জন ভাৰতীয় কয়দী আছে। নেচনেল ক্ৰাইম ৰেকৰ্ডছ ব্যুৰ'ৰ পৰিসংখ্যা অনুসৰি, ২০১৯ বৰ্ষত ভাৰতৰ কাৰাগাৰত মুঠ ৪.৭৮ লাখ কয়দী আছিল। বাস্তৱত দেশৰ এইসমূহ কাৰাগাৰৰ কয়দী ৰখাৰ ক্ষমতা আছিল ৪.০৩ লাখ। দিল্লীৰ কাৰাগাৰত ১,০০২৬ কয়দী ৰখাৰ ব্যৱস্থা আছে যদিও ১,৭৫৩৪ কয়দীক কাৰাগাৰত ৰখা হৈছে। একেদৰে মহাৰাষ্ট্ৰৰ কাৰাগাৰত ২,৪০৯৫ জন কয়দীক ৰখাৰ ব্যৱস্থা আছে যদিও ইয়াৰ বিপৰীতে ৰাজ্যখনৰ কাৰাগাৰত বন্দী হৈ আছে ৩,৬৭৯৮ কয়দী। উত্তৰ প্ৰদেশৰ কাৰাগাৰত ৬,০৩৪০ জন কয়দীক ৰখাৰ ব্যৱস্থা থকাৰ বিপৰীতে ৰাজ্যখনত কাৰাগাৰত বন্দী হৈ আছে ১০,১২৯৭ জন কয়দী। দেশৰ প্ৰায়বোৰ কাৰাগাৰতে ধাৰণ ক্ষমতাতকৈ অধিকসংখ্যক কয়দীক বন্দী কৰি ৰখা হৈছে।



## কৰ'না পৰিস্থিতিত স্থগিত হ'ল গ্ৰেমী ২০২২ বঁটা অনুষ্ঠান

**নিউজ ব্যুৰ' লছ এঞ্জেলছ, ৬ জানুৱাৰী ঃ** বিশ্বজুৰি কৰ'নাৰ সংক্ৰমণ শেহতীয়াভাৱে পুনৰ ঊৰ্ধ্বমুখী হ'বলৈ ধৰিছে। ক'ভিড পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ২০২২ বৰ্ষৰ গ্ৰেমী বঁটা প্ৰদান অনুষ্ঠান স্থগিত ঘোষিত হ'ল। পূৰ্ব নিৰ্ধাৰিত কাৰ্যসূচী অনুসৰি অহা ৩১ জানুৱাৰীত লছ এঞ্জেলছত ৬৪ সংখ্যক গ্ৰেমী বঁটা প্ৰদান অনুষ্ঠানৰ আয়োজন কৰা হৈছিল। কিন্তু কৰ'নাৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ ব্যাপক সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি আয়োজকে সংগীতৰ এই সৰ্বোচ্চ বঁটা প্ৰদান অনুষ্ঠান স্থগিত কৰিলে।


## হেমা মালিনীয়ে ক'লে 'যোগীয়ে মথুৰাৰ পৰা নিৰ্বাচন খেলিলে আমাৰ শক্তি বাঢ়িব'



**নিউজ ব্যুৰ', মথুৰা, ৬ জানুৱাৰী ঃ** উত্তৰ প্ৰদেশ বিধানসভাৰ নিৰ্বাচনক লৈ ৰাজ্যৰ ৰাজনৈতিক দলসমূহ ব্যস্ত হোৱাৰ সময়তে মথুৰাৰ বিজেপিৰ সাংসদ হেমা মালিনীয়ে মথুৰা বিধানসভা সমষ্টিত মুখ্যমন্ত্ৰী যোগী আদিত্যনাথক প্ৰতিদ্বন্দ্বিতাৰ প্ৰস্তাৱ আগবঢ়ালে। হেমাই আজি কয় যে যদি মুখ্যমন্ত্ৰী আদিত্যনাথে মথুৰাৰ পৰা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰে তেন্তে বিজেপিৰ শক্তি আৰু সাহস বৃদ্ধি পাব। হেমাই আঠদিনীয়া কাৰ্যসূচীৰে নিজৰ সংসদীয় সমষ্টিত উপস্থিত হৈ আদিত্যনাথক মথুৰাৰ পৰা প্ৰতিদ্বন্দ্বিতাৰ প্ৰস্তাৱ দিয়ে। উল্লেখ্য যে যোগীয়ে ২০১৭ৰ বিধানসভাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা নাছিল। মুখ্যমন্ত্ৰীৰ পদ লাভৰ পাছত যোগীয়ে বিধান পৰিষদৰ সদস্য নিৰ্বাচিত হৈছিল।

## এইবাৰ চীনত ড্ৰেগন ফ্ৰুটত কৰ'না ভাইৰাছৰ সন্ধান, ছুপাৰমাৰ্কেট হ'ল বন্ধ

**নিউজ ব্যুৰ', বেইজিং, ৬ জানুৱাৰী ঃ** কৰ'নাৰ অ'মিক্ৰন প্ৰজাতিৰ ব্যাপক সংক্ৰমণ বিশ্বজুৰি অব্যাহত থকাৰ সময়তে এইবাৰ চীনত ড্ৰেগন ফ্ৰুটত সন্ধান লাভ কৰা হ'ল ক'ভিড ভাইৰাছৰ। প্ৰকাশিত বাতৰি অনুসৰি ভিয়েটনামৰ পৰা চীনলৈ আমদানি কৰা ড্ৰেগন ফ্ৰুটত কৰ'না ভাইৰাছৰ উপস্থিতি চিনাক্ত কৰা হৈছে। এই খবৰ প্ৰচাৰ হোৱাৰ পাছতে চীনৰ কে'বাখনো ছুপাৰমাৰ্কেট সাময়িকভাৱে বন্ধ কৰা হ'ল। চীনৰ জেজিয়াংগ আৰু জিয়াংগচি প্ৰদেশৰ নখন চহৰত ফলমূলৰ পৰীক্ষণৰ সময়ত এইদৰে ড্ৰেগন ফ্ৰুটত কৰ'নাৰ ভাইৰাছৰ উপস্থিতি ধৰা পৰে। ড্ৰেগন ফ্ৰুটত ক'ভিড ভাইৰাছ ধৰা পৰাৰ পাছত চীনে ভিয়েটনামৰ পৰা এইবিধ ফলৰ আমদানি অহা ২৬ জানুৱাৰীলৈকে নিষেধ কৰিলে। চীনত যোৱা সপ্তাহতো ড্ৰেগন ফ্ৰুটত কৰ'না ভাইৰাছৰ সন্ধান লাভ কৰা হৈছিল।



## এইবাৰ জৰ্জ ফ্ল'য়েডৰ চাৰিবছৰীয়া নাতিনীক নিদ্ৰাৰত অৱস্থাত গুলিবৰ্ষণ

**নিউজ ব্যুৰ', টেক্সাছ, ৬ জানুৱাৰী ঃ** এইবাৰ আমেৰিকাত বন্দুকধাৰীৰ আক্ৰমণৰ বলি হ'ল জৰ্জ ফ্ল'য়েডৰ চাৰিবছৰীয়া নাতিনী। উত্থাপিত অভিযোগ অনুসৰি নতুন বছৰৰ প্ৰথম দিনা নিজৰ ঘৰত নিদ্ৰা গ্ৰহণ কৰা অৱস্থাতে আৰিয়ানা ডিলানক বন্দুকধাৰীয়ে গুলিবৰ্ষণ কৰিছিল। পাছত কণমানি আৰিয়ানাৰ প্ৰাণৰক্ষাৰ বাবে চিকিৎসকে জটিল অস্ত্ৰোপচাৰ সম্পন্ন কৰে। ফ্ল'য়েডৰ পৰিয়ালৰ অভিযোগ অনুসৰি, তেওঁলোকৰ পৰিয়ালক লক্ষ্য হিচাপে লৈ এই উদ্দেশ্যেপ্ৰণোদিত আক্ৰমণ চলোৱা হৈছিল। ঘটনাৰ খবৰ লাভৰ পাছত বহু পলমকৈ আৰক্ষী ঘটনাস্থলীলৈ অহা বুলিও আৰিয়ানাৰ পৰিয়ালৰ লোকে অভিযোগ কৰে। চাৰি বছৰীয়া আৰিয়ানাক চিকিৎসকে তৎকালীনভাৱে চিকিৎসা প্ৰদানৰে প্ৰাণৰক্ষা কৰে। উল্লেখ্য যে ২০২০ৰ মে'ত জৰ্জ ফ্ল'য়েড নামৰ এজন



কৃষ্ণাংগ লোকক মিনেপ'লিছ আৰক্ষীয়ে ৰাজপথত শ্বাসৰুদ্ধ কৰি হত্যা কৰিছিল। এই ঘটনাৰ পাছৰে পৰা আমেৰিকাসহ সমগ্ৰ বিশ্বতে কৃষ্ণাংগৰ অধিকাৰক লৈ 'ব্লেক লাইভছ মেটাৰ' আন্দোলন আৰম্ভ হৈছিল। এই আন্দোলনত পৰিয়ালৰ স'তে কণমানি আৰিয়ানায়ো অংশ লৈছিল। কি কাৰণত আৰিয়ানাক বন্দুকধাৰীয়ে গুলিবৰ্ষণ কৰিছিল সেয়া এতিয়াও ৰহস্যৰ আৱৰ্তত আছে।

# পুনৰ বিশ্বক শংকিত কৰি ধাৰাবাহিক হাইপাৰছ'নিক ক্ষেপণাস্ত্ৰৰ পৰীক্ষণ কীমৰ

**নিউজ ব্যুৰ' পিয়ংইয়ং, ৬ জানুৱাৰী ঃ** পুনৰ স্বমহিমাৰে আত্মপ্ৰকাশ কৰিলে উত্তৰ কোৰিয়াৰ কমিউনিষ্ট শাসক কীম জং উনে। ক্ষেপণাস্ত্ৰ আৰু সামৰিক উন্নয়নৰ কথাৰ পৰা আঁতৰি আহি নতুন বছৰৰ প্ৰথমদিনাই দেশ আৰু নাগৰিকৰ মানোন্নয়নৰ সন্দৰ্ভত বাৰ্তা দিছিল কীমে। কিন্তু সেই কীমে হঠাতে পুনৰ উত্তৰ কোৰিয়াৰ সামৰিক শক্তি প্ৰদৰ্শন কৰিলে। একেৰাহে দুদিন ধৰি হাইপাৰছ'নিক





ক্ষেপণাস্ত্ৰৰ উৎক্ষেপণ কৰিলে উত্তৰ কোৰিয়াই। দেশখনৰ চৰকাৰী সংবাদপত্ৰ কে চি এন এৰ প্ৰতিবেদনত উল্লেখ কৰা অনুসৰি, অত্যাধুনিক প্ৰযুক্তি সম্পন্ন ৭০০ কিলোমিটাৰ দূৰত্বভেদী ক্ষমতাৰ হাইপাৰছ'নিক ক্ষেপণাস্ত্ৰৰ সফল উৎক্ষেপণ উত্তৰ কোৰিয়াই সম্পন্ন কৰিলে। উত্তৰ কোৰিয়াই ভয়াৱহ খাদ্য আৰু আৰ্থিক সংকটত ভোগাৰ সময়তে কীমে এইদৰে অত্যাধুনিক ক্ষেপণাস্ত্ৰৰ পৰীক্ষণ কৰাত বিশ্বজুৰি ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। নৱবৰ্ষৰ প্ৰথম দিনাই কীমে সামৰিক ক্ষেত্ৰৰ পৰিৱৰ্তে দেশৰ খাদ্য উৎপাদনত অধিক গুৰুত্ব দিয়াৰ বাৰ্তা প্ৰেৰণ কৰিছিল। কিন্তু এই বাৰ্তা প্ৰেৰণৰ মাত্ৰ তিনিদিন পাছতে কীমে ক্ষেপণাস্ত্ৰৰ পৰীক্ষণৰে বিশ্বক চমক দিলে। আন্তৰ্জাতিক নিষেধাজ্ঞাকো পৰোৱাই নকৰি কীমে পুনৰ উত্তৰ কোৰিয়াত পাৰমাণৱিক ক্ষেপণাস্ত্ৰৰ পৰীক্ষণ সম্পন্ন কৰিলে। আমেৰিকা, দক্ষিণ কোৰিয়া আৰু জাপানে ইতিমধ্যে উত্তৰ কোৰিয়াৰ পুনৰ পাৰমাণৱিক অস্ত্ৰ পৰীক্ষণৰ ঘটনাক কঠোৰভাৱে গৰিহণা দিছে।

## ছুৰটৰ কাৰখানাত বিষাক্ত গেছ নিৰ্গত হৈ কমেও ছজনৰ মৃত্যু



**নিউজ ব্যুৰ', ছুৰট, ৬ জানুৱাৰী ঃ** গুজৰাটৰ এটা ৰাসায়নিক কাৰখানাত বিষাক্ত গেছ নিৰ্গত হোৱাৰ ফলত কমেও ছজন লোকৰ মৃত্যু হ'ল। এই দুৰ্ঘটনাত আন ২০ জন লোক গুৰুতৰভাৱে অসুস্থ হৈছে। বৃহস্পতিবাৰে পুৱাতে ছুৰটত এই শোকাৱহ ঘটনাটো সংঘটিত হ'ল। প্ৰকাশিত বাতৰি অনুসৰি ৰাসায়নিক কাৰখানাত এটা টেংকৰ পৰা বিষাক্ত গেছ হঠাতে নিৰ্গত হোৱাত কিছু সময়ৰ ভিতৰতে কমেও ২৬ জন কাৰখানাৰ শ্ৰমিক অসুস্থ হৈছিল। ইয়াৰে ছজন শ্ৰমিকৰ আজি পুৱা মৃত্যু হয়। মৃতকৰ সংখ্যা অধিক বৃদ্ধিৰ সম্ভাৱনা আছে।

## ফিলাডেলফিয়াত অট্টালিকাৰ তিনি মহলাত ভয়াৱহ অগ্নিকাণ্ডত সাত শিশুসহ ১৩ জনৰ মৃত্যু

**নিউজ ব্যুৰ', ফিলাডেলফিয়া, ৬ জানুৱাৰী ঃ আমেৰিকাৰ ফিলাডেলফিয়া চহৰত স্থানীয় সময় অনুসৰি বুধবাৰে পুৱা এক ভয়াৱহ অগ্নিকাণ্ড সংঘটিত হ'ল। ফিলাডেলফিয়াৰ এন-২৩ ষ্ট্ৰীটৰ ৮০০ ব্লকত অট্টালিকাৰ তিনি মহলাত সংঘটিত হোৱা অগ্নিকাণ্ডৰ ঘটনাত কমেও ১৩ জন লোকৰ মৃত্যু হ'ল। মৃতকৰ মাজত সাতটা শিশুও আছে। অগ্নিকাণ্ডৰ ঘটনাত কে'বাজনো লোক অগ্নিদগ্ধ হয়। অগ্নিকাণ্ডৰ কাৰণ এতিয়াও জানিব পৰা হোৱা নাই। অগ্নিকাণ্ড সংঘটিত হোৱাৰ ৫০ মিনিটৰ ভিতৰতে অগ্নিনিৰ্বাপন বাহিনীয়ে পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ সফল হয় যদিও উক্ত সময়ছোৱাৰ ভিতৰত ১৩ জন লোকে প্ৰাণ হেৰুৱালে।**





## গোৱাত অঘটন কংগ্ৰেছত, তৃণমূল কংগ্ৰেছত যোগদান ৰাখী প্ৰভুদেশাইৰ

**নিউজ ব্যুৰ', পানাজি, ৬ জানুৱাৰী ঃ** গোৱা বিধানসভা নিৰ্বাচনৰ পূৰ্বে নেতাৰ দল সলনিকৰণ প্ৰক্ৰিয়া অব্যাহত আছে। এইবাৰ গোৱাৰ বিৰোধী দল কংগ্ৰেছত অঘটন ঘটিল। গোৱা কংগ্ৰেছৰ মুখপাত্ৰ ৰাখী প্ৰভুদেশায়ে দলত্যাগ কৰি তৃণমূল কংগ্ৰেছত যোগদান কৰিলে। কালি ৰাখীয়ে গোৱা কংগ্ৰেছৰ মুখপাত্ৰৰ পদৰ লগতে দলৰ সদস্যপদো ত্যাগ কৰিছিল। ৰাখীয়ে কংগ্ৰেছ ত্যাগৰ কথা টুইটাৰত প্ৰকাশ কৰি লগতে কৈছিল যে তেওঁ তৃণমূল কংগ্ৰেছত যোগদানৰ সিদ্ধান্ত লৈছে।

# কোনো পৰিস্থিতিতে পাৰমাণৱিক অস্ত্ৰ ব্যৱহাৰ নকৰাৰ সংকল্প পাঁচ শক্তিধৰ ৰাষ্ট্ৰৰ

**নিউজ ব্যুৰ' বেইজিং, ৬ জানুৱাৰী ঃ** মতানৈক্য বা সংঘাত যিমানে গভীৰ নহওক কিয়, কোনো পৰিস্থিতিতে পাৰমাণৱিক যুদ্ধৰ পথত অগ্ৰসৰ নহ'ব বিশ্বৰ শক্তিধৰ পাঁচ ৰাষ্ট্ৰই। কিয়নো পাৰমাণৱিক যুদ্ধত জয়লাভ কৰাটো কোনো দেশৰ পক্ষে বাস্তৱত সম্ভৱ নহয়। বৰঞ্চ বিশ্বক ধ্বংসৰমুখলৈহে পাৰমাণৱিক অস্ত্ৰৰ ব্যৱহাৰে ঠেলি দিব। বিশ্বৰ সবাতোকৈ শক্তিশালী পাঁচ ৰাষ্ট্ৰই এই বিবৃতিত এইদৰে কয়। পাঁচ শক্তিশালী দেশৰ এই যৌথ বিবৃতি এক উল্লেখযোগ্য ঘটনাই নহয়, বিশ্বৰ বিৰল ঘটনা হিচাপেও পৰিচিত হৈছে। পাৰমাণৱিক অস্ত্ৰ যিকোনো পৰিস্থিতিতে ব্যৱহাৰ নকৰাৰ সংকল্পবদ্ধ হোৱা এই পাঁচখন বিশ্বৰ শক্তিধৰ দেশ হৈছে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ স্থায়ী সদস্য দেশ চীন, ৰাছিয়া, ফ্ৰান্স, ব্ৰিটেইন আৰু আমেৰিকা।

সম্প্ৰতি একাধিক বিষয়ক লৈ বিশ্বৰ বিভিন্ন দেশৰ মাজত সংঘাত বৃদ্ধি পাইছে। এফালে, ৰাছিয়াৰ স'তে আমেৰিকা আৰু



ইউৰোপীয় ইউনিয়নৰ দেশসমূহৰ তীব্ৰ বিৰোধিতা অব্যাহত আছে। ইউক্ৰেইন সীমান্তত ৰাছিয়াই সেনাবাহিনী নিয়োগ কৰাক লৈও পৰিস্থিতি উত্তপ্ত হৈ আছে। চীনৰ স'তেও আমেৰিকা আৰু ভাৰতৰ সম্পৰ্ক অৱনমিত হৈছে। এনে এক পৰিস্থিতিত নিৰাপত্তা পৰিষদৰ পাঁচ স্থায়ী সদস্য ৰাষ্ট্ৰই এইদৰে যৌথ বিবৃতিৰে কোনো পৰিস্থিতিতে পাৰমাণৱিক অস্ত্ৰৰ ব্যৱহাৰ নকৰাৰ প্ৰতিশ্ৰুতি দিয়াটো তাৎপৰ্যপূৰ্ণ বিবেচিত হৈছে। উল্লেখ্য যে ইয়াৰ পূৰ্বে ১৯৭০ত পৰমাণু বিষয়ক এখন চুক্তি সম্পন্ন হৈছিল। এই চুক্তিত বিশ্বৰ ১৯১ খন দেশে স্বাক্ষৰ কৰিছিল। উত্তৰ কোৰিয়াই অৱশ্যে পাছত এই চুক্তি ত্যাগ কৰিছিল। চলিত মাহতে পৰমাণু অস্ত্ৰ বিষয়ক এখন বৈঠকত অংশ লোৱাৰ কথা আছিল নিৰাপত্তা পৰিষদৰ পাঁচ স্থায়ী সদস্য দেশে। কিন্তু বিভিন্ন কাৰণত এই বৈঠক স্থগিত ৰখা হ'ল। সেয়েহে চীনসহ নিৰাপত্তা পৰিষদৰ স্থায়ী সদস্য দেশকেইখনে পাৰমাণৱিক অস্ত্ৰ ব্যৱহাৰৰ সন্দৰ্ভত এই বিবৃতি প্ৰকাশ কৰিলে বুলি বিশেষজ্ঞসকলে ধাৰণা কৰিছে।

## টিকা নল'লে সন্মুখীন হ'ব লাগিব নিষেধাজ্ঞাৰ ঃ দেশবাসীক সকীয়নি ফ্ৰান্সৰ ৰাষ্ট্ৰপতিৰ

**নিউজ ব্যুৰ', পেৰিছ, ৬ জানুৱাৰী ঃ** যিসকল লোকে ফ্ৰান্সত কৰ'না প্ৰতিৰোধী টিকা গ্ৰহণ কৰা নাই, তেওঁলোকৰ জীৱন অধিক জটিল কৰি তোলা হ'ব। টিকা গ্ৰহণ নকৰা ফৰাচী নাগৰিকক এই বাৰ্তা দিলে দেশৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰঁ'ৱে। এখন পত্ৰিকাৰ সাক্ষাৎকাৰত ৰাষ্ট্ৰপতিজনে টিকা নোলোৱা নাগৰিকক সকীয়নি দি কয়, 'ইমানকৈ আহ্বান জনোৱাৰ পাছতো দেশৰ যিসকল লোকে এতিয়াও ক'ভিড প্ৰতিষেধক গ্ৰহণ কৰা নাই, মই তেওঁলোকৰ জীৱন অধিক কঠিন কৰি তুলিম। টিকা ল'বলৈ মই হেঁচা নিদিওঁ। কিন্তু সামাজিক কৰ্মকাণ্ডত টিকাবিহীন লোকৰ অংশগ্ৰহণত আমি কঠোৰ নিষেধাজ্ঞা আৰোপ কৰিম। টিকা নোলোৱা লোকক কাৰাগাৰলৈ নিক্ষেপ নকৰো, কিন্তু অহা ১৫ জানুৱাৰীৰ পৰা প্ৰতিষেধক নোলোৱা ব্যক্তিয়ে ৰেস্তোৰাঁলৈ যাব নোৱাৰিব। এনে ব্যক্তিয়ে কফি পান কৰিব নোৱাৰিব, থিয়েটাৰ বা চিনেমা হলত প্ৰৱেশ কৰিব নোৱাৰিব। টিকাবিহীন লোকক আমি সামাজিকভাৱে বিচ্ছিন্ন আৰু এঘৰীয়া কৰিম।' মেক্ৰঁ'ৰ এই ঘোষণাৰ পাছতে ফ্ৰান্সত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। দেশৰ বিৰোধী দলৰ নেতাই ৰাষ্ট্ৰপতিজনৰ ঘোষণাৰ তীব্ৰ বিৰোধিতা কৰিছে। ফ্ৰান্সত অহা ১৫ জানুৱাৰীৰ পৰা ৰাজহুৱা স্থানৰ লগতে ৰাজহুৱা পৰিবহণ ব্যৱস্থা ব্যৱহাৰৰ ক্ষেত্ৰত ক'ভিডৰ টিকাগ্ৰহণৰ প্ৰমাণপত্ৰ প্ৰদৰ্শন কৰাটো বাধ্যতামূলক হ'ব।



## প্ৰধানমন্ত্ৰীৰ নিৰাপত্তা ব্যৱস্থাৰ গাফিলতিক লজ্জাজনক আখ্যা কংগনাৰ



**নিউজ ব্যুৰ', মুম্বাই, ৬ জানুৱাৰী ঃ** এদিন পূৰ্বে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কনভয়ক পঞ্জাৱত আন্দোলনকাৰীয়ে বাধাদান কৰা ঘটনাৰ সন্দৰ্ভত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে বলিউডৰ অভিনেত্ৰী কংগনা ৰণৌটে। আজি সামাজিক মাধ্যমত এই সন্দৰ্ভত নিজৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰি অভিনেত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী মোদীৰ নিৰাপত্তাত দেখা দিয়া সুৰুঙাক 'লজ্জাজনক' আৰু 'গণতন্ত্ৰক আঘাত' বুলি অভিহিত কৰিলে। কংগনাই লগতে কয় যে পঞ্জাৱ পুনৰ সন্ত্ৰাসবাদী কাৰ্যকলাপৰ ঘাটিত পৰিণত হ'বলৈ ধৰিছে। সামাজিক মাধ্যমত অভিনেত্ৰীগৰাকীয়ে আজি কয়, 'পঞ্জাৱত যি ঘটনা হ'ল সেয়া সঁচাকৈয়ে লজ্জাজনক। মাননীয় প্ৰধানমন্ত্ৰী গণতান্ত্ৰিকভাৱে নিৰ্বাচিত নেতা, প্ৰতিনিধি আৰু ১৪০ কোটি নাগৰিকৰ কণ্ঠ। প্ৰধানমন্ত্ৰীক আক্ৰমণ কৰাৰ অৰ্থ হ'ল প্ৰতিজন ভাৰতীয়ক আক্ৰমণ কৰা। এয়া আমাৰ গণতন্ত্ৰক কৰা আক্ৰমণ। পঞ্জাৱ সন্ত্ৰাসবাদীৰ কাৰ্যকলাপৰ এক ঘাটিত পৰিণত হ'বলৈ ধৰিছে। আমি তেওঁলোকক এতিয়াই বাধা নিদিলে দেশে বৃহৎ মূল্য আদায় দিব লাগিব।' উল্লেখ্য যে কালি প্ৰধানমন্ত্ৰী মোদীয়ে পঞ্জাৱ বিধানসভাৰ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত আয়োজিত ফিৰোজপুৰৰ এখন ৰেলীত অংশ ল'বলৈ গৈছিল। এই ৰেলীৰ জৰিয়তে পঞ্জাৱত বিজেপিয়ে নিৰ্বাচনী প্ৰচাৰ আৰম্ভ কৰাৰ কথা আছিল। তদুপৰি প্ৰধানমন্ত্ৰীয়ে কে'বা কোটিটকীয়া একাধিক আঁচনিৰ আধাৰশিলাও স্থাপন কৰাৰ উদ্দেশ্যৰে ফিৰোজপুৰলৈ যাত্ৰা কৰিছিল। কিন্তু পঞ্জাৱৰ প্ৰতিবাদকাৰী কৃষকে প্ৰধানমন্ত্ৰীৰ আগমনৰ বিৰোধিতাৰে ৰাজপথ অৱৰোধ কৰি বাধাদান কৰিছিল। প্ৰতিবাদকাৰীয়ে বিজেপিৰ সমৰ্থকসকলকো ফিৰোজপুৰৰ ৰেলী অনুষ্ঠিত কৰা অঞ্চলত উপস্থিত হ'বলৈ দিয়া নাছিল। কৃষকসকলে বিজেপিৰ কৰ্মকৰ্তাৰ স'তে বাকবিতণ্ডাত লিপ্ত হোৱাত আৰক্ষীয়ে লাঠিচালনা কৰিব লগা হৈছিল আৰু এই ঘটনাত কে'বাজনো বিজেপিৰ নেতা-কৰ্মী আহত হৈছিল। অন্তিম মুহূৰ্তত উক্ত ৰেলী বাতিল কৰি প্ৰধানমন্ত্ৰীয়ে দিল্লীলৈ উভতি আহিছিল। প্ৰতিবাদকাৰীয়ে পথ অৱৰোধ কৰাৰ ফলত প্ৰায় ২০ মিনিট সময় প্ৰধানমন্ত্ৰীৰ কনভয় পথত আবদ্ধ হৈ আছিল। পঞ্জাৱত প্ৰধানমন্ত্ৰীয়ে এইদৰে নিৰাপত্তাজনিত সমস্যাৰ সন্মুখীন হোৱাত বলিউডৰ সদাসৰৱ অভিনেত্ৰী কংগনাই তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে। উল্লেখ্য যে অভিনেত্ৰীগৰাকীয়ে বিভিন্ন ৰাজনৈতিক আৰু সামাজিক প্ৰসংগত প্ৰায়ে নিজৰ মত ব্যক্ত কৰি আহিছে।

# পুনৰ সংকটত ভাৰতৰ অৰ্থনীতি, ডিচেম্বৰত ৭.৯ শতাংশলৈ বৃদ্ধি নিবনুৱাৰ হাৰ

**নিউজ ব্যুৰ' নতুন দিল্লী, ৬ জানুৱাৰী ঃ** কৰ'নাৰ ব্যাপক সংক্ৰমণে আকৌ এবাৰ ভাৰতসহ বিশ্বৰ অৰ্থনীতিক ব্যাপকভাৱে প্ৰভাৱিত কৰিছে। চেণ্টাৰ ফৰ মণিটৰিং ইণ্ডিয়ান ইক'ন'মি (চি এম আই ই)ৰ তথ্য অনুসৰি, ভাৰতত নিবনুৱাৰ হাৰ যোৱা ডিচেম্বৰত চাৰি মাহৰ সৰ্বোচ্চ হ'ল। চি এম আই ইৰ তথ্যত লগতে প্ৰকাশ কৰা মতে, ভাৰতত যোৱা নৱেম্বৰত নিবনুৱাৰ হাৰ ৭.০ শতাংশ আছিল আৰু ডিচেম্বৰত ই ৭.৯ শতাংশলৈ বৃদ্ধি পায়। ইয়াৰ পূৰ্বে যোৱা আগষ্টত ভাৰতত নিবনুৱাৰ হাৰ আছিল ৮.৩ শতাংশ। গাঁও আৰু চহৰ দুই অঞ্চলতে নিবনুৱাৰ হাৰ বৃদ্ধি পাইছে। ডিচেম্বৰত দেশৰ চহৰ অঞ্চলত নিবনুৱাৰ হাৰ ৮.২ শতাংশৰ পৰা ৯.৩



শতাংশলৈ বৃদ্ধি পাইছিল। আনহাতে, একেটা মাহত দেশৰ গ্ৰামাঞ্চলত নিবনুৱাৰ হাৰ ৬.৪ শতাংশৰ পৰা ৭.৩ শতাংশলৈ বৃদ্ধি পাইছিল। এই পৰিসংখ্যাৰ পৰা স্পষ্ট হয় যে ভাৰতত নিবনুৱাৰ হাৰ কৰ'নাৰ সংক্ৰমণৰ ফলত পুনৰ ঊৰ্ধ্বমুখী হ'বলৈ ধৰিছে। অ'মিক্ৰন প্ৰজাতিৰ সংক্ৰমণ বৃদ্ধিৰ ফলত দেশৰ অৰ্থনীতি পুনৰ নেতিবাচকভাৱে প্ৰভাৱিত হৈছে। দেশৰ ৯০ শতাংশ নাগৰিকে অসংগঠিত খণ্ডত নিয়োজিত হোৱা হেতুকে কৰ'নাৰ সংক্ৰমণৰ ফলত যথেষ্টসংখ্যক লোকে জীৱিকা আহৰণৰ ক্ষেত্ৰত সমস্যাগ্ৰস্ত হৈছে। ফলত দেশত নিবনুৱাৰ সংখ্যা বৃদ্ধি পাইছে। কৰ'নাৰ তৃতীয়টো ঢৌত দেশৰ অৰ্থনীতি আকৌ এবাৰ ক্ষতিগ্ৰস্ত হোৱাৰ পথত অগ্ৰসৰ হৈছে।

## অভিনেত্ৰী-সাংসদ মিমি চক্ৰৱৰ্তী কৰ'না আক্ৰান্ত



**নিউজ ব্যুৰ', কলকাতা, ৬ জানুৱাৰী ঃ** বাংলা ছবিৰ অভিনেত্ৰী তথা তৃণমূল কংগ্ৰেছৰ সাংসদ মিমি চক্ৰৱৰ্তী ক'ভিড-১৯ত সংক্ৰমিত হ'ল। আজি টুইটাৰৰ জৰিয়তে এই কথা প্ৰকাশ কৰি অভিনেত্ৰী-সাংসদগৰাকীয়ে কয়, 'মোৰ ক'ভিড পৰীক্ষণৰ 'পজিটিভ' ফলাফল আহিল। বিগত কিছুদিন ধৰি মই নিজৰ ঘৰৰ বাহিৰলৈ ওলোৱা নাই আৰু কোনো ব্যক্তিক সাক্ষাৎ কৰা নাছিলো। বৰ্তমানে মই ঘৰতে আছুতীয়াকৈ আছো আৰু চিকিৎসকৰ পৰামৰ্শ লৈছো। সকলোৰে সাৱধানতা অৱলম্বন কৰক আৰু মাস্ক পৰিধান কৰক।'



জ্ঞান আহৰণ কৰাৰ বাবে প্ৰচেষ্টা অব্যাহত ৰাখিলে আৰু সকলো ক্ষেত্ৰতে কিদৰে জ্ঞান আহৰণ হয় তাৰ বাবে যত্নপৰ হৈ থাকিল। প্ৰাথমিক অৱস্থাত জ্ঞান আহৰণৰ মূল আহিলা হ'ল প্ৰাকৃতিক জগতখন। এই জগতখনত উপলব্ধ উপাদান সমূহৰ মাজত আৰম্ভ হ'ল নানান পৰীক্ষা-নিৰীক্ষা। এনে কাৰ্য চলিল কে'বা হেজাৰ বছৰ ধৰি আৰু এটা সময়ত উপনীত হ'ল এটা সিদ্ধান্তলৈ এটা বংশত যদি এনে কিছু জ্ঞানপ্ৰাপ্ত হয়, তেন্তে সেয়া বংশানুক্ৰমে প্ৰবাহিত হয়। এনে জ্ঞান ভাণ্ডাৰ হ'ল অতি নিখুঁত, ইয়াৰ কোনো বাহ্যিকতা নাই, লগতে কোনো অপকাৰো নহয়।

## পৰম্পৰাগত জ্ঞান আৰু মানৱজাতিৰ সভ্যতা

■ ডঃ জগদীন্দ্ৰ ৰায়চৌধুৰী

**মানৱ** জাতিয়ে সভ্যতাৰ ৰ'দকাঁচলিতে আগবাঢ়ি আহিল জ্ঞানপিপাসুৰ এটা মনলৈ। জ্ঞান আহৰণ কৰাৰ বাবে প্ৰচেষ্টা অব্যাহত ৰাখিলে আৰু সকলো ক্ষেত্ৰতে কিদৰে জ্ঞান আহৰণ হয় তাৰ বাবে যত্নপৰ হৈ থাকিল। প্ৰাথমিক অৱস্থাত জ্ঞান আহৰণৰ মূল আহিলা হ'ল প্ৰাকৃতিক জগতখন। এই জগতখনত উপলব্ধ উপাদান সমূহৰ মাজত আৰম্ভ হ'ল নানান পৰীক্ষা-নিৰীক্ষা। এনে কাৰ্য চলিল কে'বা হেজাৰ বছৰ ধৰি আৰু এটা সময়ত উপনীত হ'ল এটা সিদ্ধান্তলৈ এটা বংশত যদি এনে কিছু জ্ঞানপ্ৰাপ্ত হয়, তেন্তে সেয়া বংশানুক্ৰমে প্ৰবাহিত হয়। এনে জ্ঞান ভাণ্ডাৰ হ'ল অতি নিখুঁত, ইয়াৰ কোনো বাহ্যিকতা নাই, লগতে কোনো অপকাৰো নহয়। বিভিন্ন দিশত এনেবোৰ জ্ঞান বিয়পি পৰিল— খাদ্য, দৰব, দৈনন্দিন জীৱনৰ আহিলাসমূহ, সা-সঁজুলি, সাজ-পোছাক লগতে আৱশ্যকীয় সকলো সামগ্ৰী। অৱশ্যে ঠাই বিশেষে কিছু তাৰতম্য নোহোৱা নহয়। এনেবোৰ জ্ঞান এটা বংশৰ পৰা আন এটা বংশলৈ বিভিন্ন পদ্ধতিৰ মাজেৰে প্ৰৱাহিত হ'বলৈ ধৰিলে।

প্ৰকৃততে যিবোৰ জ্ঞান বংশানুক্ৰমে এটা বংশৰ পৰা আন এটা বংশলৈ প্ৰৱাহিত হ'ব ধৰিলে, সেইবোৰকে পৰম্পৰাগত জ্ঞান বুলি কোৱা হয়। ঠাই বিশেষে ইয়াৰ কিছু তাৰতম্য দেখা যায়। অসম তথা উত্তৰ-পূৰ্বাঞ্চল ভাৰতত বিভিন্ন জাতি-জনজাতিৰ লোক বসবাস কৰাৰ ক্ষেত্ৰত তেওঁলোকৰ মাজত যি পৰম্পৰাগত জ্ঞান প্ৰচলিত হৈ আহিছে তাৰ মাজত কিছু ভিন্নতা থকাটো নিশ্চিত। এনেবোৰ জ্ঞানে এটা নিৰ্দিষ্ট গোষ্ঠীৰ মাজত প্ৰচলিত হোৱা হেতুকে এক অভিভাৱকৰূপে আগবাঢ়ে আৰু ধীৰে ধীৰে বংশানুক্ৰমে প্ৰৱাহিত হৈ পৰে।

পৰম্পৰাগত জ্ঞানৰ চৰিত্ৰ সম্পৰ্কে যদি আমি জানিব বিচাৰো তেতিয়া হ'লে এটা কথা স্পষ্ট হৈ পৰে আৰু সেয়া হৈছে জ্ঞানৰ কৰ্মদক্ষতা। এনে কৰ্মদক্ষতা বিকাশ হোৱাৰ লগতে বৰ্তাই ৰখাটো অতি গুৰুত্বপূৰ্ণ কথা আৰু যি জ্ঞান বৰ্তি থাকিব সেইবোৰহে বংশানুক্ৰমে প্ৰবাহিত হৈ থাকে। ইয়াৰ উপৰি এনেবোৰ জ্ঞান এটা নিৰ্দিষ্ট গোষ্ঠীৰ সাংস্কৃতিক আৰু ধৰ্মীয় ৰীতি-নীতিৰ ওপৰত নিৰ্ভৰ কৰে। যিহেতু জাতি বা জনজাতিৰ মাজত খাদ্যাভ্যাসৰ পৰা আৰম্ভ কৰি সাংস্কৃতিক দিশত কিছু ভিন্নতা আছে আৰু তেওঁলোকৰ মাজত স্বকীয়তা আছে সেয়েহে এই পৰম্পৰাগত জ্ঞান ভাণ্ডাৰৰ মাজত কিছু অমিল দেখা যায়। পিছে যদিও অমিল কিন্তু সকলোৱে এই জ্ঞানৰ দ্বাৰা এক সৌন্দৰ্যৰ কীৰ্তি বজাই ৰাখিছে।

পৰম্পৰাগত যি জ্ঞান সেয়া আমাৰ মাজত প্ৰচলিত হোৱাৰ পূৰ্বে সেয়া বহু পৰীক্ষা-নিৰীক্ষাৰ মাজেৰে আগবঢ়াৰ পাছতহে প্ৰচলিত হোৱা দেখা যায়। পিছে এটা কথা মন কৰিবলগীয়া যে এনেবোৰ জ্ঞানৰ মাজত লুকাই আছে বিজ্ঞান। এনে বিজ্ঞানৰ বাৰ্তা আন্তৰ্নিহিত হৈ আছে বিশেষকৈ খাদ্য-সামগ্ৰীত, পৰিষ্কাৰ-পৰিচ্ছন্নতা, শৰীৰ চৰ্চা, সাজসজ্জা, ব্যৱহাৰিত কিছু সামগ্ৰী ইত্যাদিত। যিসময়ত এই জ্ঞানৰ চৰ্চা হৈছিল সেই সময়ত নিশ্চয় সেইসকল ব্যক্তিৰ বিজ্ঞান সম্পৰ্কে ধাৰণা প্ৰকট নাছিল কিন্তু যি ধৰণে এনে জ্ঞানৰ চৰ্চা আগবঢ়াই গৈছিল সকলোবোৰৰ মাজত সোমাই আছিল বিজ্ঞান। প্ৰতিটো কথা পুংখানুপুংখভাৱে বহুবাৰ পৰীক্ষা-নিৰীক্ষা কৰাৰ পাছতহে এটা সিদ্ধান্তত উপনীত হৈছিল আৰু সেয়া এবাৰ সাব্যস্থ হোৱাৰ পাছত বংশানুক্ৰমে প্ৰচলিত হৈ থাকিল। যিসকলৰ প্ৰচেষ্টাত এনেবোৰ জ্ঞান বিস্তাৰিত হৈ পৰিছিল, ইয়াৰ সত্য-সত্যতা বিচাৰি পাইছিল। বিজ্ঞান সদায় সত্যৰ মাজত নিৰ্ভৰশীল। সেয়েহে ক'ব নোৱাৰাকৈ সকলোবোৰ কথাত অৰ্থাৎ ৰীতি-নীতিৰ মাজত বিজ্ঞান সোমাই পৰিছিল। এতেকে আমিএটা কথা স্পষ্টকৈ ক'ব পাৰো যে আমাৰ সমাজত যিবোৰ পৰম্পৰাগত জ্ঞান ভাণ্ডাৰ আছে, প্ৰতিটো জ্ঞানৰ মাজত অন্তৰ্নিহিত হৈ আছে এক বিজ্ঞান।

আমাৰ মনত নিশ্চয় মাজে-সময়ে এনে ভাব প্ৰকট হোৱাটো স্বাভাৱিক। আমি ইমান আধুনিকতাৰ জখলাৰে আগবঢ়া অৱস্থাত আমাক আকৌ কিহৰ বাবে পৰম্পৰাগত জ্ঞানৰ আৱশ্যক? এনেবোৰ প্ৰশ্নৰ উত্তৰত আমি এটা কথা স্পষ্টকৈ ক'ব পাৰো যে ইয়াৰ আৱশ্যকতা এই কাৰণে আছে কিয়নো আমাৰ মাজত যি থলুৱা সংস্কৃতি প্ৰচলিত হৈ আছিল সেইবোৰ জীয়াই ৰখাটো আমাৰ বাবে প্ৰধান কৰ্তব্য। পৰম্পৰাগত বা থলুৱা যি জ্ঞান ভাণ্ডাৰ আমাৰ মাজত সোমাই আছিল সেইবোৰৰ দ্বাৰা আমি নিজকে এনে এটা ৰূপত পাব পাৰো যাৰ দ্বাৰা আমাৰ অকল পৰিচয়ে নহয় বৰঞ্চ বিভিন্ন কাৰ্যক্ষেত্ৰত কুফল পোৱা নাযায়। আধুনিকতাৰে অগ্ৰগতি হৈ আমি কম সময়ত বিভিন্ন কাৰ্য সমাপন কৰিব পাৰো লগতে চাক্ষুস প্ৰদৰ্শনত সেয়া সৌন্দৰ্য বিচাৰিও পাব পাৰো কিন্তু তেনে কাৰ্য দীৰ্ঘকালীন পৰ্যায়ত ফলাফল কিছু বিৰূপ পৰ্যায়ত প্ৰতিফলিত হোৱাহে দেখা যায়। আনহাতে, পৰম্পৰাগত জ্ঞানেৰে যিবোৰ কৰ্ম সমাপন কৰা হয় তাৰ দ্বাৰা কেতিয়াও বিৰূপ প্ৰকট নহয় আৰু পৰিৱেশ তথা স্বাস্থ্যৰ প্ৰতিটো কোনো ভাবুকি প্ৰদৰ্শিত নহয়। থলুৱাভাৱে প্ৰচলিত বিজ্ঞান সন্মত খাদ্য ভাণ্ডাৰৰ বিভিন্ন কাৰ্যৰ বাবে ব্যৱহৃত সামগ্ৰীসমূহ, সাংস্কৃতিক দিশত আগবঢ়োৱা পদক্ষেপ আদিৰ বেষ্টনিত যি পৰম্পৰাগত জ্ঞান সোমাই আছিল, তাৰ দ্বাৰা সকলো শ্ৰেণীৰ মানুহ উপকৃত হোৱাটো ধ্ৰুৰূপ। যিহেতু পৰম্পৰাগত জ্ঞান সম্পূৰ্ণ বিজ্ঞানসন্মত আৰু ইয়াৰ ব্যৱহাৰে সকলো উপকৃত কৰে সেয়েহে, এনে জ্ঞান বৰ্তাই ৰখাটো আমাৰ কৰ্তব্য। এনে জ্ঞানৰ অন্তৰালত কেতিয়াও আমাৰ অসুবিধা বা বিপদ নহয়।

আমি সহজলভ্য আধুনিকতাৰ বাবে ধাৱমান হোৱাৰ বিপৰীতে পৰম্পৰাগত জ্ঞান অক্ষুণ্ণ ৰখাৰ বাবে কোনো নিৰ্দিষ্ট নিয়ম বা আইন প্ৰচলিত হৈ থকা নাই। সঁচা অৰ্থত পৰম্পৰাগত জ্ঞান ৰক্ষাৰ বাবে কোনো বিশেষ আইন বলৱৎ হৈ থকা নাই যদিও পেটেন এক্ট ১৯৭০ আৰু ছেছন ২৫ আৰু ৬৪ৰ দ্বাৰা কিছু সকাহ দিয়াৰ ব্যৱস্থা গঢ়ি উঠিছে। আনহাতে, ২০১৯ত ৰাষ্ট্ৰসংঘৰ মজিয়াত এখন ৰাজহুৱা সভা অনুষ্ঠিত কৰা হৈছিল আৰু তাত আলোচনা হৈছিল যে শ শ বছৰ ধৰি যি বিভিন্ন জাতি, জনজাতিৰ যি পৰম্পৰাগত জ্ঞান প্ৰচলিত হৈ আছিল সেইবোৰ বিজ্ঞান সন্মতভাৱে সংৰক্ষিত কৰাটো অত্যন্ত প্ৰয়োজন। এটা কথা ঠিক যে বৰ্তমানে যিমানবোৰ উদ্যোগ গঢ়ি উঠিছে সেই সকলোবোৰ পৰম্পৰাগত জ্ঞানৰ ওপৰত নিৰ্ভৰ কৰি আগবাঢ়িছে। খাদ্য, দৈনন্দিন ব্যৱহাৰ কৰা সামগ্ৰী, দৰব, সংস্কৃতি এই আটাইবোৰৰ মাজত পৰম্পৰাগত জ্ঞান ভাণ্ডাৰ পৰোক্ষভাৱে হ'লেও জড়িত হৈ আছে। ৰাষ্ট্ৰসংঘই এয়া অতি গুৰুত্বসহকাৰে লৈছে অআৰু পৰৱৰ্তী সময়ত এয়া এক নিয়মৰ মাজত অন্তৰ্ভুক্ত কৰাৰ বাবে যথেষ্ট আগ্ৰহ প্ৰকাশ কৰিছে। বৰ্তমান ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যত পৰম্পৰাগত জ্ঞানৰ ওপৰত ৰাজ্য চৰকাৰসমূহে চৰ্চা আৰম্ভ কৰিছে আৰু কিছু নিয়মৰ মাজত অন্তৰ্ভুক্ত কৰাৰ বাবে প্ৰস্তুতি চলাইছে। এই পৰম্পৰাগত জ্ঞানৰ স'তে জীৱ-বৈচিত্ৰ্যও এটা ডাঙৰ প্ৰক্ৰিয়া যি ওতঃপ্ৰোতভাৱে সাঙোৰ খাই আছে। পৰম্পৰাগত জ্ঞানৰ মাজত লুকাই আছে কিছু অভিজ্ঞতা, পাৰদৰ্শিতা, জ্ঞান আৰু প্ৰয়োগ, যিবোৰ এটা বংশৰ পৰা আন এটা বংশলৈ স্থানান্তৰিত হৈছিল। এটা কথা ঠিক যে এই জ্ঞানৰ স'তে জড়িত হৈ আছে সামাজিক, সাংস্কৃতিক বা কিছু পৰিমাণে ধৰ্মীয় স্বকীয়তা। এই সকলোবোৰৰ মাজেৰে আগবাঢ়িছে পৰম্পৰাগত জ্ঞান ভাণ্ডাৰসমূহ। আজি কিছুদিন আগতে অসম বিজ্ঞান সমিতিৰ উদ্যোগত নলবাৰীৰ ককয়া শাখাত প্ৰফুল্ল বৰ্মনৰ নিজ গৃহতে গঢ়ি উঠিছে এটা পৰম্পৰাগত জ্ঞানৰ সংগ্ৰহালয়। অসমৰ বিভিন্ন অঞ্চলত উপলব্ধ সামগ্ৰী বা জ্ঞান গৰিমাৰে সন্নিবিষ্ট সাঁচিপাতৰ পুথি আদি সংগ্ৰহ কৰি নিশ্চয় আন আন সংগ্ৰহালয় স্থাপন কৰি নতুন প্ৰজন্মৰ লগতে গৱেষণাৰ দিশেৰে আগবাঢ়িব খোজাসকলৰ বাবে ই এক ডাঙৰ প্ৰদক্ষেপ হ'ব।

*ফোন ঃ ৮৮১২০১১০১২*

## শ্ৰীমন্ত শংকৰদেৱৰ মহাপ্ৰয়াণস্থলী মধুপুৰ সত্ৰ

### শংকৰদেৱ, চিলাৰায়, নৰনাৰায়ণৰ স্মৃতি বিজৰিত সত্ৰৰ প্ৰতি অসম চৰকাৰে দৃষ্টিপাত কৰিবনে?

■ কিৰণ চন্দ্ৰ দাস

**১৪ মাৰ্চ** ২০২১ খ্ৰীষ্টাব্দ। দেওবাৰ প্ৰত্যুষে আঠ বজাত অসম চৰকাৰৰ 'ধৰ্মজ্যোতি আঁচনি'ৰ অধীনত আমি ৩১ জনীয়া তীৰ্থ যাত্ৰীৰ দলে অসম চৰকাৰৰ পৰিবহণ নিগমৰ ছুপাৰ বাছ এখনেৰে কামৰূপ জিলাৰ হাজো পাঁচগাঁও অঞ্চলৰ পৰা পোনে পোনে কোকৰাঝাৰ জিলাৰ মহামায়া মন্দিৰ হৈ ধুবুৰী জিলাৰ সত্ৰশালৰ অন্তৰ্গত ভাৰত-বাংলাদেশ সীমান্তত অৱস্থিত 'শ্ৰীশ্ৰীধাম ৰামৰাই কুঠী সত্ৰ'ত উপস্থিত হ'লো। এই সত্ৰখন 'ৰাম ৰায় সত্ৰ' নামেৰেও পৰিচিত। কিয়নো ১৬শ শতিকাত মহাপুৰুষ শংকৰদেৱৰ ভ্ৰাতৃ ৰাম ৰায় আতাৰ জীয়ৰী আই ভুৱনেশ্বৰী আৰু কোচ ৰজা নৰনাৰায়ণৰ ভ্ৰাতৃ বীৰ চিলাৰায়ৰ বিয়াখন এই পুণ্যভূমিতে অনুষ্ঠিত হৈছিল। সেই সময়তে মহাপুৰুষ শংকৰদেৱে নৰনাৰায়ণৰ পৃষ্ঠপোষকতাত এই সত্ৰখন স্থাপন কৰিছিল বুলি জনা যায়।

ইয়াৰ পৰা ৰাওনা হওঁ আমি গন্তব্য স্থান মহাপুৰুষ শংকৰদেৱৰ মহাপ্ৰয়াণ স্থলী পশ্চিমবংগৰ কোচবিহাৰ জিলাৰ 'মধুপুৰ সত্ৰ'লৈ। ৩১ জনীয়া তীৰ্থ যাত্ৰীৰ প্ৰাপ্তবয়স্ক মহিলা আছিল মাথোঁ আঠগৰাকী। আমি সকলোৱে মিলি-জুলি একত্ৰিতভাৱে হৰ্ষিত মনে গৈ আছিলো। গাড়ীৰ বাহিৰ জগতখনলৈ দৃষ্টি নিক্ষেপ কৰিলে উপলব্ধি হয় যেন আমাৰ বিপৰীত দিশে গছ-গছনিৰ ক্ষেত্ৰখন ক্ষিপ্ৰতাৰে গতি কৰিছে। এনেদৰে নিশা আঠ বজাত মধুপুৰ সত্ৰ পালোগৈ। নিশাৰ বিজুলী বাতিৰ আলোকত আলোকিত হৈ সত্ৰখনৰ সৌন্দৰ্য দুগুণ বৰ্ধন হৈছিল। উক্ত সত্ৰৰ ভকতৰ অনুমতি সাপেক্ষে আমি প্ৰত্যেকে নিজা নিজা বয়-বস্তুসমূহ গাড়ীৰ ভিতৰৰ পৰা অতিথিশালালৈ নিলো। সকলোৱেই মুখ-হাত-ভৰি পৰিষ্কাৰভাৱে প্ৰক্ষালন কৰি সত্ৰৰ ভক্তৰ অনুমতি মৰ্মে সত্ৰৰ কাৰ্যালয়ত প্ৰৱেশ কৰি সত্ৰৰ নীতি-নিয়ম অনুযায়ী কাৰ্যবোৰ সমাপন কৰিছিলো। সকলোৱে সাঁজ-পোছাক সলাই নিশাৰ আহাৰ সাজ ঐক্যবদ্ধভাৱে বনোৱা চেষ্টা কৰিছিলো। ধৰ্মৰ লগত সংগতি ৰাখি সত্ৰৰ আছুতীয়া ৰন্ধন কক্ষতে নিৰামিষ ভোজনৰ ব্যৱস্থা কৰিছিলো; কাৰণ ধৰ্মীয় বিধি অনুসৰি সত্ৰৰ আভ্যন্তৰ ভাগত মাছ-মাংস খোৱাটো নিষেধাজ্ঞা আছিল। চ'ত মাহৰ পহিলা সপ্তাহ। ঠাণ্ডাৰ প্ৰকোপ বৰ বেছি নাছিল যদিও খালী মজিয়াত শোৱা অসম্ভৱ আছিল। সেয়ে আহাৰ গ্ৰহণ কৰাৰ পাছত আটায়ে অতিথিশালাৰ দুটি কোঠালিৰ এটিত আমি পুৰুষসকলে আৰু অন্যটোত মহিলাবৃন্দই সত্ৰৰ ফালৰ পৰা ৩০ টকাকৈ দি একোখনকৈ তুলি সংগ্ৰহ কৰি মজিয়াতে বিছনা সজাই লৈছিলো।

১৫ মাৰ্চ। প্ৰাতঃকালে সকলোৱেই শোৱাপাটী সামৰি থৈ প্ৰত্যুষ কাৰ্য সমাপন কৰি ন-ন সাজপাৰ পৰিধান কৰি সাজু হৈ ওলাইছিলো ইতিহাস বিজড়িত 'কৰতোৱা নদী'ৰ পাৰলৈ। যিটো নদী পাৰ হৈ চীনা পৰিব্ৰাজক হিউয়েন চাঙে কামৰূপত প্ৰৱেশ কৰিছিল। তাৰ পৰা উভতি গমন কৰিছিলো মহাপুৰুষ দেৱদামোদৰৰ মহাপ্ৰয়াণ থলী 'বৈকুণ্ঠপুৰী'লৈ। তেতিয়া ঘড়ীৰ কাঁইট নটাৰ ওপৰত উঠিছিল। আটায়ে সত্ৰৰ সমীপত থকা চাহ- নাস্তাৰ হোটেলত ভিৰ কৰিছিলো। যি নহওক কিয় আমি সকলোৱেই জলপানৰ তৃপ্তি লৈ পৰ্যটনত ব্যৱহাৰ কৰা গাড়ীত আসন গ্ৰহণ কৰাৰ পাছত ড্ৰাইভাৰে লক্ষ্যস্থান অভিমুখে গাড়ী এৰিছিল। মধুপুৰ সত্ৰৰ পৰা প্ৰায় এঘণ্টা মান সময় অতিক্ৰম কৰি বৈকুণ্ঠপুৰ পাইছিলো যদিও প্ৰকৃতাৰ্থত মহাপুৰুষ দেৱদামোদৰৰ সত্ৰথলীত উপনীত হোৱা নাছিলো। কাৰণ 'বৈকুণ্ঠপুৰ'ৰ ৰাস্তাটো ডাঙৰ গাড়ী অহা-যোৱা কৰাৰ বাবে অতি সুবিধাজনক নাছিল। ৰাস্তাটো আকাৰত তেনে সৰু আৰু ওখোৰা-মোখোৰা আছিল। ৰাস্তাটোৰ দুয়ো কাষে থকা গছ-গছনি, বাঁহ-বনে ৰাস্তাৰ কোনো কোনো ঠাইত বাধা আৰোপ নকৰাকৈ থকা নাছিল। তৎসত্বেও বাধা নেওচি আগবাঢ়িলো যদিও গাড়ী আমি যথাস্থানলৈ নিব নোৱাৰিলো। আমাক দেখি সত্ৰাধিকাৰে সমীপলৈ আহি সুধিছিল— 'আপোনা সৱ ক'ৰ পৰা আহিছে?' প্ৰত্যুত্তৰত কৈছিলো— 'অসমৰ কামৰূপ জিলাৰ হাজো-পাঁচগাঁও অঞ্চলৰ পৰা।' তেওঁ আটাইকে উদ্দেশি কৈছিল—'সৌৱা তাত নলী-নাদৰ পানী আছে হাত-মুখ পখালি সত্ৰৰ ভিতৰলৈ আহি ভগৱান পীঠৰ নিকটত উপৱিষ্ট হওঁক।' উপদেশ অনুযায়ী কাৰ্য সম্পন্ন হৈছিল। আমি সকলোৱেই গুৰুজনাক শ্ৰদ্ধা-ভক্তি কৰিছিলো, সত্ৰাধিকাৰে মন্ত্ৰৰে আন্তৰিক আশীৰ্বাদ প্ৰদান কৰিছিল। প্ৰত্যেকৰে ললাটত চন্দনৰ তিলক আঁকি দিছিল। সত্ৰাধিকাৰে হিয়া উজাৰি দিয়া আশীৰ্বাদত আমি আটায়ে সন্তুষ্টি লভিছিলো। সৰ্বশেষত সত্ৰখনৰ সম্প্ৰতি জৰাজীৰ্ণ অৱস্থা সম্পৰ্কে অন্তৰাত্মাক উদ্বিত প্ৰশ্ন উত্থাপন কৰিছিলো যে 'সত্ৰখনৰ প্ৰৱেশ পথ কোনটো? আমি ইয়াত অৰ্থাৎ সত্ৰত প্ৰৱেশ কৰিলো ব্যক্তিগত এঘৰ পৰিয়ালৰ চোতালেৰেহে।' প্ৰত্যুক্তিত তেওঁ কৈছিল—'এইবোৰ বহু কথা, ক'লে ওৰ নপৰিব। সম্প্ৰতি উক্ত সত্ৰ-সংস্কৃতি হৈছে অসমৰ, আছো আমি পশ্চিমবংগ ৰাজ্যৰ বিহাৰত। ইয়াৰ জনসমাজে বা চৰকাৰে উক্ত কৃষ্টি-সংস্কৃতিক সদায় মাহী আইৰ দৃষ্টি নিক্ষেপ কৰে। কোনো ধৰণৰ ৰাজ-সাহায্য পোৱাৰ পৰা বিৰত আছো। তদুপৰি উক্ত সত্ৰখনৰ অধীনস্থ যি ভূমি আছে উক্ত ভূমিৰ পৰা পোৱা কিঞ্চিত প্ৰমূল্যৰ বিনিময়তহে তলৌ-বলৌকৈ নিঃশেষ নহৈ জীৱন-ধাৰণ কৰি আছো। সময় সুবিধা অনুসৰি আপোনা সৱৰ দৰে অসমৰ পৰা অহা তীৰ্থ-যাত্ৰীৰ দান-বৰঙণিৰে গুৰুজনাৰ পীঠৰ বন্তি গছি জ্বলাই ৰাখিছো। নাজানো নেদেখাজনে কিমান দিন এই অভগাবোৰক জীয়াই ৰাখে।' 'আপুনি অসম চৰকাৰৰ লগত ৰাজ-সাহায্যৰ বাবে কোনো ধৰণৰ যোগাযোগ কৰিছে নে বাৰু?' বুলি সোধাত তেওঁ জবাব দিছিল—'কৰিছিলো কিন্তু কোনো ইতিবাচক ফল পোৱা নহ'ল। কিছু সময়ৰ পাছতে ড্ৰাইভাৰে যথা স্থানত গাড়ী ৰখাই কৈছিল, 'সৌৱা ৰাজবাৰী, আপোনালোকে চাই আহক আৰু দিনৰ আহাৰ সাঁজ কোনোবা এখন হোটেলত গ্ৰহণ কৰিব' বুলি পৰামৰ্শ আগবঢ়াই তেওঁলোকেও কোচবিহাৰ বজাৰমুখী হ'ল। আমি আটায়ে 'কোচ ৰজা নৰনাৰায়ণ'ৰ ৰাজপ্ৰাসাদটো তন্ন তন্নকৈ নিৰীক্ষণ কৰিলো। ৰং-বিৰঙৰ ৰাজপ্ৰাসাদটো দৰ্শন কৰি বৰ সন্তোষ লভিলো। তাহানিদিনীয়া ৰাজপ্ৰাসাদ বুলি যেন কোনোপধ্যে থিৰাং কৰিব নোৱাৰি, জানোচা সম্প্ৰতি সময়তহে ৰাজপ্ৰাসাদটো গঢ় লৈ উঠিছে এনেহেন লাগে। ৰাজপ্ৰাসাদৰ সৌন্দৰ্য চালে চকুৰোৱা। নকৈ নোৱাৰি যে ৰাজপ্ৰাসাদৰ ভিতৰত সংৰক্ষিত ৰজাদিনীয়া আচবাব, বিভিন্ন কাৰ্যত ব্যৱহৃত সা-সঁজুলি, অস্ত্ৰ-শস্ত্ৰ, বয়-বস্তু, আ-অলংকাৰ, সাজ-পোছাকৰ উপৰি ৰাজকাৰ্যত জড়িত চিঠিপত্ৰ, মোহৰ আদিয়ে কোচ ৰাজতন্ত্ৰৰ এখন সুন্দৰ প্ৰতিচ্ছবি মানস পটত উদিত হৈছিল। দুমহলীয়া ৰাজপ্ৰাসাদৰ কেউদিশ আহল-বহল ফুলনি বাগিচা। এঘণ্টাৰো অধিক সময় আমি ঘূৰি-ফুৰি দিনৰ আহাৰ সাজ 'কোচবিহাৰ' নামৰ এখন হোটেলতে উদৰ পুৰাই খালো। ভ্ৰমণ আনন্দই সৱকে যেন নৱশক্তি প্ৰদান কৰিছিল। আনন্দত মন উগুল-থুগুল। পাঁচমান বজাত আকৌ আটায়ে সত্ৰৰ আশে-পাশে পৰিভ্ৰমণ কৰি ঠাইবোৰ পৰ্যবেক্ষণ কৰিলো। এই সত্ৰৰ চৌদিশ পৰ্যবেক্ষণ কৰোতে বঙালী সম্প্ৰদায়ৰ সন্ধ্যা-আৰতিত ব্যৱহৃত 'শংখ', 'ঘণ্টা', 'কাঁসৰ' (বৰকাঁহ) আৰু বিশেষকৈ 'জোকাৰ' (উৰুলি)ৰ অনুৰণনৰ দাস্যভাৱে আমাক অনুৰক্ত কৰিছিল। সময় গতিশীল। সৰৱো অজ্ঞাতে দিন-জ্যোতি বিদূৰ কৰি তমসা ধৰালৈ নামিছিল যদিও বিজুলী বাতিৰ আলোকে তমসাকো গ্ৰাস কৰি উৰ্বীৰ বুকুত বৈচিত্ৰ্যতাৰ সৃষ্টি কৰিছিল। নিশা সাত বজাত সত্ৰাধিকাৰৰ স'তে আমি সৱে ঐক্যবদ্ধভাৱে সত্ৰ কাৰ্যালয়ত ধৰ্মীয় ভাৱানুভূতি সম্পৰ্কীয় বিষয়সূচীত মনোনিৱেশ কৰিছিলো। সত্ৰাধিকাৰৰ সম্প্ৰতি কায়িক অৱস্থা বৰ সুস্থ নাছিল। তেওঁৰ বক্তব্যত মানসিক বেদনাৰ সুৱাস উপলব্ধি নকৰাকৈ থকা নাছিলো। তেওঁকো সত্ৰৰ উত্তৰণ সম্পৰ্কে প্ৰশ্নোত্থাপন কৰাত বিষাদাপন্নভাৱে অভিব্যক্তি কৰিছিল— 'সত্ৰৰ বিকাশ কিদৰে হ'ব? সত্ৰ-সংস্কৃতি হ'ল অসমৰ, কিন্তু চৰকাৰ পশ্চিমবংগৰ। আপোন চৰকাৰ অবিহনে সত্ৰৰ কোনো ধৰণৰ বিকাশৰ অগ্ৰগতি অসম্ভৱ। সত্ৰৰ নামত থকা মাটি-সম্পত্তিৰ পৰা যি কিঞ্চিত ধান সংগৃহীত হয় উক্ত ধানখিনিৰ কিছু বিক্ৰী কৰি আমি বছৰ জুৰি জীৱন নিৰ্বাহ কৰো। আৰু অসমৰ পৰা অহা ধৰ্ম যাত্ৰীৰ পৰা পোৱা দান বৰঙণিৰে সত্ৰখন কোনো ৰকমে জীয়াই ৰাখিছো। সত্ৰৰ নানা সমস্যাই গা-কৰি উঠিলেও সমীপৱৰ্তী ব্যক্তি সৱে কোনো ধৰণৰ সহায়-সাহায্য আগবঢ়োৱাৰ দৃষ্টান্ত নাই।' 'অসম চৰকাৰৰ ফালৰ পৰা কোনো ধৰণৰ আৰ্থিক সাহায্য লাভ কৰিছেনে?' বুলি সোধাত, নাই পোৱা বুলি পোনপটীয়াভাৱে উত্তৰ দিছিল। আৰু 'বৈকুণ্ঠপুৰ সত্ৰ'ৰ সত্ৰাধিকাৰে উত্তৰণ সম্পৰ্কে কোৱাৰ লেখীয়াকৈ তেওঁ সেই একে কথাকে ক্ষোভেৰে পুনৰ উক্তি কৰিছিল। এশ একুৰি মান সমস্যাৰে ভাৰাক্ৰান্ত উক্ত সত্ৰ-সংস্কৃতি ভৱিষ্যতে শংকা মুক্তভাৱে জীয়াই থাকিবনে?' বুলি সোধোতে কৈছিল—'অসমৰ ৰাইজে যদি উক্তানুষ্ঠান সম্পৰ্কে সজাগ নহয় তেতিয়াহ'লে এই সত্ৰ-সংস্কৃতি ভৱিষ্যতে অনুজ্জ্বল হ'ব পাৰে।' অৱশেষত সত্ৰত দুনিশা থকাৰ বাবদ আমি সত্ৰৰ বিকাশ সাধন প্ৰকল্পে টকা দুহেজাৰ দি তেওঁৰ পৰা আশিস বিচাৰি সেৱা লৈছিলো।

১৬ মাৰ্চ। চৰাই-চিৰিকটিৰ স্বননত প্ৰাতঃকালে প্ৰাতঃস্নান কৰি আকৌ নতুনত্বক আদৰিবলৈ সত্ৰৰ নিকটতে থকা চাহৰ হোটেলবোৰত ভিৰ কৰিছিলো। পচন্দ অনুযায়ী লঘু আহাৰেৰে পেট পুৰাই এজন-এজনকৈ গাড়ীত বহিছিলো। আঠ বজাত আমাৰ গাড়ী নামনি অসমলৈ ধাৱমান হৈছিল। এইবাৰ লক্ষ্যস্থান হৈ পৰিছিল ধুবুৰীৰ শিখ ধৰ্মাৱলম্বীসকলৰ 'গুৰুদ্বাৰ' আৰু 'নেতাই ধুবুনী ঘাট'লৈ। ১৬ মাৰ্চ। ২০২১ৰ বিধানসভাৰ নিৰ্বাচন সমাগত। এই দিনটো ধুবুৰী জিলাৰ মনোনয়নপত্ৰ দাখিলৰ দিন আছিল বাবে ৰাস্তাৰ ঠায়ে ঠায়ে নিৰাপত্তাৰক্ষীয়ে বাধাৰোপ কৰিছিল যদিও যথা সময়ত 'গুৰুদ্বাৰ'ত উপনীত হৈছিলো আৰু 'নেতাই ধুবুনী ঘাট'ৰ দৃশ্যাৱলীৰ দৰ্শন কাৰ্য সমাপ্ত কৰি আকৌ গাড়ীত উঠি গতি লৈছিলো গৌৰীপুৰৰ খ্যাতনামা লোকশিল্পী 'প্ৰয়াত প্ৰতিমা বৰুৱা পাণ্ডে'ৰ বাসভৱনলৈ। গৌৰীপুৰৰ এটি পাহাৰীয়া টিলাত প্ৰতিমা বৰুৱা পাণ্ডেৰ পূৰ্বপুৰুষসকলৰ ৰাজকীয় বিলাসী ৰাজভৱনৰ অৱশিষ্ট অংশ সম্প্ৰতি জলজল-পটপট হৈ আছে। ইয়াৰ উপৰি প্ৰতিমা বৰুৱাৰ পতি অৱসৰপ্ৰাপ্ত ইংৰাজী বিভাগৰ অধ্যাপক গংগা শংকৰ পাণ্ডেকো উক্ত বাসগৃহতে বাস্তৱ সন্মতভাৱে সাক্ষাৎ গ্ৰহণ কৰিছিলো। তেওঁ আমাক পাৰ্যমানে অতীত কাহিনীবোৰ অৱগত কৰিছিল আৰু এপদ এপদ বস্তু দেখুৱাই কৈ গৈছিল। তাৰ ভিতৰত আছিল ডঃ ভূপেন হাজৰিকা আৰু তেওঁৰ প্ৰেয়সী প্ৰিয়ম্বদা পেটেলে একেলগে বহি আহাৰ গ্ৰহণ কৰা ভোজনালয়টো আৰু প্ৰতিমা বৰুৱা পাণ্ডেৰ ককা-আইতাকৰ প্ৰতিচ্ছবি। তাৰ পাছত প্ৰতিমা বৰুৱাৰ পৰিয়ালৰ ৰাজকীয় আগ্নেয় অস্ত্ৰ-শস্ত্ৰৰ লগতে প্ৰতিমা বৰুৱাই চিকাৰ কৰা বিৰাট আকৃতিৰ বাঘৰ কটা মূৰটো সম্প্ৰতি জ্বলন্ত ৰূপত বাকচৰ ভিতৰত থকা অৱস্থাত দেখুৱালে। পাণ্ডেক লগ পাই বৰ ভাল লাগিছিল। তেওঁ ভালেমান সময় নষ্ট কৰি আমাৰ লগত বাৰ্তালাপ কৰিছিল বাবে তেওঁক আমি আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছিলো আৰু ভৱিষ্যতলৈও বাৰ্তালাপ হোৱাৰ প্ৰতিশ্ৰুতিৰে আমি আমাৰ গাড়ীলৈ উভতিছিলো। এইবাৰ আমাৰ গাড়ীয়ে গতি লৈছিল গোৱালপাৰাৰ সূৰ্য পাহাৰত অৱস্থিত সূৰ্য মন্দিৰলৈ। হো-হোৱাই গাড়ীয়ে এইবাৰ পূব-দক্ষিণ প্ৰান্তৰলৈ ৰাওনা হৈছিল। গাড়ীৰ খিৰিকীৰে বাহিৰ জগতৰ বৰ্ণিল সৌন্দৰ্যৰাজি উপভোগ কৰি হৰ্ষন্বিত হৈছিলো। সূৰ্য মন্দিৰ পালো। কথা মৰ্মে কাম। সকলোৱে গাড়ীৰ পৰা নামিলো। সময় তেতিয়া প্ৰায় চাৰিটা মান বাজিছিল। তীৰ্থ যাত্ৰীবোৰ দেখি মন্দিৰৰ পূজাৰী আহি আমাক সূৰ্য মন্দিৰ দৰ্শন কৰালে, বিনিময়ত প্ৰত্যেক যাত্ৰীৰ পৰা ১০ টকাকৈ অৰিহণা আদায় কৰি লৈছিল। আমি মন্দিৰ দৰ্শনৰ উপৰি এই পাৰ্বত্য অঞ্চলটোৰ নামনিয়ে নামনিয়ে নৱনিৰ্মিত পদপথবোৰ ঘূৰি-পকি নিৰীক্ষণ কৰিলো। মন্দিৰ প্ৰাংগণ সুন্দৰ আহল-বহল, পৰিষ্কাৰ-পৰিচ্ছন্ন। সময়ৰ অভাৱত কিবা-কিছু ঐতিহাসিক কীৰ্তিচিহ্ন, ভগ্নস্তূপ আদি দৰ্শনৰ পৰা বিৰত থাকিবলগীয়া হৈছিলো। প্ৰাকৃতিক সৌন্দৰ্য্য অতুলনীয়। নিৰলসভাৱে সময়বোৰ আগবাঢ়িছিল। সৰৱো অজ্ঞাতসাৰে সন্ধ্যা নামিছিল যদিও বিজুলী বাতিৰ জ্যোতিয়ে সন্ধ্যাৰ আগমনত হেঙাৰ হৈ থিয় দিছিল। আমি সৱে পুনৰ গাড়ীলৈ প্ৰত্যাগমন কৰিলো। এইবাৰ গাড়ী গৃহ অভিমুখে তীব্ৰ গতি ধাৰণ কৰিলে। কোনো মুহূৰ্তত ব্ৰহ্মপুত্ৰৰ শৰাইঘাট দলং অতিক্ৰম কৰি ১০ বজাত হাজো-পাঁচগাঁৱত পালো তলকিবই নোৱাৰিলো।



## খাৰেজী-খাৰিজী মত-নিমিলাজনকো দিয়া হৈছে উপধা



ইছলামৰ দুটা মূল পন্থা ছিয়া আৰু ছুন্নীৰো তেওঁলোক অন্তৰ্ভুক্ত নহয়। ই-এটা পৃথক মজহৱ। সম্প্ৰতি আৰব বিশ্বৰ প্ৰতি সমৃদ্ধিশালী ক্ষুদ্ৰ ৰাষ্ট্ৰ ওমানত এই মজহৱৰ অনুগামী লোকৰ সংখ্যা অধিক। অৰ্থাৎ ওমানত খাৰিজী ইবাদী মজহৱৰ অনুগামী লোকৰ সংখ্যাগৰিষ্ঠতা আছে। আধুনিক ইৰাকৰ বছৰা নগৰীৰ পৰা ইবাদ সম্প্ৰদায়ৰ লোকে ওমানত ইবাদী মজহৱৰ প্ৰচাৰ কৰিছিল। মূলতঃ ইছলামৰ কোন নবী হজৰত মহম্মদ (ছঃ)ৰ ইন্তেকালৰ পাছত উত্তৰাধিকাৰীক লৈ চলা মতানৈক্যৰ ফলশ্ৰুতিত গঢ় লৈ উঠে এই মজহৱ।

■ চাহাবুদ্দিন আহমেদ

**ইছলাম** ধৰ্মত সততে এটা উচ্চাৰিত শব্দ হ'ল খাৰেজী বা খাৰিজী। খাৰিজীসকলক বহুতে মুছলমান বুলি স্বীকৃতি নিদিয়ে। ইছলামৰ দুটা মূল পন্থা ছিয়া আৰু ছুন্নীৰো তেওঁলোক অন্তৰ্ভুক্ত নহয়। ই-এটা পৃথক মজহৱ। সম্প্ৰতি আৰব বিশ্বৰ প্ৰতি সমৃদ্ধিশালী ক্ষুদ্ৰ ৰাষ্ট্ৰ ওমানত এই মজহৱৰ অনুগামী লোকৰ সংখ্যা অধিক। অৰ্থাৎ ওমানত খাৰিজী ইবাদী মজহৱৰ অনুগামী লোকৰ সংখ্যাগৰিষ্ঠতা আছে। আধুনিক ইৰাকৰ বছৰা নগৰীৰ পৰা ইবাদ সম্প্ৰদায়ৰ লোকে ওমানত ইবাদী মজহৱৰ প্ৰচাৰ কৰিছিল। মূলতঃ ইছলামৰ কোন নবী হজৰত মহম্মদ (ছঃ)ৰ ইন্তেকালৰ পাছত উত্তৰাধিকাৰীক লৈ চলা মতানৈক্যৰ ফলশ্ৰুতিত গঢ় লৈ উঠে এই মজহৱ। ৬৩২ হিজৰীত আল্লাহৰ শেষ নবীজনৰ ইন্তেকালৰ পাছত উদ্ভৱ হোৱা এই মজহৱ প্ৰকাশ্য উদ্ভৱ হয় ইছলামৰ তৃতীয় খলিফা হজৰত ওচমান গণি (ৰাঃ)ৰ ইন্তেকালৰ পাছত। ৬৫৬ হিজৰীত ইছলাম বিশ্বৰ তৃতীয়জন খলিফা উচমান (ৰাঃ)ক হত্যাৰ পাছতে মুছলিম বিশ্বত প্ৰথম ফিত্‌নাৰ সময়ত তেওঁলোকৰ উদ্ভৱ প্ৰকাশ্যে পোহৰলৈ আহে। তৃতীয় খলিফাগৰাকীক হত্যাক কেন্দ্ৰ কৰি এইসকলে ধৰ্ম পথৰ পৰা বিচ্যুত হোৱা বুলি কোৱা হয়। তেওঁলোকে আনকি শেষ খলিফা হজৰত আলী (ৰাঃ)ৰ বিৰোধিতা কৰিছিল। পৰৱৰ্তী সময়ত হজৰত আলী (ৰাঃ)ৰ শাসনো মানি লোৱা নাছিল। তেওঁলোকৰ মূল কথা হ'ল খিলাফত বংশানুক্ৰমিক বা উত্তৰাধিকাৰ ভিত্তিক হ'ব নোৱাৰে। খিলাফতক কেন্দ্ৰ কৰি হোৱা এনে মতানৈক্যৰ মাজতে আলহা ইবানে উবাইদিল্লাহ, জুৱায়েৰ ইবনে আল আওয়াম আদি ঠাই অনুযায়ী প্ৰভাৱশালী লোকৰ বিৰোধিতাৰ সন্মুখীন হয় হজৰত আলী (ৰাঃ)। ইয়াৰ মাজতে খলিফা আলী (ৰাঃ)ক আব্দৰ ৰহমান ইবনে মূলজাম নামৰ এজন খাৰিজীয়ে হত্যা কৰে। সপ্তম শতিকাত উদ্ভৱ হোৱা এই মতবাদ আছিল এটা বিদ্ৰোহী গোষ্ঠীৰ। ইৰাকৰ দক্ষিণ অঞ্চল আছিল ইয়াৰ মূলকেন্দ্ৰ। ইৰাকৰ তামিম গোষ্ঠীৰ লোকসকল আছিল মূলতঃ এই মতবাদৰ বাহক। খাৰিজী শব্দৰ অৰ্থ 'আঁতৰি যোৱা' অৰ্থাৎ 'বাহিৰ হোৱা'। সেয়া যিয়েই নহওক, এই শব্দটোক লৈ এতিয়াও বিতৰ্ক চলি আছে। ইছলামৰ প্ৰথম ফিত্‌নাৰ সময়ত উদ্ভৱ হোৱা এই মতবাদক কেন্দ্ৰ কৰি আজিও ইজনে-সিজনৰ ওপৰত, এটা গোটে আনটো গোটক, এটা সংগঠনে আনটো সংগঠনক ইছলামৰ মৰা 'খাৰিজ' হোৱা বুলি অভিহিত কৰি খাৰিজী শব্দটো ব্যৱহাৰ হৈ আহিছে। ইয়াৰ লগে লগে ইজনৰ ব্যাখ্যা আনজনৰ লগত নিমিলে বা বহুতে নিজস্বভাৱে ব্যাখ্যা কৰা বুলি অভিযোগ উঠে। যিটো আল্লাহ আৰু আল্লাহৰ ৰছুলক অৱমাননা কৰা হয়। কিছু তাৰ পাছতো এই পৰম্পৰা অব্যাহত আছে। ধৰ্মৰ সম্যক জ্ঞান নথকা নদাই-ভদাইসকল সেয়ে এই পাকচক্ৰত পৰি পথভ্ৰষ্ট বা লক্ষ্যভ্ৰষ্ট হোৱাটো স্বাভাৱিক।এনে স্বাভাৱিক ধাৰাৰ বিপৰীতে ইছলামিক পণ্ডিত, ব্যাখ্যাকাৰীসকলে বিভিন্ন সময়ত খাৰিজী সম্পৰ্কত মন্তব্য আগবঢ়াইছে। ডঃ নাছিৰ আল-আক্কালৰ মতে খাৰিজী হ'ল যিয়ে গুনাহৰ বাবে আন মুছলমানক কাফিৰ বুলি কয় আৰু মুছলিম শাসক আৰু সাধাৰণ লোকৰ অৰ্থাৎ জনগণৰ বিৰুদ্ধে বিদ্ৰোহ কৰে। তেওঁ আৰু কৈছে যে খাৰিজী নামটো যিদৰে পূৰ্বৰ খাৰিজীসকলৰ ক্ষেত্ৰত প্ৰযোজ্য, সেইদৰে সেইসকল ব্যক্তিৰ ক্ষেত্ৰতো প্ৰযোজ্য যিসকলে নিজৰ নীতি গ্ৰহণ কৰে আৰু তেওঁলোকৰ পন্থা অৱলম্বন কৰে। ইয়াৰ পৰা বুজিব পাৰি আচলতে খালেজী বা খাৰিজীসকল কোন? অৰ্থাৎ ধৰ্ম বা ভাষাত অথবা হজৰত আলী (ৰাঃ)ৰ আনুগত্য প্ৰকাশ নকৰাসকলে এই উপাধি লাভ কৰিছিল।

উল্লেখ্য যে ইছলামৰ প্ৰথম বাতিল দলটোৱে হ'ল খাৰেজী বা খাৰিজী। এই খাৰিজীসকলৰ উত্থান শেষ নবী হজৰত মহম্মদ (ছঃ)ৰ দিনতে উদ্ভৱ হৈছিল। কিন্তু সেয়া আছিল ব্যক্তি পৰ্যায়ৰ ঘটনা। ইয়াৰ প্ৰমাণ স্বৰূপে জাবিৰ ইবনে আব্দুল্লাহ (ৰাঃ)-এ বৰ্ণনা কৰা মতে— 'এবাৰ এজন লোক আল্লাহৰ ৰছুল হজৰত (ছঃ)ক 'জিৰানা' নামৰ ঠাইত সাক্ষাৎ কৰে। সেই সময়ত হজৰত মহম্মদ (ছঃ)-এ লুনায়নে'ৰ যুদ্ধৰ 'গণিমত'ৰ সামগ্ৰী বিতৰণ কৰি আছিল। চাহাবী বিলাল (ৰাঃ)-ৰ কাপোৰৰ ওপৰত ৰূপৰ টুকুৰাসমূহ ৰাখিছিল। ৰছুল (ছঃ)-এ সেয়া ৰাইজৰ মাজত মুষ্টিবদ্ধভাৱে মানুহক দান কৰি আছিল। তেতিয়া সেই লোকজনে তাতে উপস্থিত হৈ ক'লে, 'হে মহম্মদ! আপুনি আল্লাহক ভয় কৰক আৰু ন্যায় (ইনচাফ) বণ্টন কৰক।' ৰছুল (ছঃ) -এ তেতিয়া লোকজনক উদ্দেশি ক'লে, 'ধ্বংস হোৱা তুমি। আমি যদি ন্যায়-বিচাৰ নকৰো, কোনে কৰিব? আল্লাহৰ শপত, আমাৰ পাছত তোমালোকে কোনো এনে এজন লোক নাপাব, যিজনে আমাতকৈ বেছি ন্যায়পৰায়ণ হ'ব।' তেতিয়া ইছলামৰ শেষ নবী হজৰত মহম্মদ (ছঃ)ৰ কাষত থকা ওমৰ ফাৰুক (ৰাঃ)-এ ক'লে, 'হে আল্লাহৰ ৰছুল (ছঃ), আমাক অনুমতি দিয়ক, এই মুনাফিকৰ ডিঙি কাটি পেলাই দিওঁ।' তেতিয়া ইয়াৰ নবী, দুনীয়াৰ শ্ৰেষ্ঠ বিচাৰকজনে কৈছিল, 'নাই নহ'ব, আমি আল্লাহৰ ওচৰত আশ্ৰয় বিচাৰো, যদি সেয়া কৰা তেতিয়া মানুহে ক'ব আমি আমাৰ সতীৰ্থক হত্যা কৰি....।' ইছলামৰ শেষ নবী, মহান বিচাৰক, দয়ালু, মানৱ সমাজৰ আদৰ্শ স্বয়ং হজৰত মহম্মদ (ছঃ)ৰ বিচাৰৰ ওপৰত প্ৰশ্ন তোলা এই লোকজনে আছিল প্ৰথম খাৰিজী বা খাৰেজী। অৱশ্যে তেতিয়া প্ৰকাশ্যভাৱে এই মতবাদ প্ৰকাশ বা পোহৰলৈ অহা নাছিল। সেয়া যিয়েই নহওক, হজুৰ পাক (ছঃ)ৰ বিচাৰৰ ওপৰত প্ৰশ্ন তোলা এই পৰম্পৰা আজি প্ৰকাশ্যভাৱে, ইজনে-সিজনক, ইটো সংগঠনে সিটো সংগঠনক, এটা মজহৱে আনটো মজহৱক এই আখ্যা দি আহিছে। সেয়া চিন্তনীয় বিষয়। ইয়াৰ মাজতে মহান আল্লাহে শ্ৰেষ্ঠনবী হজৰত মহম্মদ (ছঃ)ৰ অচিলাই আমাক সকলোকে সাত্বিক মুছমানৰূপে জীৱন-যাপন কৰাত সহায় কৰক, সেয়া সকলোৱে কাম্য হোৱা উচিত।

*ফোন ঃ ৮৬৩৮৯১৯১৩৯*

### ■ জিলাখনত মুঠ ভোটাৰৰ সংখ্যা ১১ লাখ ৮৫ হেজাৰ ২৬৯ গৰাকী ভোটাৰ

# বৰপেটাৰ ছয় সমষ্টিত ২৫ হেজাৰ ভোটাৰ বৃদ্ধি

**বিশেষ সংবাদদাতা**

**বৰপেটা, ৬ জানুৱাৰী ঃ** বৰপেটা জিলাত ২৪ হেজাৰতকৈ অধিক ভোটাৰ বৃদ্ধি পাইছে। ৰাজ্যত ভোটাৰ তালিকাৰ বিশেষ সাৰাংশ সংশোধনী প্ৰক্ৰিয়াৰ অন্ততঃ জিলাখনত এইসকল ভোটাৰ বৃদ্ধি পাইছে। কালি এই কথা জানিবলৈ দিছে বৰপেটা জিলাৰ উপায়ুক্ত তেজ প্ৰসাদ ভূষালে। উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এখন সংবাদমেলত উপায়ুক্তই কয় যে সৰভোগ, বৰপেটা, জনীয়া, বাঘবৰ, সৰুক্ষেত্ৰী আৰু চেঙা বিধানসভা সমষ্টিৰে গঠিত বৰপেটা জিলাৰ সম্প্ৰতি মুঠ ভোটাৰৰ সংখ্যা হৈছে ১১ লাখ ৮৫ হেজাৰ ২৬৯ গৰাকী। পূৰ্বতে জিলাখনত ভোটাৰৰ সংখ্যা আছিল ১১ লাখ ৬০ হেজাৰ ২৮০ গৰাকী। জিলাখনত বৃদ্ধি পোৱা ভোটাৰৰ সংখ্যা হৈছে ২৪ হেজাৰ ৯৮৯ গৰাকী। সংবাদমেলত উপায়ুক্ত ভূষালে কয় যে বিশেষ সাৰাংশ সংশোধনী সময়ছোৱাত ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্তিৰ বাবে অনলাইনযোগে ৪৩ হেজাৰ ৭৭৫ গৰাকী লোকৰ পৰা প্ৰ-পত্ৰ লাভ কৰা হৈছিল। আনহাতে, অফলাইনৰ জৰিয়তে ৪৪ হেজাৰ ৬১৫ গৰাকী লোকৰ আবেদন প্ৰ-পত্ৰ লাভ কৰা হৈছিল। তেওঁ কয় যে যোৱা বৰ্ষৰ ৩০ নৱেম্বৰৰ পাছত মুঠ ১০ হেজাৰ ৯৭৯খন প্ৰ-পত্ৰ লাভ কৰাৰ বিপৰীতে ৩০ নৱেম্বৰৰ পূৰ্বে ৭৭ হেজাৰ ৪১১ খন প্ৰ-পত্ৰ লাভ কৰা হৈছিল। ইয়াৰে ৭৭ হেজাৰ ৪০৮ খন প্ৰ-পত্ৰ নিষ্পত্তি কৰা হয় আৰু তিনিখন প্ৰ-পত্ৰ নিষ্পত্তিৰ বাবে ৰৈ থাকে বুলি তেওঁ জানিবলৈ দিয়ে। তেওঁ কয় যে জিলাখনত ছয় নম্বৰ প্ৰ-পত্ৰৰ জৰিয়তে ৩৮ হেজাৰ ৭১ গৰাকী ভোটাৰ নতুনকৈ ভোটাৰ তালিকাত সন্নিৱিষ্ট কৰা হয় আৰু সাত নম্বৰ প্ৰ-পত্ৰৰ জৰিয়তে ১৩ হেজাৰ ৮২ গৰাকী ভোটাৰৰ নাম ভোটাৰ তালিকাৰ পৰা কৰ্তন কৰা হয়। জিলাখনত পূৰ্বতে পাঁচলাখ ৯৬ হেজাৰ ৯০২ জন পুৰুষ ভোটাৰ আৰু পাঁচলাখ ৬৩ হেজাৰ ৩৭৮ গৰাকী মহিলা ভোটাৰসহ মুঠ ১১ লাখ ৬০ হেজাৰ ২৮০ গৰাকী ভোটাৰ আছিল। সম্প্ৰতি জিলাখনত ছয় লাখ আঠহেজাৰ ৪২৮ জন পুৰুষ আৰু পাঁচলাখ ৭৬ হেজাৰ ৮১৪ গৰাকী মহিলা ভোটাৰসহ মুঠ ভোটাৰৰ সংখ্যা হৈছে ১১ লাখ ৮৫ হেজাৰ ২৬৯ গৰাকী। ৰাষ্ট্ৰীয় ভোটাৰ দিৱস ২০২২ৰ উপলক্ষে জিলাভিত্তিত অনুষ্ঠিত কৰা ভোটাৰ ফুটবল প্ৰতিযোগিতাত প্ৰথম বিভাগত কলগাছিয়াত ৰেডিয়েন্স একাডেমী চেম্পিয়ন হয়। আনহাতে, দ্বিতীয় বিভাগত বৰপেটাৰোডৰ জিএলচি কলেজ চেম্পিয়ন হয়। এই চেম্পিয়ন দল দুটাই ১১ আৰু ১২ জানুৱাৰীত বঙাইগাঁৱত অনুষ্ঠিত হ'ব লগা মণ্ডল পৰ্যায়ৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব।



*মালবাহী বাহনত যাত্ৰী কঢ়িয়াই নিয়াত পৰিবহণ বিভাগৰ বাধা, ওদালগুৰিত বৃহস্পতিবাৰে।*

## বৰহোলা মহাবিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ প্ৰাক্তন ছাত্ৰ সমাৰোহ সম্পন্ন সমিতি গঠন

**অগ্ৰদূত বাৰ্তা**

**বৰহোলা, ৬ জানুৱাৰী ঃ** বৰহোলা মহাবিদ্যালয়ৰ অন্যতম সক্ৰিয় আৰু অগ্ৰণী বিভাগ সমাজতত্ত্ব বিভাগে অলপতে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সমাৰোহখন অনুষ্ঠিত কৰে। বিভাগৰ জ্যেষ্ঠ অধ্যাপক দিলীপ কুমাৰ খাউণ্ডে সদৰী কৰা মতে, মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত ডিচেম্বৰৰ শেষত বিভাগটোৰ এখন সভা অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ শৈক্ষিক উপাধ্যক্ষ তথা বিভাগৰ প্ৰতিষ্ঠাপক অধ্যাপক দিলীপ কুমাৰ খাউণ্ডৰ সভাপতিত্বত অৰ্ধশতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলনখনৰ আঁত ধৰে আৰু উদ্দেশ্য ব্যাখ্যা কৰে বিভাগৰ মুৰব্বী অধ্যাপিকা নিভাৰাণী কলিতাই। আনহাতে, বন্তি প্ৰজ্বলন কৰে দিলীপ কুমাৰ খাউণ্ডে। সভাত অধ্যাপিকা চন্দ্ৰমা দেৱীয়ে কয় যে মহাবিদ্যালয়ৰ আৰু বিভাগটোৰ উন্নয়নত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ গুৰুত্ব অপৰিসীম। সভাপতিৰ ভাষণত দিলীপ কুমাৰ খাউণ্ডে ২০০২ত বিভাগত আৰম্ভ উচ্চমান বিষয় পঢ়ি ইতিমধ্যে দুই শতাধিক ছাত্ৰ-ছাত্ৰীয়ে কৃতিত্বৰে উত্তীৰ্ণ হৈ বিভাগলৈ গৌৰৱ কঢ়িয়াই অনাৰ লগতে নিজকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। বিভাগৰ পৰা উত্তীৰ্ণ হোৱা কে'বাজনো ছাত্ৰ-ছাত্ৰীয়ে উচ্চ শিক্ষা গ্ৰহণ কৰি সৰ্বভাৰতীয় পৰীক্ষাত উত্তীৰ্ণ হৈ মহাবিদ্যালয়ত সংস্থাপন লাভ কৰিছে। সভাত প্ৰাক্তন ছাত্ৰ প্ৰশান্ত বৰাই বক্তব্য ৰাখে। সভাতেই প্ৰশান্ত বৰাক সভাপতি, প্ৰণৱজ্যোতি শইকীয়া আৰু কৌস্তুৰী ৰাজখোৱাক উপ-সভাপতি হিচাপে লৈ ছাত্ৰ কোষ গঠন কৰি দায়িত্ব প্ৰদান কৰা হয়।

## গৰিয়া-মৰিয়াৰ স্মাৰক গ্ৰন্থ 'ভূমিপুত্ৰ'ৰ বাবে লেখা আহ্বান

**বিশেষ সংবাদদাতা**

**মঙলদৈ, ৬ জানুৱাৰী ঃ** সদৌ অসম গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদ, দৰং জিলা সমিতিৰ অহা ২৯ আৰু ৩০ জানুৱাৰীত অনুষ্ঠিত হ'ব দ্বিতীয় পূৰ্ণাংগ পাথৰিঘাট অধিবেশন। এই উপলক্ষে প্ৰকাশ পাবলগীয়া স্মাৰক গ্ৰন্থ 'ভূমিপুত্ৰ'ৰ বাবে সদাশয় লেখক-লেখিকাসকলৰ পৰা অসমৰ সমাজ জীৱনত গৰিয়া-মৰিয়া-দেশীসকলৰ অৱদান, ভূমিকা, লোক-কৃষ্টি, বিবাহ কাৰ্য, লোকাচাৰ, পৰম্পৰা, সংশ্লিষ্ট জনগোষ্ঠীকেইটাৰ মহিলাসকলৰ পদ-গীত-মাত ইত্যাদি বিষয় প্ৰমুখ্যে যথাসম্ভৱ চুটি লিখনি অহা ১৫ জানুৱাৰীৰ আগতে পঠিয়াবলৈ আহ্বান জনাইছে। ইতিমধ্যে লিখক এম হাফিজ আলীক সভাপতি, সাংবাদিক বাবুল মকছেদ আহমেদক সম্পাদক হিচাপে লৈ গঠিত সম্পাদনা সমিতিখনে গ্ৰন্থখনৰ কাম-কাজ আৰম্ভ কৰিছে। লিখনিসমূহ পঠিওৱাৰ ঠিকনা বাবুল মকছেদ আহমেদ, সম্পাদক, 'স্মাৰক গ্ৰন্থ ভূমিপুত্ৰ' প্ৰযত্নে ঃ মঙলদৈ প্ৰেছ ক্লাব, এক নম্বৰ ৱাৰ্ড, মঙলদৈ (জিলা পুথিভঁৰালৰ সন্মুখত) অথবা চাহাবুদ্দিন আহমেদ, সাধাৰণ সম্পাদক, সদৌ অসম গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদ, দৰং জিলা সমিতি, প্ৰযত্নেঃ দৰং জিলা সাহিত্য সভা প্ৰকল্প, মঙলদৈ, দৰং, ফোন নম্বৰ ৭০০২৬-৯৬৮৬৯, ৯১০১১-৫২৫৮৯।

## সাংস্কৃতিক কৰ্মীৰ বাসগৃহত চুৰি

**ছয়গাঁও, ৬ জানুৱাৰী ঃ** কামৰূপ জিলাৰ ছয়গাঁও আৰক্ষী থানাৰ অন্তৰ্গত কুকুৰমাৰাত নিশা এটা পৰিয়ালত কোনো নথকাৰ সুযোগ লৈ চোৰে সন্ত্ৰাস চলায়। কুকুৰমাৰা পহৰা চকীৰ নিচেই কাষৰ বিশিষ্ট সাংস্কৃতিক কৰ্মী তপন দাসৰ ঘৰত চুৰি কাৰ্য সংঘটিত হৈছে। পৰহি নিশা প্ৰায় ১০-৩০ বজাত কুকুৰমাৰা হাইস্কুলত চলি থকা 'ইতিহাস থিয়েটাৰ' শেষ কৰি ঘৰলৈ উভতি আহি চোৰৰ সন্ত্ৰাস দেখি হতবাক হয় দাসৰ পত্নী-কন্যা। ঘটনা প্ৰত্যক্ষ কৰি ওচৰতে থকা আৰক্ষী থানালৈ পত্নী দৌৰি যায়। আৰক্ষী বিষয়া বলেন কলিতাই নিশাই ঘৰটো পৰীক্ষা কৰে। পৰিয়ালৰ লোকে জনোৱা অনুসৰি ঘৰৰ মূল দৰ্জাৰ তলা ভাঙি চোৰে প্ৰৱেশ কৰিছিল। ঘৰৰ ভিতৰত থকা গডৰেজৰ তলা ভাঙি চোৰে সা-সামগ্ৰী লণ্ড-ভণ্ড কৰাৰ লগতে অন্য এটা কোঠাতো তাণ্ডৱ চলায়। অৱশ্যে চোৰে কি সামগ্ৰী নিছে সেয়া এতিয়ালৈকে জানিব পৰা হোৱা নাই যদিও দাসৰ পত্নীৰ মতে ইয়াৰ পূৰ্বেও তেওঁৰ গৃহত বহুবাৰ চোৰে তাণ্ডৱ চলাইছিল। ঘটনা সন্দৰ্ভত কুকুৰমাৰা আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। আনহাতে, আজি বিষয়টো ছয়গাঁৱৰ আৰক্ষী বিষয়া কপিল পাঠকে গুৰুত্বসহকাৰে লৈ ঘটনাস্থলী পৰিদৰ্শন কৰি তদন্ত আৰম্ভ কৰিছে।

## কৃষ্ণাইৰ দায়ৰং, ভেল্টাৰঘাটত বন্যহস্তীৰ সন্ত্ৰাস ঃ শংকিত ৰাইজ

### ■ বিধ্বস্ত ছয় পৰিয়ালৰ ঘৰ

**অগ্ৰদূত বাৰ্তা**

**কৃষ্ণাই, ৬ জানুৱাৰী ঃ** হাতী-মানুহৰ সংঘাতে বিধ্বস্ত কৰা গোৱালপাৰা জিলাত বন্যহস্তীৰ সন্ত্ৰাস কোনো নতুন কথা নহয়। জিলাখনত প্ৰায় প্ৰতি নিশাই বন্যহস্তীয়ে বহু পৰিয়ালৰ ঘৰ-দুৱাৰ ভাঙি ধ্বংসস্তূপত পৰিণত কৰি আহিছে। যাৰ পৰিপ্ৰেক্ষিতত বহু পৰিয়ালে ঘৰ-দুৱাৰ হেৰুৱাই মুকলি আকাশৰ তলত আশ্ৰয় ল'ব লগা পৰিৱেশৰ সৃষ্টি হৈছে। যোৱা নিশাও জিলাখনৰ কৃষ্ণাই আঞ্চলিক বন বিভাগৰ অন্তৰ্গত পশ্চিম দায়ৰঙৰ মিলনপাৰা তথা ভেল্টাৰঘাট গাঁৱত প্ৰায় ছটা পৰিয়াল গৃহহাৰা হৈছে বনৰীয়া হাতীৰ আক্ৰমণত। নিশা গাঁও দুখনৰ ৰাইজে শুই থকা অৱস্থাত প্ৰায় ৪০টা হাতীৰে গঠিত বন্যহস্তীৰ জাক এটাই আক্ৰমণ চলাই গাঁও দুখনত। প্ৰথমে হাতীৰ জাকটোৱে দীয়ৰং মিলপাৰা মৃগেন ৰাভাৰ ঘৰত আক্ৰান্ত চলায়। নিশা প্ৰায় ৩-৩০ বজাত সংঘটিত এই ঘটনাত পৰিয়ালটোৰ ঘৰ-দুৱাৰ বিধ্বস্ত কৰাৰ লগতে হাতীৰ জাকটোৱে প্ৰায় ২৫ মোন মান ধন খাই নষ্ট কৰে। ইয়াৰ

## আজিৰ পৰা বঙাইগাঁৱত তিনিদিনীয়াকৈ প্ৰাথমিক শিক্ষক সন্মিলনীৰ দ্বি-বাৰ্ষিক অধিবেশন

**অগ্ৰদূত বাৰ্তা**

**আজাৰা, ৬ জানুৱাৰী ঃ** অহা সাত জানুৱাৰীৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ ৪৩ সংখ্যক দ্বি-বাৰ্ষিক অধিবেশন বঙাইগাঁৱত অনুষ্ঠিত হ'ব। ৰাজ্যখনত সকলোৰে বাবে যাতে গুণগত শিক্ষা উপলব্ধ হয় তাৰ লক্ষ্যৰে আগন্তুক অধিবেশনত অসমৰ শিক্ষক সমাজে শিক্ষামন্ত্ৰীৰ উপস্থিতিত এক সংকল্প লোৱাৰ বাবে লক্ষ্য নিৰ্ধাৰণ কৰিছে। অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ সম্পাদকপ্ৰধান ৰাতুল চন্দ্ৰ গোস্বামীয়ে সদৰী কৰা মতে চৰকাৰী তথ্য অনুসৰি ৰাজ্যখনত বৰ্তমান ৭৮,০০০ হেজাৰ শিশু বিদ্যালয়ৰ বাহিৰত আছে। শিশু শ্ৰমিক বন্ধ আইন বলৱৎ হোৱাৰ পাছতো বেচৰকাৰী তথ্য অনুসৰি ১,৩৫,৬৭৭ জন শিশুৱে ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত শ্ৰমিকৰূপে নিয়োজিত হৈ আছে। এই বৃহৎ সমস্যাক প্ৰত্যাহ্বান হিচাপে গ্ৰহণ কৰি ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ৰ লক্ষ্য পূৰণৰ উদ্দেশ্যে বঙাইগাঁও অধিবেশনত অসমৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ উপস্থিতিত শিশু শ্ৰমিক বন্ধ, বিদ্যালয় বহিৰ্ভূত শিশুক বিদ্যালয়মুখী কৰি সকলোৰে বাবে গুণগত শিক্ষা প্ৰদানৰ লক্ষ্যৰে অসমৰ শিক্ষক সমাজ সংকল্পবদ্ধ হ'ব। প্ৰথম দিনা পতাকা উত্তোলনেৰে আৰম্ভ হ'ব লগা অধিবেশনত অৱসৰপ্ৰাপ্ত কৃতী শিক্ষকক সম্বৰ্ধনা, প্ৰদৰ্শনী আৰু গ্ৰন্থমেলা উন্মোচন, ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ বিষয়ক আলোচনাচক্ৰ, আঠ জানুৱাৰীত সাংস্কৃতিক শোভাযাত্ৰা, মুকলি সভা, গ্ৰন্থ উন্মোচনী সভা, দ্ৰোণাচাৰ্য, হীৰালাল পাটোৱাৰী, শিক্ষকশ্ৰী ভিডিঅ' প্ৰতিযোগিতাৰ বঁটা প্ৰদান অনুষ্ঠান আৰু ন জানুৱাৰীত বিষয় বাছনি সভাৰে অধিবেশনৰ অন্ত পৰিব। উল্লেখ্য যে অধিবেশনৰ তিনিওদিন পুৱা যোগ শিবিৰ অনুষ্ঠিত হ'ব।

## তিনিচুকীয়া নিৰ্বাচনী জিলাৰ চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ

**অগ্ৰদূত বাৰ্তা**

**তিনিচুকীয়া, ৬ জানুৱাৰী ঃ** তিনিচুকীয়া জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আজি সংবাদমেল সম্বোধন কৰি তিনিচুকীয়া নিৰ্বাচনী জিলাৰ তিনিচুকীয়া, ডুমডুমা আৰু ডিগবৈ বিধানসভা সমষ্টিৰ চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰে জিলা উপায়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া নৰসিং পৱাৰে। সংবাদমেলৰ জৰিয়তে উপায়ুক্তই সদৰী কৰা মতে তিনিচুকীয়া বিধানসভা সমষ্টিৰ নতুনকৈ ১,৪১৫ পুৰুষ ভোটাৰ, ২,০৭৮ গৰাকী মহিলা ভোটাৰ আৰু দুগৰাকী তৃতীয় লিংগৰ ভোটাৰ যোগে হৈছে। বিপৰীতে ডিগবৈ বিধানসভা সমষ্টিৰ ১,০২৩ পুৰুষ আৰু ১,৫২৭ গৰাকী মহিলা ভোটাৰ নতুনকৈ সংযোগ হৈছে। ইফালে, ডুমডুমা বিধানসভা সমষ্টিত ৯০৯ পুৰুষ আৰু ১,৫৫৮ গৰাকী মহিলা ভোটাৰ নতুনকৈ সংযোগ হৈছে। তিনিচুকীয়া নিৰ্বাচনী জিলাৰ তিনিচুকীয়া, ডুমডুমা আৰু ডিগবৈ তিনিওটা বিধানসভা সমষ্টিত সৰ্বমুঠ ৮,৫১২ গৰাকী ভোটাৰ নতুনকৈ সংযোগ হোৱাৰ লগতে তিনিওটা সমষ্টিতে মহিলা ভোটাৰৰ সংখ্যা পুৰুষৰ তুলনাত অধিক। সংবাদমেলখনত উপযুক্তৰ স'তে উপস্থিত থাকে অতিৰিক্ত জিলা নিৰ্বাচনী বিষয়া কংকনজ্যোতি শইকীয়া, অতিৰিক্ত উপায়ুক্ত মঞ্জিত বৰকাকতি।

## বাগ্‌সা জিলা এবছুৰ বাৰ্ষিক অধিবেশনক লৈ প্ৰস্তুতি তুংগত

### ■ বিভিন্ন ধৰ্মাৱলম্বী লোকৰ শ্ৰমদানেৰে কঢ়িয়াইছে সমন্বয়ৰ বাৰ্তা

**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ৬ জানুৱাৰী ঃ** অহা সাত, আঠ আৰু ন জানুৱাৰীত অনুষ্ঠিত হ'ব বাগ্‌সা জিলা নিখিল বড়ো ছাত্ৰ সন্থা চমুকৈ এবছুৰ বাৰ্ষিক অধিবেশন। খাৰিজা বিজনী এবছুৰ উদ্যোগত অনুষ্ঠিত হ'ব অধিবেশনখন। সেই উপলক্ষে খাৰিজা বিজনীৰ মইনামাতাৰ হেলচিগুৰীত প্ৰায় সম্পূৰ্ণ হৈ উঠিছে অধিবেশন কাম-কাজ। অধিবেশনস্থলীত বিভিন্ন ধৰ্মাৱলম্বী লোকে শ্ৰমদানেৰে কঢ়িয়াই আনিছে সমন্বয়ৰ বাৰ্তা। অধিবেশনত অংশগ্ৰহণকাৰীক আদৰিবলৈ নিৰ্মাণ কৰা হৈছে তোৰণ, প্ৰকাণ্ড মঞ্চ তথা মণ্ডপ। ইয়াৰ উপৰি বাগৰুম্বা নৃত্যৰ আখৰা অব্যাহত ৰাখিছে যুৱক-যুৱতীসকলে। অধিবেশনখনক লৈ তৎপৰ হৈ পৰিছে আয়োজক তথা এবছু কৰ্মীসকল। উল্লেখ্য যে অধিবেশনখনত বিটিআৰ প্ৰধান প্ৰমোদ বড়ো, এবছুৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি দীপেন বড়োৰ লগতে বহু সংখ্যক বিশিষ্ট অতিথি উপস্থিত থাকিব।



## অসম নাট্য সন্মিলন তেজপুৰ শাখাৰ সাধাৰণ সভা

### ■ নতুনকৈ শাখা সমিতি গঠন

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ৬ জানুৱাৰী ঃ** অসম নাট্য সন্মিলনৰ তেজপুৰ শাখাৰ এখন সাধাৰণ সভা পৰহি তেজপুৰ সাহিত্য সভা ভৱনত অনুষ্ঠিত হয়। বীৰেন্দ্ৰ কুমাৰ বৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সন্মিলনৰ তেজপুৰ শাখাৰ প্ৰাক্তন সম্পাদক দেৱব্ৰত শৰ্মাই। অসম নাট্য সন্মিলনৰ আজীৱন সদস্য তথা শিশু নাট্যকাৰ দ্বীজেন নাথ গুৱাহাটীত 'এনাজৰী বঁটা'ৰে সন্মানিত হোৱাৰ বাবে এই সভাতে সন্মিলনৰ তেজপুৰ শাখাই তেওঁক সম্ভাষণ জনায়। উল্লেখ্য যে সভাত সন্মিলনৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য মৃগেন চন্দ্ৰ বৰাই সন্মিলনৰ সাংগঠনিক দিশ সন্দৰ্ভত বক্তব্য আগবঢ়ায়। উক্ত সভাত নাট্য সন্মিলনৰ তেজপুৰ শাখাৰ নতুন কাৰ্যনিৰ্বাহক সমিতিখনো গঠন কৰা হয়। সেই অনুসৰি বাণ থিয়েটাৰৰ সভাপতি বংকিম শৰ্মা, অসম সাহিত্য সভাৰ প্ৰচাৰ সচিব পংকজ বৰুৱা আৰু বাণ থিয়েটাৰৰ সাধাৰণ সম্পাদক, জিতুমণি দেৱচৌধুৰী উপদেষ্টা, নাট্য সন্মিলনৰ তেজপুৰ শাখাৰ সভাপতিৰূপে বীৰেন্দ্ৰ কুমাৰ বৰা, কাৰ্যকৰী সভাপতি দেৱব্ৰত শৰ্মা, উপ-সভাপতি ভূপেন বৰুৱা, দ্বীজেন নাথ, সত্যদেৱ শৰ্মা, সম্পাদক জিণ্টু বৰঠাকুৰ, সহকাৰী সম্পাদকৰূপে হেমন্ত কুমাৰ শৰ্মাক লৈ নতুন সমিতিখন গঠন কৰা হয়। এই সভাতে অসম নাট্য সন্মিলনৰ আগন্তুক স্বৰ্ণপীঠ মণ্ডলৰ অধিবেশনত যোগদান সন্দৰ্ভতো আলোচনা কৰাৰ লগতে নাট প্ৰতিযোগিতাত তেজপুৰ শাখাৰ পৰা নাট্যকাৰ পৰমানন্দ ৰাজবংশীৰ 'উজনিৰ বামুণৰ প্ৰেম কাহিনী' শীৰ্ষক নাটকখন প্ৰতিভাশালী পৰিচালক গৌতম পাঠকৰ পৰিচালনাত পৰিৱেশনৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।



*আলোপতিত জব্দ চোৰাং কাঠ, বৃহস্পতিবাৰে।*

## মহম্মদ ৰফি স্মৃতি সংঘৰ প্ৰতিযোগিতা সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**বৰুৱাবামুণগাঁও, ৬ জানুৱাৰী ঃ** ১৯৯১ত প্ৰতিষ্ঠিত মহম্মদ ৰফি স্মৃতি সংঘই যোৱা দুই জানুৱাৰীত মহম্মদ ৰফিৰ ৯৭ সংখ্যক জন্ম দিৱস উদ্‌যাপনৰ লগতে সদৌ অসম ভিত্তিত এলানি প্ৰতিযোগিতা অনুষ্ঠিত কৰে। সংঘৰ সম্পাদিকা ড° প্ৰাপ্তি ঠাকুৰে জনোৱা মতে, প্ৰতিষ্ঠাৰ তিনি দশক অতিক্ৰম কৰা মহম্মদ ৰফি স্মৃতি সংঘই গুৱাহাটীৰ শিল্পগ্ৰামত অনুষ্ঠিত কৰা প্ৰতিযোগিতাত অসমৰ বিভিন্ন স্থানৰ যথেষ্ট সংখ্যক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। মহম্মদ ৰফি সংগীত প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে গুৱাহাটীৰ দীক্ষিতা শৰ্মাই। দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে ক্ৰমে গুৱাহাটীৰ ভাৰ্গৱী গোস্বামী আৰু বৰপেটাৰ দীপজ্যোতি দাসে। বিচাৰকৰ বিশেষ বঁটা লাভ কৰে ৰিতু আজমী, ৰেকিব আৰ কে বি আৰু পুষ্পিকা কলিতাই। ইপিনে, প্ৰথমবাৰৰ বাবে আয়োজন কৰা নিৰ্বাচিত গীতৰ নৃত্য প্ৰতিযোগিতাত পিয়ানা দাসে প্ৰথম, কমলিকা কাশ্যপে দ্বিতীয় আৰু শ্ৰুতি চলিহাই তৃতীয় স্থান লাভ কৰে। গৌৰৱ পাটোৱাৰী, কুহেলী সাহা আৰু সুযায়া স্নেহজিনে বিচাৰকৰ বিশেষ বঁটা লাভ কৰে। মহম্মদ ৰফিৰ প্ৰতিচ্ছবি অংকন প্ৰতিযেগিতাত তচনিম ফিৰদোচীয়ে প্ৰথম, নৱজ্যোতি দাসে দ্বিতীয় আৰু ৰিতুপৰ্ণ ৰয়ে, তৃতীয় স্থান অৰ্জন কৰে। সন্ধিয়া জুনিয়ৰ ৰফিখ্যাত ফাৰুক হুছেইনৰ লগতে শতৰূপা শেনচোৱা দাস আৰু চেমিয়া খাতুনৰ সংগীতানুষ্ঠানে সংগীতপ্ৰেমীসকলক মুগ্ধ কৰে। উল্লেখ্য যে মহম্মদ ৰফি স্মৃতি সংঘই জন্মলগ্নৰে পৰা মহম্মদ ৰফিক সুঁৱৰী প্ৰতিবছৰে বিভিন্ন অনুষ্ঠানৰ লগতে বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰি আহিছে।

## ঠেঙাল পৰিষদীয় নিৰ্বাচনৰ বাবে ৰাজ্য চৰকাৰৰ পৰ্যবেক্ষক নিযুক্তি

**তিতাবৰ, ৬ জানুৱাৰী ঃ** সমাগত ২০২২ৰ ঠেঙাল কছাৰী স্বায়ত্ত পৰিষদৰ নিৰ্বাচনৰ বাবে আজি ৰাজ্য চৰকাৰে যোৰহাট জিলাৰ সাধাৰণ পৰ্যবেক্ষক আৰু নিৰ্বাচনী ব্যয় পৰ্যবেক্ষকৰূপে মিথফোদ্দিন আহমেদক নিযুক্তি দিছে। অসম অসামৰিক সেৱাৰ বিষয়া তথা ৰাজ্য চৰকাৰৰ মীন বিভাগৰ যুটীয়া সচিবজনক পৰিষদীয় নিৰ্বাচনৰ পৰ্যবেক্ষকৰূপে নিযুক্তি দিয়াৰ বিষয়ে ৰাজ্য চৰকাৰে চৰকাৰী অধিসূচনাৰ জৰিয়তে অৱগত কৰিছে। প্ৰাৰ্থীসকলৰ নিৰ্বাচনী ব্যয় তথা কোনো ওজৰ-আপত্তি থাকিলে ৯৯৫৪৮২২০৭৭ নম্বৰত ফোনযোগে অভিযোগ দাখিল কৰিব পাৰিব বুলিও অৱগত কৰিছে।

## একাদশ অসম আৰক্ষী বাহিনীৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**দেৰগাঁও, ৬ জানুৱাৰী ঃ** একাদশ অসম আৰক্ষী বাহিনীৰ ৪৪সংখ্যক প্ৰতিষ্ঠা দিৱস কালি দিনজোৰা কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। বাহিনীটোৰ মুখ্য কাৰ্যালয়ৰ প্ৰাংগণত প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰা হয়। বৰ্তমান সময়ত অসমৰ ভিন্ন প্ৰান্তত বাহিনীটোৰ মুঠ ১২৪৭গৰাকী বিষয়া জোৱান কৰ্মৰত হৈ আছে। পুৱা স্মৃতি তৰ্পণ কাৰ্যসূচীৰে আৰম্ভ হোৱা প্ৰতিষ্ঠা দিৱসত উপস্থিত থাকে বিশেষ সঞ্চালক প্ৰধান এল আৰ বিষ্ণই, মহাপৰিদৰ্শক অনুৰাগ আগৰৱালা, প্ৰশিক্ষণ আৰু সশস্ত্ৰ শাখাৰ উপ-মহাপৰিদৰ্শক মইনুল ইছলাম মণ্ডলৰ লগতে জ্যেষ্ঠ আৰু কনিষ্ঠ বিষয়াসকল। দেৰগাঁওস্থিত এসময়ৰ কপাইতলি ফিল্ডত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত প্ৰতিষ্ঠা দিৱসত গায়ন-বায়নেৰে আদৰণি জনায় আৰক্ষী বিষয়া এল আৰ বিষ্ণয়ক। বিষয়াজনে প্ৰতিষ্ঠা দিৱসত ভাগ লৈ ভাষণ প্ৰদান কৰি আৰক্ষীয়ে নিজৰ দায়িত্ব নিষ্ঠা আৰু সততাৰে পালন কৰিবলৈ আহ্বান জনাই এই প্ৰতিষ্ঠা দিৱসতেই অধিনায়ক

## চিৰাঙত দুখীয়া শিক্ষাৰ্থী, ৰোগীৰ মাজত সুহৃদ আঁচনিৰ অধীনত চেক বিতৰণ

**অগ্ৰদূত বাৰ্তা**

**কাজলগাঁও, ৬ জানুৱাৰী ঃ** চিৰাং জিলাৰ সদৰ কাজলগাঁওস্থিত জিলা উপায়ুক্তৰ কাৰ্যালয় সভাকক্ষত যোৱা চাৰি জানুৱাৰীত ৰাজ্য চৰকাৰৰ স্থানান্তৰ আৰু উন্নয়ন বিভাগৰ উদ্যোগত জিলা প্ৰশাসনৰ সৌজন্যত দুখীয়া পৰিয়ালৰ শিক্ষাৰ্থী আৰু বিভিন্ন ৰোগত আক্ৰান্ত লোক মাজত চেক বিতৰণৰ অনুষ্ঠানত অনুষ্ঠিত হয়। অতিৰিক্ত উপায়ুক্ত খনিন্দ্ৰ দাসে আঁত ধৰা অনুষ্ঠানত জিলা উপায়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহৰ লগতে চিদলীৰ বিধায়ক জয়ন্ত বসুমতাৰী উপস্থিত থাকে। উল্লেখ্য যে চিৰাং জিলাত ৰাজ্য চৰকাৰৰ সুহৃদ আঁচনিত ২০১৯-২০২০ বিত্তীয় বৰ্ষত ৫০ লাখ টকা মঞ্জুৰি লাভ কৰাৰ লগতে ২০২০-২০২১ বিত্তীয় বৰ্ষত ২৫ লাখ টকা মঞ্জুৰ হৈছে। ২০১৯-২০২০ বিত্তীয় বৰ্ষত ৬২৫ গৰাকী দুখীয়া পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীৰ মাজত আঠ হেজাৰ টকাকৈ আৰু ২০২০-২০২১ বিত্তীয় বৰ্ষত ৬৫জন ছাত্ৰ-ছাত্ৰীক আঠ হেজাৰ টকাকৈ, লগতে চিকিৎসাৰ বাবে ১৬২ জনক ১০ হেজাৰ টকা আৰু ১৮ জনক ২০ হেজাৰ টকাৰ চেক প্ৰদান কৰা হয়। অনুষ্ঠানত উপায়ুক্ত শ্বাহে শিক্ষাৰ্থীসকলক প্ৰয়োজনীয় কিতাপপত্ৰ, নামভৰ্তিৰ লগতে অধ্যয়নৰ কামত আঁচনিৰ ধন ব্যৱহাৰ কৰিবলৈ আহ্বান জনোৱাৰ লগতে ৰোগীসকলক চিকিৎসা গ্ৰহণত সদ্ব্যৱহাৰ কৰিবলৈ আহ্বান জনায়। চিদলীৰ বিধায়ক জয়ন্ত বসুমতাৰীয়ে ৰাজ্য চৰকাৰে দুখীয়া পৰিয়ালৰ শিক্ষাৰ্থীৰ মাজত আৰু দুখীয়া পৰিয়ালৰ ৰোগত ভুগি থকা লোকসকলৰ মাজত আৰ্থিক সাহায্য প্ৰদান কৰা কাৰ্য আদৰণীয় বুলি উল্লেখ কৰে।

## ছাত্ৰ সন্থাই ৰাজ্যৰ সমস্যা সমাধানৰ বাবে দৃঢ়তাৰে যুঁজ দি আহিছে

### ■ নগাঁও সদৰ আঞ্চলিক ছাত্ৰ সন্থাৰ অধিবেশন

**বিশেষ সংবাদদাতা**

**নগাঁও, ৬ জানুৱাৰী ঃ** নগাঁও সদৰ আঞ্চলিক ছাত্ৰ সন্থাৰ ৩২ সংখ্যক বাৰ্ষিক অধিবেশন কালি নগাঁও ছহিদ ভৱনত অনুষ্ঠিত হয়। পুৱা পতাকা উত্তোলনৰে অধিবেশনৰ মুকলি কৰে সদৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ৰুবুল কাকতিয়ে। ছহিদ তৰ্পণ অনুষ্ঠান মুকলি কৰে সাধাৰণ সম্পাদক গৌতম বৰাই। প্ৰতিনিধি সভা মুকলি কৰি সদৌ অসম ছাত্ৰ সন্থাৰ তথ্য সম্পাদক মৃদুল হাজৰিকাই কয় যে সদৌ অসম ছাত্ৰ সন্থাই অবিৰতভাৱে অসমৰ জাতীয় সমস্যাসমূহ সমাধানৰ হকে সংগ্ৰাম কৰি আহিছে। হাজৰিকাই অসম চুক্তিৰ ছয় নম্বৰ দফা শীঘ্ৰে ৰূপায়ণ কৰিবলৈ চৰকাৰক দাবী জনায়। সদৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ৰুবুল কাকতিৰ সভাপতিত্বত অনুষ্ঠিত সভাত অংশগ্ৰহণ কৰি সদৌ নগাঁও জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক অমৰজ্যোতি ফুকনে কয় যে ছাত্ৰ সন্থাই দৃঢ়তাৰে অসমৰ সমস্যাসমূহ সমাধান কৰিবৰ বাবে সংগ্ৰাম কৰি আহিছে। অসমৰ জাতীয় সমস্যাসমূহ সমাধানৰ বাবে ছাত্ৰ সন্থাই নিৰন্তৰ সংগ্ৰাম অব্যাহত ৰাখিব। ছাত্ৰ সন্থাক দুৰ্বল কৰিবৰ বাবে একাংশই ষড়যন্ত্ৰ অব্যাহত ৰাখিছে। এই ষড়যন্ত্ৰ কেতিয়াও সফল নহয় বুলি মন্তব্য কৰি ফুকনে কয় যে আকাশৰ তৰা যেনেকৈ গণনা কৰি শেষ কৰিব নোৱাৰি, ঠিক তেনেকৈ ছাত্ৰ সন্থাৰ হেজাৰ হেজাৰ সদস্যক কোনেও গণনা কৰি শেষ কৰিব নোৱাৰে। ছাত্ৰ সন্থাৰ অসমৰ এক জাতীয় সত্তা। সদৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক গৌতম বৰাই উদ্দেশ্য ব্যাখ্যা কৰা সভাত আছুৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য ৰণ্টু শৰ্মা, সদৌ নগাঁও জিলা ছাত্ৰ সন্থাৰ সভাপতি গৌৰী শংকৰ শইকীয়া, সাহিত্য সম্পাদিকা স্নিগ্ধা শইকীয়া, সাংগঠনিক সম্পাদক সুৰুয ফুকন, নগাঁও মহকুমা ছাত্ৰ সন্থাৰ সভাপতি সীমান্ত বৰা, সম্পাদক তুলেন্দ্ৰ পাতৰ আদি কে'বাজনো ছাত্ৰ নেতাই অংশগ্ৰহণ কৰে। সন্ধিয়া অনুষ্ঠিত বিষয় বাছনি সভাত নগাঁও সদৰ আঞ্চলিক ছাত্ৰ সন্থাৰ নতুন কাৰ্যনিৰ্বাহ গঠন কৰা হয়। সেই অনুসৰি গৌতম বৰাক সভাপতি, দুলাল শৰ্মাক সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচন কৰা হয়। আনহাতে, প্ৰাক্তন সভাপতি ৰুবুল কাকতিৰ লগতে সুৰুয ফুকনক নগাঁও মহকুমা ছাত্ৰ সন্থালৈ নিৰ্বাচিত কৰা হয়।

## যমুনামুখ কেন্দ্ৰীয় শংকৰ মন্দিৰৰ নতুন পৰিচালনা সমিতি গঠন

**অগ্ৰদূত বাৰ্তা**

**যমুনামুখ, ৬ জানুৱাৰী ঃ** বৃহত্তৰ যমুনামুখ অঞ্চলৰ শংকৰী কৃষ্টিৰ চৰ্চাৰ কেন্দ্ৰস্থল যমুনামুখ কেন্দ্ৰীয় শংকৰ মন্দিৰ পৰিচালনা সমিতিখন নতুনকৈ গঠন কৰা হৈছে। এই উপলক্ষে অলপতে শংকৰ মন্দিৰ প্ৰাংগণত অঞ্চলটোৰ ভক্তপ্ৰাণ ৰাইজৰ উপস্থিতিত এক ৰাজহুৱা সভা অনুষ্ঠিত হয়। এই সভাতে সৰ্বসন্মত সিদ্ধান্ত মৰ্মে কমল বৰাক সভাপতি আৰু বিনোদ কুমাৰ আগৰৱালাক সম্পাদক হিচাপে লৈ ৬১ জনীয়া এখন পৰিচালনা সমিতি গঠন কৰা হয়। উল্লেখ্য যে বৰ্তমান যি স্থানত যমুনামুখ কেন্দ্ৰীয় শংকৰ মন্দিৰ ভাগ আছে সেই স্থানৰ নিচেই কাষৰে ৰেল বিভাগে এখন উৰণীয়া সেতু নিৰ্মাণ কৰি থকাত বিগত কে'বামাহ ধৰি মন্দিৰ বন্ধ ৰাখিব লগা হৈছে। সেয়েহে উক্ত সভাই নৱগঠিত পৰিচালনা সমিতিখনত নতুন এক স্থানত শংকৰ মন্দিৰ নিৰ্মাণৰ যাৱতীয় কাৰ্য ব্যৱস্থা গ্ৰহণৰ দায়িত্ব অৰ্পণ কৰে।

■ 'ভাঙিলে পকী বিদ্যালয় আৰু দুৰ্গা মন্দিৰ ■ শংকিত গঞ্জা ৰাইজ

# নুমলীগড়ত বন্যহস্তীৰ উপদ্ৰৱ অব্যাহত



**অগ্ৰদূত বাৰ্তা**

**নুমলীগড়, ৬ জানুৱাৰী ঃ** গোলাঘাট জিলাৰ বকিয়াল খণ্ড বন কাৰ্যালয়ৰ অধীনস্থ বৃহত্তৰ নুমলীগড় অঞ্চলত এটা বন্যহস্তীৰ সন্ত্ৰাস অব্যাহত আছে। যোৱা নিশাও পুনৰ উপদ্ৰৱ কৰি হাতীটোৱে এখন পকী বিদ্যালয়, এটা পকী মন্দিৰ আৰু চাৰিটা বাসগৃহ ধ্বংস কৰে। উল্লেখ্য যে সন্ধিয়া হোৱাৰ লগে লগেই হাতীটো জংঘলৰ পৰা ওলাই আহি গ্ৰামাঞ্চলত প্ৰৱেশ কৰি উপদ্ৰৱ সৃষ্টি কৰে। কেৱল ইমানেই নহয় হাতীটোৱে নিশা নিদ্ৰাৰত অৱস্থাত ঘৰ ভাঙি মানুহক বিচাৰি বিচাৰি মাৰিব ধৰিছে। হাতীৰ আক্ৰমণত যোৱা বৰ্ষটোত বগীঢলা চাহ বাগিচাৰ লাইন, বকিয়াল, চাৰি নম্বৰ ৰংবং আদি অঞ্চলত শিশু আৰু মহিলাসহ সৰ্বমুঠ ছগৰাকী লোকে প্ৰাণ হেৰুৱাইছে। তদুপৰি হাতীটোৱে নৱবৰ্ষৰ প'হিলা সপ্তাহটোতে এতিয়ালৈকে তিনিজন লোক শুই থকা অৱস্থাতে গচকি প্ৰাণ লয়। ইয়াৰ পাছৰে পৰা ৰাইজৰ মাজত আতংক বৃদ্ধি পাইছে। সৰ্বসাধাৰণ ৰাইজে সন্ধিয়া এন্ধাৰ নামি অহাৰ লগে লগেই ঘৰত থকাৰ পৰিৱেশ নোহোৱা হৈছে। কালিও সন্ধিয়া নামি অহাৰ লগে লগেই গুটিবাৰী বনাঞ্চলৰ পৰা হাতীটো ওলাই আহি প্ৰথমে চাৰি নম্বৰ ৰংবং পথাৰ প্ৰাথমিক বিদ্যালয়ৰ পকী দেৱাল ভাঙি প্ৰৱেশ কৰে আৰু ৰান্ধনী গৃহটো ভাঙি থান-বান কৰাৰ লগতে আচবাব বিনষ্ট কৰে। ইয়াৰ পাছতে চাৰি নম্বৰ ৰংবঙৰ বৃহত্তৰ অঞ্চলৰ মাজেৰে আহি ৰণচণ্ডী ৰূপ ধাৰণ কৰা হাতীটোৱে পংকা চাৰিআলি-নাহৰজান সংযোগী পথত থকা দুৰ্গা মন্দিৰৰ পকী দেৱাল ভাঙে। ইমানতে ক্ষান্ত নাথাকি হাতীটোৱে এফালৰ পৰা ক্ৰমে অৰূপ গোৱালা, চুণো ৰাজুৱাৰ, দুৰ্গেশ্বৰ ৰাজুৱাৰ আৰু অন্তুচ কৰ্মকাৰৰ বাসগৃহ মহটিয়াই ধ্বংস কৰে। ইয়াৰ পাছতহে বনকৰ্মীৰ এটা দল ঘটনাস্থলীত উপস্থিত হয় আৰু হাতীটোক কালিয়নি নৈ পাৰ কৰি পঠিয়ায়। কিন্তু আজি পুৱা পুনৰ হাতীটো গুটিবাৰী বনাঞ্চললৈ উভতি আহিছে। উল্লেখ্য যে ভীতিগ্ৰস্ত ৰাইজে হাতীয়ে ক'ৰিডৰ সলাই যিকোনো পথেৰে অহাৰ আতংকই বেছি ত্ৰাসৰ সৃষ্টি কৰিছে বুলি সাংবাদিকৰ আগত প্ৰকাশ কৰে। ইপিনে, বন বিভাগৰ লোকক বন্যহস্তীৰ উপদ্ৰৱৰ সবিশেষ জনোৱাৰ পাছতো ঘটনাস্থলীত উপস্থিত নহয় বুলিও একাংশ ৰাইজে অভিযোগ উত্থাপন কৰিছে।

## সৰুপথাৰ বিধানসভা সমষ্টিৰ ২০২২ৰ চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ

**সৰুপথাৰ, ৬ জানুৱাৰী ঃ** ভাৰতৰ নিৰ্বাচন আয়োগৰ নিৰ্দেশ অনুসৰি পহিলা জানুৱাৰী ২০২২ক ভিত্তিবৰ্ষ হিচাপে লৈ সৰুপথাৰ বিধানসভা সমষ্টিৰ ২০২২ৰ চূড়ান্ত ভোটাৰ তালিকা আজি প্ৰকাশ কৰা হয়। ধনশিৰি মহকুমাৰ মহকুমাধিপতি জাভিৰ ৰাহুল সুৰেশৰ পৌৰোহিত্যত মহকুমাধিপতিৰ সভাকক্ষত অনুষ্ঠিত এখন সভাত চূড়ান্ত ভোটাৰ তালিকাখন প্ৰকাশ কৰা হয়। বিভিন্ন ৰাজনৈতিক দলৰ উপস্থিতিত অনুষ্ঠিত এই সভাতে সৰুপথাৰ সমষ্টিৰ নিৰ্বাচনী বিষয়া কৃষাণ জ্যোতি ডেকাই সদৰী কৰা মতে, নতুন চূড়ান্ত ভোটাৰ তালিকা অনুসৰি সৰুপথাৰ বিধানসভা সমষ্টিৰ মুঠ ভোটাৰৰ সংখ্যা ২,৬৭,৫৪৪জন। ইয়াৰ ভিতৰত পুৰুষ ভোটাৰৰ সংখ্যা ১,৩৪,৭৯৬জন আৰু মহিলা ভোটাৰৰ সংখ্যা ১,৩২,৭৪৮গৰাকী। এই সংক্ষিপ্ত সংশোধনী প্ৰক্ৰিয়াত নতুনকৈ সংযোগ হোৱা ভোটাৰৰ সংখ্যা ৬,৬৭৬জন। লগতে ৬,৫৯৭জন লোকৰ নাম কৰ্তন হয়। ৰাইজৰ পৰিদৰ্শনৰ বাবে এই ভোটাৰ তালিকা ধনশিৰি নিৰ্বাচন পঞ্জীয়ন বিষয়াৰ কাৰ্যালয়ত ৰখাৰ উপৰি সহকাৰী নিৰ্বাচন পঞ্জীয়ন বিষয়া, বুথ পৰ্যায়ৰ বিষয়া আৰু সংশ্লিষ্ট ভোটকেন্দ্ৰসমূহতো যোগান ধৰা হৈছে।

## জাগীৰোডৰ নবহটীয়াত গঁড়ৰ মুক্ত বিচৰণ

■গঁড় খেদিবলৈ চাৰিটাকৈ হাতী ব্যৱহাৰ বন বিভাগৰ

**অগ্ৰদূত বাৰ্তা**

**জাগীৰোড, ৬ জানুৱাৰী ঃ** পবিতৰা অভয়াৰণ্যৰ পৰা আজি পুৱা ওলাই আহে এটা গঁড়। পুৱাৰ পৰা গঁড়টোৱে নবহটীয়া পথাৰত মুক্ত বিচৰণ কৰি থকাত শংকিত হৈছে স্থানীয় লোক। বন বিভাগে পুৱাৰে পৰা গঁড়টো পুনৰ পবিতৰা অভয়াৰণ্যলৈ ঘূৰাই নিয়াৰ বাবে চেষ্টা অব্যাহত ৰাখিছে। গঁড়টো খেদিবলৈ বন বিভাগে পবিতৰা অভয়াৰণ্যৰ পৰা চাৰিটাকৈ হাতী আনি ব্যৱহাৰ কৰে যদিও সন্ধিয়া পৰ্যন্ত পবিতৰালৈ ওভতাই নিব পৰা নাই গঁড়টো। স্থানীয় ৰাইজে উল্লেখ কৰা মতে গঁড়টোৱে খাদ্যৰ সন্ধানত ওলাই আহিছে অভয়াৰণ্যৰ বাহিৰলৈ। উল্লেখ্য যে দীৰ্ঘদিন ধৰি পবিতৰা অভয়াৰণ্যৰ ভিতৰচ'ৰা গৰুৰ বিচৰণস্থলী হৈ পৰাত অভৰাৰণ্যত ঘাঁহনিৰ পৰিমাণ কমি আহিছে। সেয়ে ঘাঁহৰ অভাৱৰ বাবে গঁড়টো অভয়াৰণ্যৰ বাহিৰলৈ ওলায় আহি জনাঞ্চলত মুক্ত বিচৰণ কৰিছে বুলি অভিযোগ কৰিছে।

## বান্দৰদেৱা-হাৰমতীত হোটেলত অসামাজিক কাৰ্য

■ লখিমপুৰ উপায়ুক্তক ব্যৱস্থা লোৱাৰ দাবী-আছুৰ

**অগ্ৰদূত বাৰ্তা**

**বান্দৰদেৱা, ৬ জানুৱাৰী ঃ** লখিমপুৰ অসম-অৰুণাচলৰ সীমান্তৱৰ্তী বান্দৰদেৱা আৰু হাৰমতীৰ একাংশ হোটেল চলি আছে নাৰীৰ ৰমৰমীয়া বেহা। একাংশ হোটেলৰ গৰাকীৰ নেতৃত্বত চলা হোটেলৰ নাৰী বেহাৰ চক্ৰটো উৎখাত কৰিবলৈ আহৰি নাই অসম আৰক্ষীৰ। হাৰমতী আঞ্চলিক ছাত্ৰ সন্থাই কৰা অভিযোগত বান্দৰদেৱা আৰু হাৰমতী অঞ্চলৰ সামাজিক পৰিৱেশ বিনষ্ট কৰি একাংশ স্বাৰ্থপৰ, সুবিধাবাদী লোকে অসামাজিক কাৰ্য-কলাপত লিপ্ত হৈছে।অসমৰ বিভিন্ন জিলাৰ লগতে চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশৰ পৰা যুৱতী আহি বান্দৰদেৱাৰ অসম-অৰুণাচলৰ দুয়োফালে থকা হোটেলত বাহৰপাতি অসামাজিক কামত লিপ্ত হোৱা হৈছে। তদুপৰি হাৰমতীতো নাৰীবেহাৰ চক্ৰটো গা কৰি উঠিছে। হাৰমতী আৰু খেৰাজখাত সীমান্ত আঞ্চলিক ছাত্ৰ সন্থাই বান্দৰদেৱা আৰু হাৰমতীত আৰক্ষীৰ সহযোগত তালাচী চলাই হোটেলৰ নাৰীবেহা চক্ৰ উৎখাত কৰাৰ লগতে হোটেলৰ বহু বিসংগতি ধৰা পেলায়। আৰক্ষীয়ে হোটেলসমূহত উপযুক্তভাৱে তালাচী নকৰাৰ বাবেই আজি কিছুদিন ধৰি হোটেলসমূহত অসামাজিক বৃদ্ধি পাই আহিছে। উল্লেখ্য যে এমাহ পূৰ্বে বান্দৰদেৱাস্থিত হোটেল গংগা প্লেইচত আছুৱে অভিযান চলোৱাত চাৰিগৰাকী যুৱতীৰ স'তে তিনিজন লোকক উদ্ধাৰ কৰিছিল। আছুৱে হোটেলৰ পৰা উদ্ধাৰ কৰা চাৰিগৰাকী যুৱতী নগাঁও জিলাৰ। পুনৰ কালি এক গোপন খবৰ ভিত্তিত হাৰমতীস্থিত হোটেল ৰেহান উপস্থিত হয় হাৰমতী আঞ্চলিক ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ আৰু অনুসূচিত জাতি ছাত্ৰ সন্থাৰ কৰ্মকৰ্তাসকল। জাতীয় সংগঠনৰ সদস্যৰ লগতে হাৰমতী আৰক্ষী হোটেলখনত উপস্থিত হৈ তিনিগৰাকী নাৰী, তিনিজন পুৰুষ উদ্ধাৰ কৰে। লখিমপুৰ জিলাৰ উপায়ুক্তক আছুৱে বান্দৰদেৱা আৰু হাৰমতীত গা কৰি উঠা অসামাজিক কাৰ্য-কলাপৰ ৰোধৰ বাবে জৰুৰী কাৰ্য ব্যৱস্থা লোৱাৰ দাবী জনাইছে।

## প্ৰকৃতিৰ স'তে সহযোগ নকৰিলে উচ্চ চৈতন্য সম্পন্ন নৱজাতিৰ আৱিৰ্ভাৱ হ'ব ঃ শৰ্মা

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ৬ জানুৱাৰী ঃ** ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ দৰ্শন অধ্যয়ন কেন্দ্ৰৰ পুষ্পলতা দাস প্ৰেক্ষাগৃহত মহাযোগী অৰবিন্দৰ ১৫০ বছৰীয়া জন্মজয়ন্তী উপলক্ষে আজি এক মনোজ্ঞ বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। সাহিত্য একাডেমীৰ অনুবাদ সাহিত্যৰ বঁটাপ্ৰাপক তথা ৰামকৃষ্ণ পৰমহংস, স্বামী বিবেকানন্দ আৰু মহাযোগী অৰবিন্দৰ অনুগামী দিগন্ত বিশ্ব শৰ্মাই উক্ত বক্তৃতাত অধ্যাপক, অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকলক মহাযোগী অৰবিন্দৰ দৰ্শন আৰু ব্যক্তিত্বৰ বিষয়ে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ দৰ্শন অধ্যয়ন কেন্দ্ৰৰ অধ্যাপিকা মানশ্ৰী চেতিয়াই আঁত ধৰা অনুষ্ঠানত বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক আৰু দৰ্শন অধ্যয়ন কেন্দ্ৰৰ সঞ্চালক ড° চন্দন কুমাৰ শৰ্মাই আদৰণি ভাষণ পাঠ কৰে। লগতে অধ্যাপিকা মানশ্ৰী চেতিয়াই বক্তা দিগন্ত বিশ্ব শৰ্মাৰ গুণৰাজিৰ বিষয়ে দু-আষাৰ বহলাই কয়। বুৰঞ্জী বিভাগৰ অধ্যাপিকা ড° জাহ্নৱী গগৈ নাথে সঞ্চালনা কৰা অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° লীলাকান্ত নাথে অনুষ্ঠানৰ মুকলি কৰাৰ পূৰ্বে পঞ্জীয়ক ড° জিতেন হাজৰিকাই নিজ অভিব্যক্তি প্ৰকাশ কৰে। ভাষণ সুবক্তা, দিগন্ত বিশ্ব শৰ্মাই কয় যে মানুহৰ অন্তঃজীৱনত প্ৰৱেশ কৰাটো ইমান সহজসাধ্য নহয়। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ দৰ্শন অধ্যয়ন কেন্দ্ৰৰ উদ্যোগত আয়োজিত এই বক্তৃতানুষ্ঠানৰ শেষত ছাত্ৰ-ছাত্ৰীসকলৰ স'তে দিগন্ত বিশ্ব শৰ্মাই মতবিনিময় কৰি সৌষ্ঠৱ বৃদ্ধি কৰে। উল্লেখ্য যে সাহিত্যিক, বক্তা দিগন্ত বিশ্ব শৰ্মাই ডিব্ৰুগড় বিশ্ববিদ্যালয়ত আজি তৃতীয়বাৰৰ বাবে বক্তৃতানুষ্ঠানত অংশগ্ৰহণ কৰিছে।

## ১৬ জানুৱাৰীত বাহনা উচ্চ মাধ্যমিক বালক বিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ মুকলি অনুষ্ঠান

**ষ্টাফ ৰিপ'টাৰ**

**যোৰহাট, ৬ জানুৱাৰী ঃ** উত্তৰ-পূব যোৰহাটৰ শৈক্ষিক দিশৰ বাটকটীয়া অনুষ্ঠান বাহনা উচ্চ মাধ্যমিক বালক বিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ মুকলি অনুষ্ঠান ১৬ জানুৱাৰীত উদ্‌যাপন কৰা হ'ব। কাৰ্যসূচী অনুসৰি ১৯৪৬তে প্ৰতিষ্ঠা হোৱা বিদ্যালয়খনৰ ৭৫ বৰ্ষপূৰ্তি উপলক্ষে পুৱা ৭৫খন পতাকা আৰু বিদ্যালয়ৰ পতাকা উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি ড° প্ৰসন্ন কুমাৰ দত্ত, অৱসৰী শিক্ষক, প্ৰাক্তন শিক্ষাৰ্থী, বিদ্যালয়ৰ প্ৰধান শিক্ষক তথা সমিতিৰ সাধাৰণ সম্পাদক পুনাৰাম শইকীয়াই উত্তোলন কৰিব। ইয়াৰ পাছতে স্মৃতি তৰ্পণ কৰিব অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষকদ্বয় উপেন্দ্ৰনাথ হাজৰিকা, ইছমাইল আলীয়ে। উক্ত অনুষ্ঠানত প্ৰাক্তন শিক্ষাৰ্থীৰ উদ্যোগত নিৰ্মাণ হ'বলগীয়া মূল প্ৰৱেশদ্বাৰৰ আধাৰশিলা স্থাপন কৰিব ড° প্ৰসন্ন কুমাৰ দত্তই। আনহাতে, গছপুলি ৰোপণ কৰিব সমাজকৰ্মী ডিম্বেশ্বৰ বৰাই আৰু 'মহাৰজত জয়ন্তী'ৰ শীৰ্ষক গীত উন্মোচন কৰিব শিল্পী জয়ন্ত নাথে। উদ্‌যাপন সমিতিৰ সভাপতি হিতেন্দ্ৰনাথ গোস্বামীৰ সভাপতিত্বত হ'বলগীয়া আৰম্ভণি অনুষ্ঠান উদ্বোধন কৰিব শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে। উক্ত সভাত নতুন শিক্ষানীতি ঃ প্ৰয়োজনীয়তা আৰু সম্ভাৱনা শীৰ্ষক বক্তৃতা প্ৰদান কৰিব শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সৌমাৰজ্যোতি মহন্তই আৰু বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰিব বিজ্ঞান লেখিকা তথা অৱসৰপ্ৰাপ্ত অধ্যাপিকা ড° অদিতি বেজবৰুৱাই।

## চেলেংহাটত ছাত্ৰ-ছাত্ৰীক ক'ভিড প্ৰতিষেধক প্ৰদান

**চেলেংহাট, ৬ জানুৱাৰী ঃ** সমগ্ৰ ৰাজ্যৰ লগতে আজিৰ পৰা যোৰহাট জিলাৰ চেলেংহাটতো ক'ভিড সংক্ৰমণ ৰোধ কৰাৰ লক্ষ্যৰে ১৫ৰ পৰা ১৮ বছৰৰ ছাত্ৰ-ছাত্ৰীসকলক ক'ভিড প্ৰতিষেধক দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিছে। ক'ভিড মহামাৰীৰ বাবে বিগত বৰ্ষৰ দৰে এই বছৰো উচ্চ আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত যাতে প্ৰভাৱ নপৰে তাৰ বাবে ৰাজ্য চৰকাৰে লৈছে এই পদক্ষেপ। আজি চেলেংহাট ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ স্বাস্থ্য কৰ্মীসকলে চেলেংহাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নৱম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈকে মুঠ ১৮৩ জন ছাত্ৰ-ছাত্ৰীক ক'ভিড প্ৰতিষেধক প্ৰদান কৰে। স্বাস্থ্য কেন্দ্ৰখনৰ জ্যেষ্ঠ চিকিৎসক আফাজ আহমেদ বিদ্যালয়খনৰ অধ্যক্ষ দিগন্ত কুমাৰ শইকীয়াৰ লগতে সমূহ কৰ্মচাৰীৰ উপস্থিতিত স্বাস্থ্যকৰ্মী পূৰ্ণিমা গগৈয়ে ছাত্ৰ-ছাত্ৰীসকলক প্ৰতিষেধক প্ৰদান কৰে।

## মঙলদৈত এল পি জি টেংকাৰৰ পৰা ২.১ কুইণ্টল গাঞ্জা জব্দ

**বিশেষ সংবাদদাতা**

**মঙলদৈ, ৬ জানুৱাৰী ঃ** দৰং জিলা আৰক্ষীয়ে যোৱা নিশা এখন এল পি জি গেছৰ খালী টেংকাৰৰ পৰা দুই কুইণ্টল ১০ কেজি গাঞ্জা জব্দ কৰে। যোৱা নিশা প্ৰায় ১০-৩০ বজাত আৰক্ষীয়ে তালাচী চলোৱাৰ পাছতে এখন গেছ টেংকাৰত অতি কৌশলেৰে লুকাই অনা অৱস্থাত গাঞ্জাখিনি উদ্ধাৰ কৰে। ওদালগুৰিৰ দিশৰ পৰা অহা কে-০১ এ এইছ-০৩৫৩ নম্বৰৰ টেংকাৰখনে গাঞ্জাখিনি ক'লৈ নিব আনিছিল সেই বিষয়ে জানিব পৰা হোৱা নাই। ভাৰত চৰকাৰ বুলি লিখা থকা টেংকাৰখনৰ চালক আৰু তেওঁৰ সহযোগী উত্তৰ প্ৰদেশৰ বীৰেন্দ্ৰ বাৰ্মা (৩১ আৰু আকাশ যাদৱ (২৭)ক আৰক্ষীয়ে ইতিমধ্যে গ্ৰেপ্তাৰ কৰিছে।

## ডিমৌৰ ৰাইচাইত মহিলাৰ দ্বাৰা 'সাৱিত্ৰী সত্যবান' ভাওনাৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**ডিমৌ, ৬ জানুৱাৰী ঃ** ডিমৌৰ ৰাইচাইত গ্ৰাম্য ক্ৰীড়াংগন চৌহদত অহা ১০ ফেব্ৰুৱাৰীত মহিলাসকলৰ দ্বাৰা সাৱিত্ৰী সত্যবান' নামৰ ভাওনা প্ৰদৰ্শন কৰা হ'ব। দিনজোৱা কাৰ্যসূচীৰে অনুষ্ঠিত ভাওনা সফল কৰিবলৈ যোৱা ২৯ ডিচেম্বৰত অনুষ্ঠিত হোৱা ৰাজহুৱা সভাৰ সৰ্বসন্মতিক্ৰমে উদ্‌যাপন সমিতি গঠন কৰা হয়। থাওৰা সমষ্টিৰ বিধায়ক সুশান্ত বৰগোহাঁইক মুখ্য পৃষ্ঠপোষক, প্ৰমোদ চন্দ্ৰ গোস্বামীক সভাপতি, ড° দিগন্ত গগৈক কাৰ্যকৰী সভাপতি, ইন্দ্ৰ দিহিংগীয়া আৰু বিতুপন চাংমাইক যুটীয়া সম্পাদকৰূপে লৈ এখন ৩১ জনীয়া সমিতি গঠন কৰা হয়। কাইলৈৰ পৰা ভাওনাৰ আখৰা আৰম্ভ হ'ব।

## বিশ্বনাথত প্ৰয়াত গোপেন বৰাৰ স্মৃতিচাৰণ সভা ঃ 'স্মৃতিৰ সুৱাস' শীৰ্ষক স্মৃতিগ্ৰন্থ উন্মোচন

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ৬ জানুৱাৰী ঃ** বিশ্বনাথ চাৰিআলিৰ মধুপুৰ নিবাসী ভাৰতীয় ষ্টেট বেংকৰ উচ্চ পদস্থ বেংক বিষয়া প্ৰয়াত গোপেন বৰাৰ যোৱা পাঁচ জানুৱাৰীত স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। শিশু শিল্পী ঈশানভী শ্যাম কাশ্যপ (জিক্‌মিক)পৰিৱেশন কৰা গায়ত্ৰীমন্ত্ৰৰে আৰম্ভ হোৱা অনুষ্ঠানত প্ৰয়াত গোপেন বৰাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰে অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী মীনাক্ষী গোস্বামীয়ে। বিশ্বনাথ চাৰিআলি শাখা সাহিত্য সভাৰ সভাপতি কমল ভূঞাৰ সভাপতিত্বত অনুষ্ঠিত স্মৃতিচাৰণ সভাৰ আঁত ধৰি উদ্দেশ্য ব্যাখ্যা কৰে স্মৃতিগ্ৰন্থ সম্পাদনা সমিতিৰ সম্পাদক বেদদীপ উপাধ্যায়ে। অনুষ্ঠানত সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ কালজয়ী গীত 'মানুহে মানুহৰ বাবে' সমূহীয়া পৰিৱেশন কৰে মুন্মী বৰা, মধুস্মিতা বৰা আৰু দীপিকা উপাধ্যায়ে। ইয়াৰ পাছত দক্ষ অভিনেতা, কবি প্ৰয়াত গোপেন বৰাৰ স্মৃতিত প্ৰকাশ কৰি উলিওৱা 'স্মৃতিৰ সুবাস' স্মৃতি গ্ৰন্থ উন্মোচন কৰে শিক্ষাবিদ প্ৰভাত গগৈয়ে। অনুষ্ঠানত গোপেন বৰাৰ পৰিয়ালৰ সদস্যৰ হৈ ৰেখা বৰা, দীপালি বৰা, মুন্মী বৰা, মধুস্মিতা বৰাৰ উপৰি দিলীপ বৰকটকী, ৰূপা বৰকটকী, থুলেশ্বৰ গোস্বামী, লোকেশ্বৰী ডেকা, অসীম হাজৰিকা আদি বিশিষ্ট ব্যক্তিয়ে প্ৰয়াত বৰাক সুঁৱৰি বক্তব্য ৰাখে।

## হাউলীত হস্তনিৰ্মিত পিষ্টল উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**

**হাউলী, ৬ জানুৱাৰী ঃ** হাউলী আৰক্ষীয়ে কালি এটা হস্তনিৰ্মিত পিষ্টলসহ এজনক গ্ৰেপ্তাৰ কৰে। হাউলী আৰক্ষীয়ে উল্লেখ কৰা অনুসৰি নিশা হাউলী আৰক্ষী থানাৰ অন্তৰ্গত ইটাৰভিটাত অভিযান চলায়। উক্ত অভিযানত ছালাম আলীৰ গোহালি ঘৰৰ পৰা হস্তনিৰ্মিত পিষ্টলটো উদ্ধাৰৰ লগতে তেওঁক গ্ৰেপ্তাৰ কৰে। ঘটনা সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে বুলি সদৰী কৰিছে। ইফালে, এই সমগ্ৰ ঘটনাত কোনো দুষ্ট চক্ৰৰ পৰিকল্পিত বুলি দাবী কৰিছে পৰিয়ালৰ লোকে। পৰিয়াল তথা স্থানীয় লোকৰ অভিযোগ মতে, হাউলীৰ চুলতান আলী আৰু হাউলী থানাৰ গাড়ী চালক ছহিদুল ইছলামে এই ঘটনা সংঘটিত কৰিছে। ইতিমধ্যে ঘটনা সন্দৰ্ভত আমছুৱে বৰপেটা জিলা আৰক্ষী অধীক্ষকৰ লগতে উপায়ুক্তক স্মাৰকপত্ৰ প্ৰদান কৰি চুলতান আলী আৰু ছহিদুল ইছলামৰ বিৰুদ্ধে উচিত তদন্ত কৰি কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে।

## ফিল'বাৰীৰ টঙানী সোণজানত মহিলাক দলবদ্ধ ধৰ্ষণ

■ধৰ্ষিতাই থানাত দাখিল কৰিলে এজাহাৰ

**অগ্ৰদূত বাৰ্তা**

**তিনিচুকীয়া, ৬ জানুৱাৰী ঃ** তিনিচুকীয়া জিলাৰ ফিল'বাৰী আৰক্ষী থানাৰ অন্তৰ্গত টঙানী সোণজান গাঁৱত পহিলা জানুৱাৰীৰ নিশা এক দলবদ্ধ ধৰ্ষণকাণ্ডৰ ঘটনা সংঘটিত হৈছিল। বনভোজ খাই থকা স্থানৰ পৰা সন্তানক ঘৰলৈ আনিবলৈ যোৱাৰ পথৰ পৰাই দুজন লোকে এগৰাকী ৩৫ বছৰীয়া মহিলাক মুখত সোপা দি, চকুত ক'লা কাপোৰ বান্ধি পথাৰৰ মাজলৈ নি দলবদ্ধ ধৰ্ষণ কৰাৰ গুৰুতৰ অভিযোগ কৰিছে ভুক্তভোগী মহিলাগৰাকীয়ে। ইফালে, ঘটনা সন্দৰ্ভত ফিল'বাৰী আৰক্ষী থানাত ভুক্তভোগী মহিলাগৰাকীৰ কন্যাই পিছদিনাই এখন এজাহাৰ দাখিল কৰিছিল যদিও আৰক্ষীয়ে কোনোধৰণৰ গুৰুত্ব নিদিয়াৰ অভিযোগ কৰিছে স্থানীয় ৰাইজে। ফলত যোৱা নিশা ভুক্তভোগী মহিলাগৰাকীয়ে ফিল'বাৰী আৰক্ষী থানাত উপস্থিত হৈ আৰক্ষীক পুনৰ এজাহাৰ প্ৰদান কৰে। ইফালে, ঘটনাৰ দিনা নিশা জনৈক মৰাণ আৰু জনৈক খাড়িয়া নামৰ দুজন লোকে মহিলাগৰাকীক নদীৰ সমীপৰ এখন পথাৰলৈ নি দলবদ্ধ ধৰ্ষণ কৰি অচেতন কৰি পেলাই থোৱা বুলি মহিলাগৰাকীয়ে অভিযোগ কৰিছে যদিও এই সমগ্ৰ ঘটনাৰ ক্ষেত্ৰত ফিল'বাৰী আৰক্ষীৰ ভূমিকা সন্দেহৰ আৱৰ্তত বুলি স্থানীয় লোকসকলে অভিযোগ উত্থাপন কৰিছে।



*প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দীৰ্ঘায়ু কামনাৰে নলবাৰীৰ বিল্বেশ্বৰ দেৱালয়ত মহাযজ্ঞ বিজেপি সমৰ্থকৰ, বৃহস্পতিবাৰে।*

## বাঁহেৰে স্কুটাৰ নিৰ্মাণ কৰিছে যুৱকে

■ বাঁহেৰে হেলিকপ্টাৰ নিৰ্মাণৰো পৰিকল্পনা

■ **দ্বিজেন ডেকা**

**ঘগ্ৰাপাৰ, ৬ জানুৱাৰী ঃ** অতীতৰ তেনেই চিনাকি বাজাজ স্কুটাৰখন এতিয়া আৰু দেখিবলৈ দুৰ্লভ। সম্প্ৰতি নিউ মডেলৰ ভিন্নৰঙী বাহনেৰে ভৰি পৰিছে বজাৰ। প্ৰতিটো পৰিয়ালতে এখন নিউ মডেলৰ অত্যাধুনিক মটৰ চাইকেল দেখিলেও নেদেখিব তাহানিৰ মধ্যবিত্ত লোকৰ তেনেই এখন বাজাজ স্কুটাৰ। তাহানিৰ বাজাজ স্কুটাৰখন আজিৰ প্ৰজন্মৰ বাবে যেন ইতিহাস হৈ পৰিল। সেই বাজাজ স্কুটাৰখনেই যেন সকলো লোকৰে আশা ভৰসাৰ স্থল আছিল। কিন্তু সেই এই স্কুটাৰখন হয়তো এতিয়া সংগ্ৰহালয়ৰ আলহী। তেনে এখন বাজাজ স্কুটাৰ নিৰ্মাণ কৰি উলিয়াইছে নলবাৰীৰ এজন যুৱকে। এই যুৱকজনেবাঁহেৰে নিৰ্মাণ কৰি উলিয়াইছে এখন বাজাজ স্কুটাৰ। বাঁহ- বেতৰ শিল্পী হিচাপে জনাজাত যুৱকজনে নিখুঁতভাৱে সাজি উলিয়াইছে এই স্কুটাৰখন। মেহবুব আলী নামৰ যুৱকজনে কৰি দেখুৱালে এক অসাধাৰণ কাম। নলবাৰীৰ জানিগোগ গাঁৱৰ চাইফ আলীৰ পুত্ৰ মেহবুব আলী নামৰ যুৱকজনে হাতে-কামে কৰি দেখুৱাই দিলে এই কাম।বাঁহ-বেতৰ সামগ্ৰী নিৰ্মাণত পাকৈত নলবাৰীৰ জানিগোগ গাঁৱৰ ৩০ বছৰীয়া যুৱকজনে পিতৃৰ পদাংক অনুকৰণ কৰিয়েই সৰুৰে পৰা মনোনিবেশ কৰিছিল সুনিপুণ বাঁহ-বেতৰ শিল্পী হোৱাৰ। সেইমৰ্মে পিতৃৰ সহযোগত শেহতীয়াকৈ নিৰ্মাণ কৰি উলিওৱা বাজাজ স্কুটাৰখন নিৰ্মাণৰ কথা জানিয়েই গুৱাহাটী মহানগৰীৰ পূৰ্বাঞ্চল হস্ত উদ্যোগে বাজাজ স্কুটাৰখন আগবাঢ়ি আহিল ক্ৰয় কৰিবলৈ। ৪৫ হেজাৰ টকাত ক্ৰয় কৰাৰ বাবে চুক্তিবদ্ধ হৈছে এই উদ্যোগটোৱে। ২০ হেজাৰৰো অধিক টকা ব্যয় কৰি পিতৃৰ সহযোগত মেহবুবে ১৫ দিনত নিৰ্মাণ সমাপ্ত কৰি উলিওৱা স্কুটাৰখন নিৰ্মাণৰ পূৰ্বে ছফুট উচ্চতাৰ এগৰাকী মাছমৰীয়া ছোৱালী বাঁহ-বেতেৰে নিৰ্মাণ কৰি সমাদৃত হৈছিল। বাঁহ-বেতেৰে ছফুট উচ্চতাৰ মাছমৰীয়া ছোৱালী নিৰ্মাণ কৰাৰ পাছত ৩৫ হেজাৰ টকাত গোৱাত বিক্ৰী কৰিছিল। যুৱকজনৰ এনে অসাধাৰণ কৃতিত্ব দেখি অভিভূত হৈ পৰিছে স্থানীয় লোকসকলেও। পৰবৰ্তী সময়ত মেচিন লগাই বাঁহেৰে উৰিব পৰা হেলিকপ্টাৰ নিৰ্মাণৰ পৰিকল্পনা মনতে পুহি ৰাখিছে এইজন যুৱকে।



## নগৰবেৰাৰ কল্যাণপুৰত দিন দুপৰতে চুৰিকাণ্ড

■ আ-অলংকাৰ, নগদ ধন লুট

**আলোপতি, ৬ জানুৱাৰী ঃ** কামৰূপ জিলাৰ বকো সমষ্টিৰ নগৰবেৰা আৰক্ষী থানাৰ অন্তৰ্গত কল্যাণপুৰ গাঁৱত আজি দিন দুপৰতে সংঘটিত হৈছে এক চুৰিকাণ্ডৰ ঘটনা। গাঁওখনৰ শ্বাহজাহান আলীৰ ঘৰত চোৰে ঘৰৰ দুৱাৰ ভাঙি ভিতৰত প্ৰৱেশ কৰি আ-অলংকাৰৰ লগতে নগদ ৩০ হেজাৰ টকা লুটি নিয়ে। চোৰে প্ৰায় লক্ষাধিক টকাৰ সা-সম্পত্তি লুটি নিয়াৰ কথা ব্যক্ত কৰিছে পৰিয়ালৰ লোকে। ঘৰত কোনো নথকাৰ সুযোগ লৈ সংঘটিত কৰে এই চুৰিকাণ্ড। ইতিমধ্যে ঘটনাস্থলীত নগৰবেৰা আৰক্ষী উপস্থিত হৈ চুৰিকাণ্ডৰ বুজ লৈ তদন্ত অব্যাহত ৰাখিছে।

## কৃষিকৰ্মৰে বছৰি ১০ লাখ উপাৰ্জন শিক্ষিত যুৱক অমূল্যৰ

**অগ্ৰদূত বাৰ্তা**

**টিহু, ৬ জানুৱাৰী ঃ** চৰকাৰী চাকৰিৰ বাবে অপেক্ষা নকৰি কৰ্মমুখী প্ৰচেষ্টাৰে টিহু মহকুমাৰ পশ্চিম নামবৰভাগৰ বৰপীতৰ শিক্ষিত যুৱক অমূল্য বৰ্মনে কৃষিকৰ্মত জড়িত হৈ স্বাৱলম্বী হোৱাৰ চেষ্টা অব্যাহত কৰা ৰাখিছে। নিজৰ বেছি কৃষিভূমি নথকা সত্বেও আনৰ পৰা আদি-ঠিকাত লোৱা মাটিত ধান খেতি কৰি উদ্যোমী যুৱক বৰ্মনে এইবাৰ ৭৫০ মোন উৎপাদন কৰিবলৈ সক্ষম হৈছে। তদুপৰি আলু খেতি কৰিছে। বৰ্মনে উঠি অহা যুৱক-যুৱতীসকলক চাকৰিমুখী নহৈ নিজৰ ঘৰৰ পৰি থকা মাটিখিনিত বা নিজৰ নাথাকিলেও আনৰ পৰা আধি লৈ হ'লেও বছৰেকৰ বিভিন্ন সময়ত প্ৰয়োজনীয় পাচলিৰ খেতি প্ৰণালীবদ্ধভাৱে কৰিবলৈ আহ্বান জনায়। তেওঁ বছৰৰ ১২ মাহে বিভিন্ন ধৰণৰ খেতি কৰি আহিছে। ইতিমধ্যে তেওঁ পাঁচ বিঘা মাটিত আলু, ৬০ বিঘা মাটিত সৰিয়হ, ৬০



বিঘা মাটিত ধান খেতি কৰাৰ উপৰি নহৰু, কবি, মটৰ আদি বিভিন্ন খেতি কৰিছে। কিন্তু যি সময়ত চৰকাৰখনে নিবনুৱা যুৱক-যুৱতী অথবা কৃষকৰ বাবে বিভিন্ন আঁচনিৰ ঢাক-ঢোল বজাই আছে সেই সময়তে যুৱকজনে কোনো চৰকাৰী সহায় লাভ কৰা নাই। যুৱকজনে বছৰেকত বিভিন্ন ধৰণৰ খেতি কৰি প্ৰায় আঠ-১০ লাখ টকা উপাৰ্জন কৰিছে। তদুপৰি তেওঁ হাঁহ, কুকুৰা, গৰু, ছাগলী আদি পালন কৰিছে। যুৱকজনে পিতৃ-মাতৃ, পত্নীসহ এগৰাকী কন্যা সন্তানৰে বাস কৰি আছে। তেওঁ বৰ্তমানলৈকে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ঘৰ, অনাময় শৌচাগাৰ, বিশুদ্ধ খোৱাপানী আদিৰ লগতে কৃষিকৰ্মৰৰ সা-সঁজুলি, ব্ৰীজ আদি কোনো ধৰণৰ সুবিধায়ে লাভ কৰা নাই। আনকি তেওঁৰ ঘৰলৈ অহা-যোৱা কৰা পথটোও বাৰিষা একাঁঠুলৈ পানীত বুৰ গৈ থাকে।






# দ্বিতীয় টেষ্ট জয়ৰে সমতা দক্ষিণ আফ্ৰিকাৰ





## সাত উইকেটত পৰাস্ত ভাৰত ঃ অধিনায়ক এলগাৰৰ অপৰাজিত বিজয়সূচক ইনিংছ

**জোহান্সবাৰ্গ, ৬ জানুৱাৰী ঃ** দক্ষিণ আফ্ৰিকাই ভাৰতৰ বিৰুদ্ধে খেলা দ্বিতীয় টেষ্টখনত সাত উইকেটত জয়লাভ কৰি শক্তিশালী প্ৰত্যাৱৰ্তনৰে তিনিখনীয়া শৃংখলাটোত ১-১ ত সমতা স্থাপন কৰিছে। উল্লেখ্য যে ভাৰতে দক্ষিণ আফ্ৰিকাৰ সন্মুখত দিয়া ২৪০ ৰাণৰ বিজয়লক্ষ্য অনুসৰণ কৰি আজি চতুৰ্থ দিনা বৰ্ষা বিঘ্নিত মেচত ঘৰুৱা দলে দ্বিতীয় ইনিংছত তিনি উইকেটৰ বিনিমিয়ত ২৪৩ ৰাণ কৰি সাত উইকেটত জয়লাভ কৰে আৰু তিনিখনীয়া শৃংখলাটোত ১-১ ত সমতা স্থাপন কৰে। উল্লেখ্য যে আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ অন্তৰ্গত দক্ষিণ আফ্ৰিকা আৰু ভাৰতীয় ক্ৰিকেট দলৰ মাজৰ এই তিনিখনীয়া টেষ্ট শৃংখলাৰ প্ৰথমখন টেষ্টত টীম ইণ্ডিয়াই দক্ষিণ আফ্ৰিকাক ১১৩ ৰাণৰ ব্যৱধানত পৰাস্ত কৰি শৃংখলাত ১-০ ৰ অগ্ৰগতি লৈছিল। দ্বিতীয় টেষ্টৰ দক্ষিণ আফ্ৰিকাৰ বিজয়ত মূখ্য ভূমিকা লয় অধিনায়ক এলগাৰে। দ্বিতীয় ইনিংছত ৯৬ ৰাণৰ অপৰাজিত ইনিংছ খেলি দলক বিজয় দিয়াত এংকৰৰ দায়িত্ব লয় অধিনায়কজনে। আনহাতে, তেওঁক সুন্দৰ সহযোগ কৰে ৪০ ৰাণ কৰা ডুছান আৰু অপৰাজিত ২৩ ৰাণ কৰা বাভুমাই। উল্লেখ্য যে কালি তৃতীয় দিনাৰ খেলৰ অন্তত দক্ষিণ আফ্ৰিকাই মাৰ্কৰাম (৩১ৰ আৰু পীটাৰছেন (২৮ৰ ৰ উইকেট দুটা হেৰুৱাই ১১৮ ৰাণ কৰিছিল। উইকেটত দৃঢ়তাৰে বেটিং কৰি আছিল এলগাৰে (৪৬ৰঙ্গ আজি বৰষুণৰ বাবে মেচ পলমকৈ আৰম্ভ হয়। কিন্তু দুই অপৰাজিত বেটছমেন এলগাৰ আৰু ডুছানে ভাৰতীয় বলাৰক সহজে খেলি মেচ নিজৰ আয়ত্ব লৈ আনে। উল্লেখ্য যে টেষ্টখনত দক্ষিণ আফ্ৰিকাই ভাৰতৰ বিৰুদ্ধে প্ৰথম ইনিংছত ২৭ ৰাণৰ গুৰুত্বপূৰ্ণ অগ্ৰগতি লাভ কৰিছিল। ভাৰতৰ প্ৰথম ইনিংছৰ ২০২ ৰাণৰ প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকাই ২২৯ ৰাণত প্ৰথম ইনিংছ সামৰিলেও অগ্ৰগতি লৈ চাপত পেলায় ভাৰতক। ইফালে, প্ৰথম ইনিংছত বেটিং ব্যৰ্থতাৰ সন্মুখীন হোৱা ভাৰতে দ্বিতীয় ইনিংছতো সফল নহ'ল। ২৬৬ ৰাণতে দ্বিতীয় ইনিংছ সামৰে ভাৰতে। উল্লেখ্য যে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে প্ৰথম টেষ্টত জয়লাভ কৰি আত্মবিশ্বাসী হৈ থকা ভাৰতে চলিত তিনিখনীয়া শৃংখলাৰ দ্বিতীয়খন টেষ্টত কিন্তু নিজৰ দৃঢ়তা ধৰি ৰাখিবলৈ সক্ষম নহ'ল। দক্ষিণ আফ্ৰিকাত ভাৰতে পূৰ্বে টেষ্ট শৃংখলা জয় কৰা নাই। প্ৰথম টেষ্ট জয়ৰে সুযোগ পাইছিল যদিও দ্বিতীয় টেষ্টত পৰাস্ত হোৱাত নিৰ্ণায়ক তৃতীয় টেষ্টত ভাৰতহে চাপত থাকিব।

### ইংলণ্ডৰ বিৰুদ্ধে এছেজ শৃংখলাৰ চতুৰ্থ টেষ্ট

## ৪১৬-৮ ৰাণত প্ৰথম ইনিংছ ঘোষণা অষ্ট্ৰেলিয়াৰ, খাৱাজাৰ শতক

**ছিডনী, ৬ জানুৱাৰী ঃ** অষ্ট্ৰেলিয়াই চলিত এছেজ শৃংখলাৰ চতুৰ্থখন টেষ্টতো দৃঢ় আৰম্ভণি কৰি শক্তিশালী স্থিতিত উপনীত হৈছে। ছিডনীত চলি থকা টেষ্টখনৰ আজি দ্বিতীয় দিনা অষ্ট্ৰেলিয়াই আঠ উইকেটত ৪১৬ ৰাণ কৰি প্ৰথম ইনিংছ ঘোষনা কৰে। ইফালে, দ্বিতীয় দিনাৰ খেলৰ অন্তত ইংলণ্ডে প্ৰথম ইনিংছ আৰম্ভ কৰি ১৩ ৰাণ কৰিছে কোনো উইকেট নেহেৰুৱাকৈ। উল্লেখ্য যে টেষ্টখনৰ প্ৰথমদিনা মাত্ৰ ৪৬.৫ অভাৰৰ খেলহে সম্ভৱ হৈছিল আৰু পোনতে বেটিং কৰা অষ্ট্ৰেলিয়াই প্ৰথম দিনা তিনি উইকেট হেৰুৱাই সংগ্ৰহ কৰিছিল ১২৬ ৰাণ। আজি ঘৰুৱা দলৰ হৈ উস্মান খাৱাজাই ১৩৭ ৰাণৰ শতকীয় ইনিংছ খেলাৰ বিপৰীতে ষ্টিভ স্মিথে ৬৭ ৰাণ কৰে। ইংলণ্ডৰ হৈ ষ্টুৱাৰ্ট ব্ৰডে পাঁচটা উইকেট দখল কৰে। উল্লেখ্য যে চলিত এছেজ শৃংখলাৰ প্ৰথম দুখন টেষ্টত অষ্ট্ৰেলিয়াই বিধ্বস্ত কৰিছিল ইংলণ্ডক। অষ্ট্ৰেলিয়াই শৃংখলাৰ প্ৰথমখন টেষ্টত ন উইকেটত জয়লাভ কৰাৰ পাছত দ্বিতীয় টেষ্টত ইংলণ্ডে ২৭৫ ৰাণত পৰাজয় স্বীকাৰ কৰে। আনহাতে, শৃংখলাৰ তৃতীয়খন টেষ্টত জয়লাভ কৰি ৩-০ ৰ অগ্ৰগতিৰে শৃংখলা জয় নিশ্চিত কৰিছিল কেংগাৰু বাহিনীয়ে। বক্সিং ডে টেষ্টখনত অষ্ট্ৰেলিয়াই এক ইনিংছ আৰু ১৪ ৰাণত ইংলণ্ডৰ বিৰুদ্ধে জয়লাভ কৰে। অষ্ট্ৰেলিয়াই প্ৰথম তিনিখন টেষ্টত জয়ী হৈ ইতিমধ্যে এছেজ শৃংখলা দখল কৰাত বাকী থকা দূয়োখন টেষ্ট এতিয়া কাৰ্যতঃ গুৰুত্বহীন।





### ধেমাজিত খেলিব আন্তঃজিলা জে কে বৰুৱা ট্ৰফী

## মাজুলী জিলাৰ প্ৰথমটো ১৯ অনূৰ্দ্ধ ক্ৰিকেট দল ঘোষণা

অগ্ৰদূত বাৰ্তা

**মাজুলী, ৬ জানুৱাৰী ঃ** মাজুলী জিলাৰ ক্ৰীড়া ইতিহাসত আজি প্ৰথমবাৰৰ বাবে মুকলি হ'ল ক্ৰিকেট দলৰ জাৰ্চী । উল্লেখ্য যে অসম ক্ৰিকেট সন্থাই মাজুলী জিলাক এখন ক্ৰিকেট জিলা ৰূপে স্বীকৃতি দিয়াৰ পাছত আজি প্ৰথমটো ১৯ বছৰ অনূৰ্দ্ধ দলৰ খেলুৱৈসকলৰ নাম ঘোষণা কৰা হয় । এই উপলক্ষে আজি মাজুলী মিনি ষ্টেডিয়াম, গড়মূৰত মাজুলী জিলা ক্ৰিকেট সন্থাৰ এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয় । জিলা ক্ৰিকেট সন্থাৰ সভাপতি জিতেন্দ্ৰ নাথ ডেকাৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ আঁত ধৰে সন্থাৰ উপ-সভাপতি প্ৰতাপ বৰুৱাই । সভাত জিলা ক্ৰিকেট সন্থাৰ সাধাৰণ সম্পাদক মনোজ বৰাই অসম ক্ৰিকেট সন্থাৰ নীতি-আদৰ্শৰে মাজুলী জিলা ক্ৰিকেট সন্থাই গ্ৰহণ কৰা কাৰ্যক্ৰমণিকা ব্যাখ্যা কৰে । ইয়াৰ পাছত আজি প্ৰথমবাৰৰ বাবে মাজুলী জিলা ক্ৰিকেট সন্থাই জিলা ক্ৰিকেট দলৰ জাৰ্চী আনুষ্ঠানিকভাৱে মুকলি কৰে । মাজত মাজুলী বুলি লিখা বগা ৰঙৰ জাৰ্চী জিলা ক্ৰিকেট সন্থাৰ সভাপতি জিতেন্দ্ৰ নাথ ডেকা আৰু সম্পাদক মনোজ বৰাই মুকলি কৰে । সভাত অসম ক্ৰিকেট সন্থাৰ অধীনত অহা আঠ জানুৱাৰীৰ পৰা ধেমাজিত হ'ব লগা জে কে বৰুৱা ১৯ বছৰ অনূৰ্দ্ধ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ বাবে মাজুলী দলটোৰ নাম আনুষ্ঠানিকভাৱে ঘোষণা কৰা হয় । ঘোষণা কৰা মাজুলী দলটো হ'ল - অম্লান বৰা, কৌস্তুভমণি দাস, বাবুল পামেগাম, ৰাজ জ্যোতি দাস, হৃকেশ হাজৰিকা, পংকজ ঘোষ, সুৰজিত পায়েং, অংকুৰমণি শইকীয়া, ওম প্ৰকাশ বৰা, নয়নজ্যোতি শইকীয়া, ৰাতুল পায়ুন, ধৰ্মৰাজ পায়েং, পদ্মধৰ পায়ুন, দিগন্ত দত্ত, হেমকান্ত বৰা, দেৱজিত বৰা, অচিন্ত শ্যামল শইকীয়া, গৌতম বৰা । ষ্টেণ্ডবাই নীলোৎপল পাদুন আৰু দেৱাশীষ ঘোষ । দলটোৰ মেনেজাৰ লক্ষ্যজিৎ হাজৰিকা, প্ৰশিক্ষক বিনোদ বেজ আৰু ফিজিঅ' দেৱাশীষ বৰা। আজি ঘোষিত মাজুলীৰ দলটো কাইলৈ পুৱা ধেমাজিলৈ ৰাওনা হ'ব আৰু অহা আঠ জানুৱাৰীত প্ৰথমখন খেল বিশ্বনাথ জিলাৰ সৈতে খেলিব।




## বিধায়ক কাপ ফুটবলত বিহপুৰীয়া দল চেম্পিয়ন

অগ্ৰদূত বাৰ্তা

**বিহপুৰীয়া, ৬ জানুৱাৰী ঃ** বিহপুৰীয়া সমষ্টি বিধায়ক খেল উন্নয়ন সমিতিৰ উদ্যোগত বিহপুৰীয়া বিধান সভা সমষ্টি ভিত্তিত অনুষ্ঠিত হোৱা বিধায়ক কাপ প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ আজি চূড়ান্ত খেল নাৰায়ণপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত হয় । উল্লেখ্য যে সমষ্টিটোৰ চাৰিটা স্থানত মুঠ ১৬ টা ফুটবল দলৰ মাজত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাৰ চূড়ান্ত খেলখন বিহপুৰীয়া ফুটবল একাদশ আৰু শিমলুগুৰি ক্ৰীড়া সন্থাৰ মাজত অনুষ্ঠিত হয় । ফাইনেলত বিহপুৰীয়া ফুটবল একাদশে শিমলুগুৰি ক্ৰীড়া সন্থাক টাইব্ৰেকাৰৰ জৰিয়তে ৩-২ গ'লত পৰাস্ত কৰি বিজয়ীৰ সন্মান লাভ কৰে । বিজয়ী দলক নগদ ৩১ হেজাৰ টকা, ট্ৰফী আৰু মানপত্ৰৰে পুৰস্কৃত কৰাৰ বিপৰীতে ৰাণাৰ্চ আপ দলক নগদ ২১ হেজাৰ টকা আৰু মানপত্ৰৰে পুৰস্কৃত কৰা হয় । শ্ৰেষ্ঠ খেলুৱৈ হিচাপে নিৰ্বাচিত বিহপুৰীয়া ফুটবল একাদশৰ দিবাকৰ দেউৰীক পাঁচ হেজাৰ টকাৰে পুৰস্কৃত কৰা হয় । এই প্ৰতিযোগিতাতে কুমুদ শইকীয়া আৰু জগত গগৈৰ সম্পাদনাৰে প্ৰকাশ কৰি উলিওৱা বিধায়ক কাপ ফুটবল শীৰ্ষক স্মৰণিকা উন্মোচন কৰা হয় । ফাইনেলত বিধায়ক অমিয় কুমাৰ ভূঞাৰ লগতে সাংসদ প্ৰদান বৰুৱা, বিধায়ক মানৱ ডেকা আৰু ফুটবল খেলুৱৈ থমচন লাংথাচাই অংশগ্ৰহণ কৰে।

## জিলাৰ চেম্পিয়ন হৈ দ্বিতীয় ৰাউণ্ডত বঙাইগাঁও ক্ৰিকেট প্ৰশিক্ষণ কেন্দ্ৰ

**গুৱাহাটী, ৬ জানুৱাৰী ঃ** বঙাইগাঁও ক্ৰিকেট প্ৰশিক্ষন কেন্দ্ৰই ২৬ ৰাণত ৰেলৱে ৱৰ্কশ্বপ স্প'ৰ্টছ ক্লাবক পৰাস্ত কৰি চলিত চতুৰ্থ অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ জিলা চেম্পিয়ন হৈ দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে। আজি হোৱা ফাইনেলত পোনতে বেটিং কৰি বঙাইগাঁও ক্ৰিকেট প্ৰশিক্ষন কেন্দ্ৰই ২২২-৭ ৰাণ কৰে। প্ৰত্যুত্তৰত, ৰেলৱে ৱৰ্কশ্বপ স্প'ৰ্টছ ক্লাবে ১৯৬ ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে মুঠ ৭৫ লাখ টকা প্ৰাইজমানি থকা এ চি এৰ প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ ক্ৰিকেট প্ৰতিযোগিতাখন তিনিটা স্তৰত অনুষ্ঠিত হ'ব। প্ৰথম ৰাউণ্ডৰ মেচ অনুষ্ঠিত হৈছে জিলা, ছাব ডিভিজন, বিশ্ব বিদ্যালয় পৰ্যায়ত। প্ৰথম ৰাউণ্ডৰ পাছত দ্বিতীয় স্তৰত হ'ব মাণ্ডলিক ৰাউণ্ডৰ মেচ। এইবাৰ দুটা স্থানত কৰা হ'ব মাণ্ডলিক ৰাউণ্ডৰ মেচ। এ চি এৰ মুঠ মণ্ডলৰ সংখ্যা কিন্তু ছটা। উল্লেখ্য যে প্ৰথম স্তৰত যিসলক চেণ্টাৰত চতুৰ্থ অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ খেল হ'ব প্ৰতিটো কেন্দ্ৰৰ পৰা এটাকৈ দল যোগ্যতা অৰ্জন কৰিব মাণ্ডলিক ৰাউণ্ডৰ মেচলৈ। অহাবৰ্ষৰ ২৮ জানুৱাৰীৰ পৰা ১৫ ফেব্ৰুৱাৰীলৈ হ'ব ছটা মণ্ডলৰ খেলসমূহ। আনহাতে, এই ছটা মণ্ডলৰ পৰা শীৰ্ষ দুটাকৈ দল অৰ্থাৎ ১২ দলে খেলিব ফাইনেল ৰাউণ্ডৰ মেচ। ফাইনেল ৰাউণ্ড আৰম্ভ হ'ব ১০ মাৰ্চৰ পৰা ১০ এপ্ৰিললৈ। চতুৰ্থ অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ চেম্পিয়ন দলে লাভ কৰিব ১০ লাখ টকা। ৰানাৰ্ছআপ দলে পাঁচ লাখ টকা। ছেমিফাইনেলত পৰাস্ত হোৱা দল দুটাই দুই লাখকৈ। মাণ্ডলিক স্তৰৰ চেম্পিয়ন দলে ডেৰ লাখ তথা ৰানাৰ্ছআপ দলে এক লাখ টকা পাব। আনহাতে, জিলাৰ চেম্পিয়ন দলে লাভ কৰিব এক লাখ।



### জে কে বৰুৱা আন্তঃজিলা ক্ৰিকেট

## তিতাবৰৰ বিৰুদ্ধে নগাঁৱৰ ৮৩ ৰাণত জয়

অগ্ৰদূত বাৰ্তা

**বেবেজীয়া, ৬ জানুৱাৰী ঃ** অসম ক্ৰিকেট সন্থাৰ উদ্যোগত আৰু নগাঁও ক্ৰীড়া সংস্থাৰ ব্যৱস্থাপনাত নুৰুল আমিন ষ্টেডিয়ামত চলি থকা ১৯ বছৰ অনূৰ্দ্ধ জে কে বৰুৱা ট্ৰফী আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ মধ্য অসম মণ্ডলৰ আজিৰ খেলত নগাঁও দলে তিতাবৰক ৮৩ ৰাণত পৰাজিত কৰে।খেলখনত নগাঁও দলে টছত জিকি পোনতে বেট ধৰি ৩৭.১অভাৰত সকলোকেইটা উইকেটৰ বিনিময়ত ১৯১ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত তিতাবৰ দলে বেট ধৰি ৩১.১ অভাৰত সকলোকেইটা উইকেট হেৰুৱাই ১০৮ ৰাণহে কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে বুধবাৰৰ খেলত হোজাই দলে বোকাখাটক ৮০ ৰাণত পৰাজিত কৰিছিল।

## পূৱ বংশৰ মহাবিদ্যালয় বিজয়ী

অগ্ৰদূত বাৰ্তা

**কমলপুৰ, ৬ জানুৱাৰী ঃ** ৰাষ্ট্ৰীয় ভোটাৰ দিৱসৰ লগত সংগতি ৰাখি কামৰূপ জিলা নিৰ্বাচনী বিভাগে আয়োজন কৰা জিলা ভিত্তিত আন্তঃ মহাবিদ্যালয় সজাগ ভোটাৰ ফুটবল প্ৰতিযোগিতাত পূৱবংশৰ মহাবিদ্যালয়ে চূড়ান্ত বিজয়ীৰ গৌৰৱ অৰ্জন কৰিছে। ৰঙিয়া নিৰ্বাচনী বিভাগৰ সৌজন্যত তথা কমলপুৰ জনপ্ৰিয় ক্লাবৰ সহযোগত কমলপুৰ মিনি ষ্টেডিয়ামত অনুষ্ঠিত হোৱা উক্ত ফুটবল প্ৰতিযোগিতাৰ চূড়ান্ত খেলখনত পূৱবংশৰ মহাবিদ্যালয়ে টাইব্ৰেকাৰ পদ্ধতিৰ জৰিয়তে বিদ্যা ভাৰতী মহাবিদ্যালয়ক ৪-৩ গ'লৰ ব্যৱধানত পৰাজিত কৰে। নিৰ্ধাৰিত সময়ত খেলখন গ'লশূন্য ভাৱে সমাপ্ত হোৱাত খেলপৰিচালকে টাইব্ৰেকাৰ পদ্ধতিৰ দ্বাৰা খেলৰ ফলাফল নিৰ্ণয় কৰে। উল্লেখ্য যে জিলাখনৰ মুঠ সাতখন মহাবিদ্যালয়ৰ মাজত অনুষ্ঠিত হৈছি ফুটবল প্ৰতিযোগিতাখন।

## টেঙাপাৰা ক্ৰিকেট ক্লাব কোকৰাঝাৰৰ চেম্পিয়ন

অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ৬ জানুৱাৰী ঃ** অসম ক্ৰিকেট সন্থাৰ উদ্যোগত আৰম্ভ হোৱা জিলা ভিত্তিক চতুৰ্থ আছাম প্ৰিমিয়াৰ ক্লাৱ চেম্পিয়নশ্বিপ ক্ৰিকেট প্ৰতিযোগিতাৰ কোকৰাঝাৰৰ চেম্পিয়ন হৈছে টেঙাপাৰা ক্ৰিকেট ক্লাৱ। উল্লেখ্য যে কোকৰাঝাৰ চহৰৰ ডি এন হিমৎ সিনহা খেলপথাৰত হোৱা চেম্পিয়নশ্বিপৰ ফাইনেলত টেঙাপাৰা ক্ৰিকেট ক্লাবে পৰাস্ত কৰে অমৰ ভাৰত সংঘক। প্ৰতিযোগিতাৰ ফাইনেলত শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে বিজয়ী টেঙাপাৰা ক্ৰিকেট ক্লাৱৰ খেলুৱৈ উত্তম বাছফৰ আৰু শ্ৰেষ্ঠ বলাৰ আৰু মেন অৱ দ্যা ছিৰিছ লাভ কৰে সম্ৰাট বিশ্বাসে। শ্ৰেষ্ঠ বেটছমেন ৰহিত সেন আৰু শ্ৰেষ্ঠ ফিল্ডাৰ অমৰ ভাৰত সংঘৰ বিনোদ ঘোঁষ নিৰ্বাচিত হয়। কোকৰাঝাৰ জিলা চেম্পিয়ন দল টেঙাপাৰা ক্ৰিকেট দলক বটাঁসহ নগদ এক লাখ টকাৰ চেক প্ৰদাণ কৰে মুখ্য অতিথি তথা বিটিআৰৰ উপ মুখ্য কাৰ্যবাহী সদস্য গোবিন্দ বসুমতাৰীয়ে আৰু ৰাণাৰ্ছ দলক বটা প্ৰদাণ কৰে কোকৰাঝাৰ ক্ৰিকেট সন্থাৰ সভাপতি তথা বিটিআৰৰ বনৰগাও সমষ্টিৰ পাৰিষদ ৰাজীৱ কুমাৰ ব্ৰহ্মই । অনুষ্ঠানত কোকৰাঝাৰ ক্ৰিকেট সন্থাৰ উপ সভাপতি বিমল মণ্ডল, সম্পাদক বিবেক শৰ্মাকে ধৰি বহু ব্যক্তি উপস্থিত থাকে । উল্লেখ্য যে, কোকৰাঝাৰ জিলা ভিত্তিক প্ৰতিযোগিতাখনত শীৰ্ষ আঠটা দল অংশ লৈছিল। জিলা চেম্পিয়ন হৈ টেঙাপাৰা ক্ৰিকেট ক্লাৱে পৰবৰ্তী মণ্ডল ভিত্তিত প্ৰতিযোগিতালৈ যোগ্যতা অৰ্জন কৰিছে।




## গুৱাহাটী ক্ৰীড়া সন্থাৰ উদ্যোগত আন্তঃশিক্ষানুষ্ঠান, মুকলি বেডমিণ্টন প্ৰতিযোগিতা

**গুৱাহাটী, ৬ জানুৱাৰী ঃ** গুৱাহাটী ক্ৰীড়া সন্থাই অহা ২৪ জানুৱাৰীৰ পৰা ২৭ জানুৱাৰীলৈ আয়োজন কৰিছে প্ৰথম সদৌ গুৱাহাটী জিলা নলিনীবালা দেৱী আন্তঃ শিক্ষানুষ্ঠান বেডমিণ্টন চেম্পিয়নশ্বিপ আৰু কনকলতা সিনহা মুকলি বেডমিণ্টন টুৰ্নামেণ্ট । আৰ জি বৰুৱা স্প'ৰ্টছ কমপ্লে'ত থকা ডিটিআৰপি ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব লগা এই প্ৰতিযোগিতাৰ বাবে আগ্ৰহী শিক্ষানুষ্ঠানসমূহক বেডমিণ্টন সম্পাদক দীপক পাটোৱাৰী বা সহকাৰী বেডমিণ্টন সম্পাদক অনল কান্তি সিনহাৰ হাতত ১২ জানুৱাৰীৰ পূৰ্বে প্ৰৱেশ মাচুল জমা দি যোগদান নিশ্চিত কৰিবলৈ অনুৰোধ জনোৱা হৈছে । সন্থাৰ স্বীকৃতিপ্ৰাপ্ত শিক্ষানুষ্ঠানৰ বাবে প্ৰৱেশ মাচুল তিনি হেজাৰ টকা আৰু অস্বীকৃতিপ্ৰাপ্তৰ বাবে পাঁচ হেজাৰ টকা । মুকলি বেডমিণ্টনৰ ছিংগল ইভেণ্টৰ বাবে প্ৰৱেশ মূল্য পাঁচশ টকা আৰু ডাবলছ ইভেণ্টৰ বাবে এহেজাৰ টকা । এই প্ৰতিযোগিতা মিনিৰ পৰা জুনিয়ৰ পৰ্যায়লৈ হ'ব । অধিক তথ্যৰ বাবে সহকাৰী বেডমিণ্টন সম্পাদক অনল কান্তি সিনহাক ৬০০০৬৩৫৬১৪ নম্বৰত যোগাযোগ কৰিবলৈ কোৱা হৈছে।

## ৰাষ্ট্ৰীয় কাৰাটেত অসমৰ ১৮ টা পদক লাভ

**অগ্ৰদূত বাৰ্তা, মৰিগাঁও, ৬ জানুৱাৰী ঃ** ৰাষ্ট্ৰীয় ফুল কনট্ৰে কাৰাটে প্ৰতিযোগিতাত অসম দলে ১৮ টা পদক লাভ কৰি দ্বিতীয় স্থান লাভ কৰিছে। উল্লেখ্য যে উত্তৰ প্ৰদেশৰ কাণপুৰত অনুষ্ঠিত হৈছিল ৰাষ্ট্ৰীয় ফুল কনট্ৰে কাৰাটে প্ৰতিযোগিতা। প্ৰতিযোগিতা খনিত উত্তৰ প্ৰদেশে প্ৰথম স্থান লাভ কৰাৰ বিপৰীতে অসমে মুঠ ১৮ টা পদক লাভ কৰি দ্বিতীয় স্থান দখল কৰিবলৈ সক্ষম হয়। আনহাতে, চত্তিছগড়ে তৃতীয় স্থান লাভ কৰে। অসম দলে আঠটা সোণ, আঠটা টা ৰূপ আৰু দুটা ব্ৰঞ্জ পদক লাভ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে প্ৰতিযোগিতাত অসমৰ দলক প্ৰতিনিধিত্ব কৰিছিল মৰিগাঁৱৰ ছজন খেলুৱৈয়ে। আটাইকেইগৰাকীয়ে পদক আজুৰি আনিবলৈ সক্ষম হয়। মৰিগাঁৱৰ পৰা পদক লাভ কৰা খেলুৱৈ সকলৰ ভিতৰত আছে স্পন্দন কুমাৰ নাথে দুটা শাখাত দুটা সোণ, নিপু বৰদলৈয়ে এটা সোণ, ডলি বৰুৱাই এটা সোণ, ৰবি কোঁৱৰে এটা সোণ, বাবুজিত ব্ৰহ্মই এটা ৰূপ আৰু তপন পাতৰে এটা ব্ৰঞ্জ পদক লাভ কৰিবলৈ সক্ষম হয়। সঞ্জীৱ কুমাৰ নাথে অসম দলটোক নেতৃত্ব দিয়া লগতে মৰিগাঁও দলটোক নেতৃত্ব দিয়ে প্ৰসন্ন কুমাৰ বৰদলৈয়ে।



## বিলাসনন্দন চ'ৰা



# সময় নাই! ছুটী লাগিবই

**এটা** সময় আছিল যেতিয়া খুব কম এছামিজ মানুহৰ হাততহে ঘড়ী আছিল। কিন্তু তেতিয়া সময় সৰৰে আছিল। আজি-কালি সৰৰে হাতে হাতে দামী দামী ঘড়ী, অথচ সময় কাৰোৰে হাতত নাই। দিন যোৱা মানে এছামিজ মানুহৰ হাতত সময়ৰ বৰ অভাৱ ঘটিবলৈ লৈছে। একেবাৰে ফুৰছট নাই। কিতাপৰ মেলালৈ যাবলৈ সময় থাকিলেও কিতাপ এখন মেলি চাবলৈ মুঠেই সময় নাই। ঘণ্টাৰ পাছত ঘণ্টা ফেচবুক কৰি থাকিবলৈ সময় থাকিলেও ষ্ট'ৰী বুক এখন পঢ়িবলৈ মুঠেই সময় নাই। ল'ৰা-ছোৱালীক ইংলিছ পঢ়ুৱাই ইণ্টাৰনেছনেল কৰিবলৈ সময় থাকিলেও দুটামান এছামিজ শব্দ শিকাই লোকেল কৰিবলৈ মুঠেই সময় নাই। নতুন নতুন কাপোৰ পিন্ধি ইনষ্টাগ্ৰামত ষ্টেটাছ দি নিজৰ ষ্টেটাছ ছিম্বলটোক পপুলাৰ কৰাৰ সময় থাকিলেও শালত গামোচা এখন বৈ এছামিজ বোৱাৰী হ'বলৈ মুঠেও সময় নাই। ঘৰত পিজ্জা-বাৰ্গাৰ বনাই ফেচবুকত আপলোড কৰাৰ সময় থাকিলেও দুখনমান পিঠা বা দুটামান লাডু বনাই ঘৰৰ মানুহৰ পেটত ডাউনলোড হ'বলৈ দিয়াৰ মুঠেই সময় নাই। নেইবাৰ বা ফেচবুক ফ্ৰেইণ্ডৰ লগত দুটা-তিনিটাকৈ পিকনিক খাই বা পেৰন কৰি নিজকে চিকমিক কৰিবলৈ সময় থাকিলেও মাক-বাপেকৰ খবৰ ল'বলৈ হাতত সময় নাই। ইমানেই ব্যস্ততা বাঢ়ি গৈছে এছামিজ মানুহৰ যে মাক-বাপেকৰ খবৰ ল'বলৈ বেলেগে ছুটী দিব লগা হৈছে। মাক-বাপেকৰ খবৰ ল'বলৈও ফুৰছট নোহোৱা হৈছে। আনকি ছুটী দিয়াৰ পাছতো বহুতে ফুৰছট পোৱা নাই মাক-বাপেকক লগ কৰিবলৈ যোৱাৰ। এলবামৰ পুৰণা ফটোকে বিচাৰি-খুঁচৰি উলিয়াই আপলোড্ কৰা হৈছে ছুটীৰ দিনাৰ ফটো বুলি। নহয় মানে দুটামান ফেমিলীয়ে বহুদিনৰ পৰা 'পাৰ্টি খাম', 'পাৰ্টি খাম' কৰি আছিল। জন্মদিনৰ পাৰ্টি। স্পেচিয়েল ছুটী এটা পোৱা গ'ল কাৰণে সিদিনাই ঘৰলৈ মাতি দিয়া গ'ল। পাৰ্টি শেষ হওঁতে ৰাতি দুইমান বাজিল। মাক-বাপেকৰ কাষলৈ যাবলৈ সময়ে নহ'ল জন্মদিনৰ পাৰ্টিৰ কাৰণে। আনকি জন্মদিনৰ পাৰ্টি শেষ হোৱাৰ পাছতো ভাবি চাবলৈ সময় নহ'ল। মাক-বাপেকে জন্ম নিদিয়া হ'লে জন্মদিনটো ক'ৰ পৰা আহিলহেঁতেন।

লাহে লাহে আৰু বহু ছুটী লগা হ'ব এছামিজ মানুহক। নহ'লে যে সময়ে নাপায়। ল'ৰা-ছোৱালীক স্কুলত পঠিয়াবলৈ ছুটী লগা হ'ব। নিজে অফিচত যাবলৈ ছুটী লগা হ'ব। ফাইলবোৰ ষ্টাডী কৰিবলৈ ছুটী লগা হ'ব। ফাইলত চহী কৰিবলৈ ছুটী লগা হ'ব। টিভি চাবলৈ ছুটী লগা হ'ব। পেপাৰ পঢ়িবলৈ ছুটী লগা হ'ব। কিতাপ মেলিবলৈ ছুটী লগা হ'ব। (ছপা আখৰৰ পপুলাৰিটী বঢ়োৱাৰ কথা আছে, যেনেকৈ ৰেডিঅ'ৰ পপুলাৰিটী বঢ়াবলৈ মন কী বাত ক'বলৈ লোৱা হৈছিল)। উপায় নাই, একেবাৰে সময় নাই। ছুটী নাপালে একো এটা কাম কৰিব নোৱাৰি। ছুটী নোলোৱাকৈ এইবোৰ কাম কৰিবলৈ গ'লে অফিচাৰেই কৈ দিব—'তেৰা তো হো গয়া ছুট্টী!'

বেপাৰ-বাণিজ্য বাঢ়িব লাগিব। তেতিয়াহে টেক্স আহিব। তেতিয়াহে অৰ্থনীতিৰ কিবা এটা অৰ্থ থাকিব। কিন্তু বজাৰ কৰিব যাব কেনেকৈ? সময় নাই। গতিকে এদিন মলত বজাৰ কৰিবলৈ, এদিন চবজী বজাৰ কৰিবলৈ, এদিন মাছ-মঙহ বজাৰ কৰিবলৈ (এণ্টিব'ডীৰ কথা আছে), এদিন গেলামাল কিনিবলৈ, এদিন পাট-মুগা কিনিবলৈ (ভকেল ফৰ লোকেল) ছুটী দিবই লাগিব। ঝাড়ু মৰা কামটো বাদশ্বাহে ভাল পায়। গতিকে ঘৰৰ সন্মুখৰ ৰাস্তাটোৰ ঝাড়ু মাৰিবলৈ 'এক দিন কা ছুটী তো বনতা হে'। মন্দিৰবোৰ যে বনাই থৈছে, সেইবোৰ 'মেক ইন ইণ্ডিয়া' বুলি কেৱল বনাই থ'লে কেনেকৈ হ'ব? দৰ্শনতো কৰিব লাগিব। কিন্তু দৰ্শন কৰিবলৈ হাতত সময় ক'ত? গতিকে মন্দিৰ দৰ্শনৰ কাৰণে এদিনৰ ছুটীতো দিবই পাৰে। কমচে কম পলিটিকেল আইড'লজীৰ লজিকটো আৰু বেছি জোৰদাৰ হয়। নহ'লে দেখোন সময়ে পোৱা নাযায়। সদায় সদায় পুৱাতে অফিচলৈ ওলাই যায়। ৰাতি খাই-বৈ উভতি আহে। ৰাতি ভাতটো খাই শুই থাকে। কেতিয়াবা অলপ সময় পালেও সেইখিনি ল'ৰা-ছোৱালীকে দিব লাগে। ঘৈণীয়েকে ভালকৈ নিজৰ মানুহটোক লগেই নাপায়। মতাটোৱে নিবিচাৰিলেও ঘৈণীয়েকবোৰে বিচাৰে। ঘৈণীৰ লগত টাইম স্পেণ্ড কৰিবলৈ কমচে কম বছৰত এদিনৰ ছুটী দিব লাগে। গিৰীয়েকবোৰৰ বেছিভাগে অৱশ্যে টাই স্পেণ্ড কৰাতকৈ টাইম পাছ কৰিবলৈ বেছি ভাল পায়।



টাইম পাছ কৰিবলৈ বহুতকে পোৱা যায়। কিন্তু টাইম স্পেণ্ড কৰিবলৈ কেৱল ঘৈণীয়েককহে পোৱা যায়। ঘৈণীয়েকৰ লগত টাইম স্পেণ্ড কৰিবলৈ যদি ছুটী দিয়ে, তেন্তে বহুতৰে লগত টাইম পাছ কৰিবলৈও ছুটী দিব লাগিব।

লাহে লাহে হয়তো এনে এটা সময় আহিব, যেতিয়া ভোটৰ টাইমত আটাইতকৈ বেছি লেকচাৰৰ মূল বিষয় হ'ব ছুটী। যেনেকৈ ভোটৰ টাইমত পাৱাৰ পালে অমুক দিম তমুক দিম বুলি কোৱা হয়, ঠিক তেনেকৈ লাহে লাহে প্ৰমিজ কৰা হ'ব —পাৱাৰত আহিলে অমুক দিনা ছুটী দিম, তমুক দিনা ছুটী দিম। এনেকৈ যদি অহৰহ ছুটী দিয়া নহয়, এছামিজ জাতিটোৱে দেখোন ছুটী হৈ যাব। নহয় মানে এছামিজ মানুহে সময় নাপায়তো!

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

তলাবন্ধৰ সময়ছোৱাত অধিকাংশ লোকৰে যেন জীৱনৰ গতি স্তব্ধ হৈ পৰিছিল। অৱশ্যে থমকি ৰোৱা নাছিল কেৰালাৰ এজন প্ৰৌঢ় লোক। কৰ'নাকালৰ তলাবন্ধ যেন তেওঁৰ বাবে শাপেই বৰ হৈ পৰিছিল। সকলোবোৰ বন্ধ হৈ ঘৰতে থাকিবলগীয়া হোৱা অৱস্থাত হাতত পোৱা অফুৰন্ত সময়খিনিৰ পূৰ্ণ সদ্ব্যৱহাৰ কৰি পূৰণ কৰিছিল বিশ্বৰ খ্যাতনামা বিশ্ববিদ্যালয়ত অধ্যয়ন কৰাৰ স্বপ্ন।

# তলাবন্ধৰ সুযোগত ১৪৫টা পাঠ্যক্ৰমত শিক্ষা ল'লে কেৰালাৰ প্ৰৌঢ়ই



## বিশ্বৰ ১৬খন বিশ্ববিদ্যালয়ৰ পৰা অৰ্জন কৰিছে ১৩০টা ডিগ্ৰী

■ **নিউজ ব্যুৰ'**

**তিৰুঅনন্তপুৰম, ৬ জানুৱাৰী ঃ** তলাবন্ধৰ সময়ছোৱাত অধিকাংশ লোকৰে যেন জীৱনৰ গতি স্তব্ধ হৈ পৰিছিল। অৱশ্যে থমকি ৰোৱা নাছিল কেৰালাৰ এজন প্ৰৌঢ় লোক। কৰ'নাকালৰ তলাবন্ধ যেন তেওঁৰ বাবে শাপেই বৰ হৈ পৰিছিল। সকলোবোৰ বন্ধ হৈ ঘৰতে থাকিবলগীয়া হোৱা অৱস্থাত হাতত পোৱা অফুৰন্ত সময়খিনিৰ পূৰ্ণ সদ্ব্যৱহাৰ কৰি পূৰণ কৰিছিল বিশ্বৰ খ্যাতনামা বিশ্ববিদ্যালয়ত অধ্যয়ন কৰাৰ স্বপ্ন। তলাবন্ধৰ সময়খিনিত নিজক সম্পূৰ্ণৰূপে পঢ়া-শুনাৰ মাজত ডুবাই ৰাখিছিল আৰু ইয়াৰ বাবে তেওঁ নিজৰ চাকৰিও ইস্তফা দিবলৈ অকণো কুণ্ঠাবোধ কৰা নাছিল।

তলাবন্ধৰ সময়ত নিজৰ গণ্ডিৰ বাহিৰলৈ আহি বহুতেই অধ্যয়নৰ চখ পূৰণ কৰিছে। এই ক্ষেত্ৰত সকলোকে চেৰাই গ'ল কেৰালাৰ তিৰুঅনন্তপুৰমৰ বাসিন্দা ছফি বিক্ৰমণে। এই সময়ছোৱাতে তেওঁ সম্পূৰ্ণ কৰিছে ১৪৫ৰো অধিক পাঠ্যক্ৰম। তাকো আকৌ বিশ্বৰ বহু নামজ্বলা বিশ্ববিদ্যালয়ৰ পৰা। এই মুহূৰ্তত বিক্ৰমণৰ হাতত আছে ইয়েল, প্ৰিন্সটন, কলম্বিয়া, ষ্টেনফ'ৰ্ডৰ দৰে আইভি লীগৰ একাধিক বিশ্ববিদ্যালয়ৰ ডিগ্ৰী। সকলো মিলাই এই পৰ্যন্ত তেওঁ অৰ্জন কৰিছে ১৩০টাৰো অধিক পাঠ্যক্ৰমৰ ডিগ্ৰী। আৰু একাধিক বিষয়ত অধ্যটন চলি আছে বুলিয়ে দাবী কৰিছে বিক্ৰমণে। ইতিমধ্যেই বিক্ৰমণে বিশ্বৰ ১৬খন দেশৰ বহু বিশ্ববিদ্যালয়ত অধ্যয়ন সমাপ্ত কৰিছে। সকলোবোৰ তলাবন্ধৰ সময়তে ভাৰ্চুৱেল মাধ্যমেৰে।

উল্লেখ্য যে নতুন কিবা শিকাৰ আগ্ৰহ বিক্ৰমণৰ আগৰে পৰাই আছিল।অৱশ্যে কামৰ চাপত পঢ়া-শুনা কৰা বা নতুন কিবা শিকাৰ চখ পূৰণ কৰিবলৈ সময় পোৱা নাছিল। তলাবন্ধত সেই সুযোগ হাতলৈ অহাত পঢ়া-শুনাৰ নিচাত আনকি চাকৰিও ত্যাগ কৰে তিৰুঅনন্তপুৰমৰ এটা নামজ্বলা বিদেশী মুদ্ৰা বিনিময় কোম্পানীৰ ডেপুটী জেনেৰেল মেনেজাৰ বিক্ৰমণে। ২০২০ৰ ২৫ মাৰ্চত দেশব্যাপী তলাবন্ধ ঘোষণা কৰাৰ পাছতে বিক্ৰমণে নতুন বিষয়ত অধ্যয়ন আৰম্ভ কৰিছিল। প্ৰথম অৱস্থাত প্ৰধানকৈ চখতে অনলাইনত বিভিন্ন পাঠ্যক্ৰমত অধ্যয়ন আৰম্ভ কৰিছিল তেওঁ। পঞ্চাশোৰ্ধ্বৰ লোকজনে ২০২০ৰ জুলাইত ক'ৰ্চেৰা আৰু বিশ্ব স্বাস্থ্য সংস্থা (হু)ৰ একাধিক পাঠ্যক্ৰমত নাম ভৰ্তি কৰিবলৈ আৰম্ভ কৰে। ক'ৰ্চেৰা হৈছে বিভিন্ন পাঠ্যক্ৰম শিকোৱা এক অনলাইন সংস্থা। অৱশ্যে সিবোৰৰ অধিকাংশই আছিল স্বাস্থ্যখণ্ডৰ। লাহে লাহে তেওঁ একাধিক বিষয়ত পঢ়া-শুনা কৰিবলৈ আৰম্ভ কৰে। অৱশ্যে প্ৰৌঢ় বয়সত নতুন বিষয়ত পঢ়া-শুনা কৰাটো বৰ সহজ মাছিল। সেয়ে বিক্ৰমণেও প্ৰথমাৱস্থাত কিছু জটিলতাৰ সন্মুখীন হৈছিল। এই সন্দৰ্ভত বিক্ৰমণে কয়, 'প্ৰথমে আমেৰিকাৰ ষ্টেনফ'ৰ্ড বিশ্ববিদ্যালয়ৰ এটা পাঠ্যক্ৰমত নাম লিখাইছিলো। প্ৰথমে সকলোবোৰ খেলিমেলি লাগিছিল। বৰ কষ্টকৰ যেন লাগিছিল। প্ৰথমে পাঠ্যক্ৰম শেষ কৰিবলৈ যথেষ্ট সমস্যাত পৰিছিলো।'

তলাবন্ধত পঢ়া-শুনা কৰাৰ বাবে বিক্ৰমণে প্ৰথমাৱস্থাত বিষয় নিৰ্বাচনত বিশেষ সতৰ্ক হোৱা নাছিল। সেই সময়ত নিজৰ ইচ্ছাত হাততে যি পাঠ্যক্ৰম পাইছিল, তাতেই নাম লিখাইছিল। বিক্ৰমণে কয়, 'প্ৰথমফালে বেছি বাছি থকা নাছিলো। যিটো বিষয় ভাল লাগিছিল, তাকেই শিকিবলৈ আৰম্ভ কৰিছিলো।' উচ্চপদত কৰ্মৰত হোৱাৰ বাবে বিক্ৰমণে অফিচৰ বহু দায়িত্ব বহন কৰিব লাগিছিল। সেই সকলোবোৰৰ চম্ভালিও তেওঁ অধ্যয়ন অব্যাহত ৰাখিছিল। ইয়াৰ বাবে আনকি নিদ্ৰাকো বিসৰ্জন দিছিল বিক্ৰমণে। তেওঁ কয়, 'অফিচৰ পৰা ঘৰলৈ অহাৰ পাছত সন্ধিয়াৰ পৰাই পঢ়িবলৈ বহিছিলো। সন্ধিয়া ছয় বজাৰ পৰা পাছদিনা পুৱতি নিশা চাৰি বজালৈকে পঢ়া-শুনা চলিছিল। কেতিয়াবা শোৱাও নাছিলো। চিনি-চাৰি মাহ ধৰি দিনত দুঘণ্টা শোৱাৰ ঘটনাও ঘটিছিল।' বিক্ৰমণে লগতে জনায় যে একাধিক দেশৰ স'তে ভাৰতীয় সময়ৰ পাৰ্থক্য থকাৰ ফলতে পঢ়া-শুনাৰ নিচাত ভালদৰে শুব পৰা নাছিল। শেষত অধ্যয়নৰ নিচা অটুট ৰখাৰ বাবে তেওঁ চাকৰিটোকে ত্যাগৰ সিদ্ধান্ত লয়। এই সন্দৰ্ভত বিক্ৰমণে কয়, 'কেতিয়াবা চাকৰিৰ তাগিদাত মই দক্ষিণ ভাৰত, বিশেষকৈ তামিলনাডুলৈ যাতায়াত কৰিবলগীয়া হৈছিল। তলাবন্ধৰ বাবে তাত বিস্তৰ বিধি-নিষেধ আছিল।ফলত স্থিৰ কৰিলো যে পঢ়া-শুনাৰ বাবে চাকৰিটোকে এৰি দিম।' বিক্ৰমণে সদৰী কৰে যে এই পৰ্যন্ত তেওঁ ঔষধ, বিত্ত, ৰব'টিক্স, কৃত্ৰিম বুদ্ধিমত্তা, ফৰেনচিক আৰু ক্ৰিপ্ট'কাৰেন্সীসহ বহুতো পাঠ্যক্ৰম সম্পূৰ্ণ কৰিছে। সম্প্ৰতি তেওঁ একেলগে ২২টা বিষয়ত অধ্যয়ন অব্যাহত ৰাখিছে।

কিদৰে ইমান কম সময়তে ইমানবোৰ পাঠ্যক্ৰম সম্পূৰ্ণ কৰিব পাৰিলে, সেই কথাও তেওঁ সদৰী কৰিছে। বিক্ৰমণে কয় যে অধিকাংশ পাঠ্যক্ৰমেই মাত্ৰ দুদিনৰ পৰা দুমাহৰ। ফলত তেওঁ কোনো কোনো সময়ত একেলগে ২০টা পাঠ্যক্ৰমো সম্পূৰ্ণ কৰিছে। বিক্ৰমণৰ এই অধ্যৱসায় দেখি তেওঁৰ পৰিয়ালেও গৌৰৱবোধ কৰিছে।তেওঁ জনায় যে কামৰ ব্যস্ততা বা সংসাৰৰ দায়িত্ব চম্ভালি অনলাইনত পঢ়া-শুনা কৰাৰ সময়ত তেওঁ কোনোদিনেই এটাও বক্তৃতাত অনুপস্থিত থকা নাছিল। কিবা প্ৰকাৰে হ'লেও সেয়া সম্ভৱ হৈ উঠিছিল বুলি তেওঁ কয়। বিক্ৰমণে কয় যে নতুন বিষয়ত বিশ্বৰ খ্যাতনামা বিশ্ববিদ্যালয়ত অধ্যয়ন কৰাটো তেওঁৰ বাবে স্বপ্নপূৰণৰ লেখীয়া। তেওঁ কয়, 'বিশ্বৰ নামজ্বলা বিশ্ববিদ্যালয়ত পঢ়া-শুনা কৰাৰ স্বপ্ন আছিল। সেই বাস্তৱ হ'ল। মোৰ সন্মুখত যেন নতুন দুৱাৰ খুলি গৈছে।'




অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com